● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

www.dainikagradoot.in

**দিগ্‌দৰ্শন**

শীতৰ গভীৰতাৰ মাজত অৱশেষত মই শিকিলো যে মোৰ ভিতৰত আছে এক অজেয় গ্ৰীষ্ম।



আলবেয়াৰ কেম্যু
*ফৰাচী দাৰ্শনিক*

৭ সামৰিক অভ্যুত্থানৰ শংকাত পাক প্ৰধানমন্ত্ৰী
১৩ ৰেষ্ট ইণ্ডিজৰ বিপক্ষে দক্ষিণ আফ্ৰিকাৰ জয়
৪ যুদ্ধৰ দামামা বজাই পাহৰাব ভোকৰ যাতনা

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২০তম সংখ্যা ● গুৱাহাটী ● বুধবাৰ ৯ কাতি ১৪২৮ ভাস্কৰাব্দ ২৭ অক্টোবৰ ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Wednesday 27 October 2021 মূল্য ঃ ৭.০০ টকা

■ নিজৰ শোৱনি কোঠাতে মূৰত আঘাত কৰি হত্যা প্ৰবীণ দম্পতীক ■ ৰাজধানী মহানগৰীতে চৰম নিৰাপত্তাহীনতাত ভুগিছে জনসাধাৰণ ■ এজনক গ্ৰেপ্তাৰ-কে'বাজনকো জেৰা আৰক্ষীৰ

# আৰক্ষীৰ নিৰাপত্তাৰ ফোঁপোলা স্বৰূপ

■ লোৰ গ্ৰীল খুলি খিৰিকীৰে সোমাইছিল হত্যাকাৰী ■ লুটপাটৰ নাই তথ্য ■ দুই কন্যা বিবাহসূত্ৰে লণ্ডন-মুম্বাইৰ নিবাসী ■ আকাশৰ ওপৰত সন্দেহ কিয়? ■ মটৰ চাইকেলত কোন আহিছিল নিশা ■ 'ক্লু' লাভৰ দাবী আৰক্ষীৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৬ অক্টোবৰ ঃ** অপৰাধীৰ ৰম্যভূমি হৈ পৰিছে গুৱাহাটী। মহানগৰীখনৰ আইন-শৃংখলা ব্যৱস্থা অধিক নিয়ন্ত্ৰণত ৰখাৰ বাবেই আয়ুক্ত ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছে; কিন্তু আৰক্ষীৰ সোপাটিলা ভূমিকাৰ বাবে দৌৰাত্ম্য অব্যাহত আছে অপৰাধীৰ। সেয়েহে মহানগৰীত প্ৰায় প্ৰতিদিনে গুৰুতৰ অপৰাধ সংঘটিত হোৱাটো এক সাধাৰণ ঘটনাত পৰিণত হৈছে। *১০ পৃষ্ঠাত চাওক*



*ধৃত আকাশ চৌধুৰী।*





*শোৱনি কোঠাত বৰুৱা দম্পতীৰ মৃতদেহ (বাওঁফালে) ঃ হত্যাকাৰীৰ সন্ধানত ঘটনাস্থলীত আৰক্ষীৰ কুকুৰ (সোঁফালে), মহানগৰীত মঙলবাৰে।*

## বিদ্যালয়ৰ পৰিচালনাত ৬৫ বছৰৰ সময়সীমা

■ দয়ানন্দ পাঠক



**উচ্চ** মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনাৰ বাবে চৰকাৰে এছএমডিচি নামেৰে একোটি পৰিচালনা সমিতি গঠন কৰি দিছে। এছএমডিচিৰ অৰ্থ হয়তো School Management & Development Committee. কলেজবোৰত আছে G B অৰ্থাৎ Governing Body. বিশ্ববিদ্যালয়ৰ *১০ পৃষ্ঠাত চাওক*

## মুখ্যমন্ত্ৰীৰ নিৰ্বাচনী প্ৰচাৰত নিষেধাজ্ঞা আৰোপৰ দাবী কংগ্ৰেছৰ

আচৰণ বিধি ভংগৰ অভিযোগত জাননী জাৰি




**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৬ অক্টোবৰ ঃ** পাঁচটা সমষ্টিৰ উপ-নিৰ্বাচনৰ প্ৰচাৰ সভাত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নিৰ্বাচনী আচৰণ বিধি ভংগৰ অভিযোগ উত্থাপিত হৈছে। মুখ্যমন্ত্ৰীয়ে প্ৰচাৰ সভাবোৰত ভোটাৰক বিভিন্ন *আঠ পৃষ্ঠাত চাওক*

■ কোন বিধায়কৰ ঘৰৰ পৰা টিফিন যায় কাৰাবন্দী ৰাজকন্যালৈ?

## প্ৰভাৱশালী বিষয়া-আৰক্ষীক সুৰক্ষা দি ততাতৈয়াকৈ অভিযোগনামা দাখিল

ক'ভিড প্ৰট'কল-ড্ৰাই ডে ভংগ কৰি 'পাৰ্টি' অনুষ্ঠিত কৰা ভিভাণ্টা-ঠিকাদাৰ সাধনীদাৰ কাৰ হেঁচাত নাহিল তদন্তৰ আওতালৈ?



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৬ অক্টোবৰ ঃ** ৰাজ্যজুৰি ব্যাপক চৰ্চা লাভ কৰা ৰাজকন্যা বৰুৱাৰ আখ্যানৰ যৱনিকা পেলোৱাৰ লক্ষ্যৰে আজি ঘটনাৰ ২৪ দিনতে আদালতত অভিযোগনামা দাখিল কৰিলে দিছপুৰ আৰক্ষীয়ে। ক'ভিড প্ৰট'কল আৰু ড্ৰাই ডে ভংগ কৰি নৈশ পাৰ্টি অনুষ্ঠিত কৰা হোটেল তাজ ভিভাণ্টা আৰু ঠিকাদাৰ পংকজ সাধনীদাৰ আৰু অন্যান্য *আঠ পৃষ্ঠাত চাওক*

## কঠোৰ অভিযানেও নগাঁৱত ৰোধ কৰিব পৰা নাই ড্ৰাগছৰ বেহা

আৰক্ষীৰ দ্বাৰা গুলিবিদ্ধ মণিপুৰৰ ড্ৰাগছ মাফিয়া



**বিশেষ সংবাদদাতা**
**নগাঁও, ২৬ অক্টোবৰ ঃ** নগাঁও আৰক্ষীৰ কঠোৰ অভিযানেও জিলাখনত ৰোধ কৰিব পৰা নাই ড্ৰাগছৰ বেহা। প্ৰায় প্ৰতিদিনেই জিলাখনৰ বিভিন্ন প্ৰান্তত অভিযান চলাই আৰক্ষীয়ে *১০ পৃষ্ঠাত চাওক*

■ ভেটিৰ বজাৰত বিয়পিছে আতংক ■ অভাৱ ঘটিছে চিকিৎসাৰো

## এমাহতে অচিন ৰোগত ধলপুৰত উচ্ছেদিত তিনিটিকৈ শিশুৰ মৃত্যু

■ ধলপুৰৰ কৃষি প্ৰকল্পৰ কাম পূৰ্ণগতিত



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৬ অক্টোবৰ ঃ** 'আমি নাটক কৰি আছো। জীৱন্ত নাটক। দুখ, যন্ত্ৰণা, অকাল মৃত্যু আমাৰ নাটকৰ মূল বিষয়বস্তু। নিজেই চৰিত্ৰ, নিজেই দৰ্শক। মুকলি আকাশৰ তলত আমি অভিনয় কৰি আছো। যোৱা ২০ আৰু ২৩ ছেপ্টেম্বৰৰ পাছৰ পৰা আমি দিন-ৰাতি অভিনয়েই কৰি আছে ভেটিৰ বজাৰত। ঘৰ-সংসাৰ, মাটি-বাৰী-সম্পত্তিকে ধৰি আপোনজনক হেৰুওৱাৰ পাছত এতিয়ানো আৰু আমি কৰিম কি?' ভেটিৰ বজাৰৰ বালিচৰৰ ঠিক সোঁমাজত থকা এজোপা বাঁহনিৰ ছাঁত বহি ৭০ বছৰীয়া মীৰ ছালাম আলীয়ে 'দৈনিক অগ্ৰদূত'ৰ আগত *আঠ পৃষ্ঠাত চাওক*

■ পুত্ৰ মহম্মদৰ উপস্থিতিত মাতৃৰ অনুষ্ঠান সম্পন্ন ■ ইণ্ডোনেছিয়াৰ প্ৰতিষ্ঠাপক সুকৰ্ণৰ কন্যাৰ পদক্ষেপক লৈ বিশ্বজুৰি বিশেষ চৰ্চা ■ দেশত ধৰ্মীয় বহুত্ববাদৰ প্ৰমাণ ঃ বিশেষজ্ঞ

## ইছলাম এৰি হিন্দুলৈ ধৰ্মান্তৰিত সুকমাৱতী



*সুকমাৱতীৰ হিন্দু ধৰ্ম গ্ৰহণ অনুষ্ঠান, ইণ্ডোনেছিয়াৰ বালিত মঙলবাৰে।*

■ **নিউজ ব্যুৰ'**
**বালি, ২৬ অক্টোবৰ ঃ** অৱশেষত পূৰ্ব নিৰ্ধাৰিত অনুসৰি ইছলাম ধৰ্ম ত্যাগ কৰি হিন্দু ধৰ্ম গ্ৰহণ কৰিলে ইণ্ডোনেছিয়াৰ প্ৰতিষ্ঠাপক ৰাষ্ট্ৰপতি সুকৰ্ণ আৰু তেওঁৰ তৃতীয়া পত্নী ফাটমাৱতীৰ কন্যা সুকমাৱতী সুকৰ্ণপুত্ৰীয়ে। বিশ্বজুৰি এই ঘটনাই বিশেষ চৰ্চা লাভ কৰিছে। মানৱাধিকাৰ কৰ্মী আৰু ৰাজনৈতিক বিশেষজ্ঞসকলৰ মতে বিশ্বৰ সৰ্বাধিক মুছলমান জনসংখ্যাৰ ৰাষ্ট্ৰখনত ধৰ্মীয় বহুত্ববাদ বিৰাজমান হৈ থকাৰ প্ৰমাণ দাঙি ধৰিছে এই ঘটনাই। আন একাংশই এখোজ আগুৱাই গৈ কয় যে সুকমাৱতীৰ এই ধৰ্মান্তকৰণ মালয়েছিয়াকে ধৰি বিশ্বৰ আন মুছলমান সংখ্যাগৰিষ্ঠ *১০ পৃষ্ঠাত চাওক*



## আণ্টিমা গুপ্তাৰ হত্যাকাণ্ড ঃ ধৃত দেৱযানীক ন্যায়িক জিম্মালৈ প্ৰেৰণ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৬ অক্টোবৰ ঃ** ভাড়াঘৰৰ মালিকনীক হত্যা কৰি পাকঘৰৰ গেছ টেবুলৰ চেম্বাৰত মৃতদেহ লুকুৱাই থোৱা অভিযুক্ত দেৱযানী দাসক আজি ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে আদালতে। উল্লেখ্য যে যোৱা *আঠ পৃষ্ঠাত চাওক*

মৰিয়নিত বিজেপি প্ৰাৰ্থী ৰূপজ্যোতি কুৰ্মীৰ হৈ প্ৰচাৰ কেন্দ্ৰীয় মন্ত্ৰীৰ

## কংগ্ৰেছ নিঃশেষ হোৱাৰ পথত-ৰাইজৰ দল অস্তিত্বহীন ঃ সোণোৱাল



**অগ্ৰদূত বাৰ্তা**
**মৰিয়নি, ২৬ অক্টোবৰ ঃ** বিজেপিৰ বাদে আন কোনো ৰাজনৈতিক দলে অসমৰ উন্নয়ন সাধিব নোৱাৰে বুলি মন্তব্য কৰিছে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে। অহা ৩০ অক্টোবৰত ৰাজ্যত অনুষ্ঠিত হ'বলগীয়া উপ-নিৰ্বাচনত মৰিয়নিৰ বিজেপি প্ৰাৰ্থী ৰূপজ্যোতি কুৰ্মীৰ হৈ সমষ্টিটোৰ হেমলাই মৰাণ গাঁৱৰ নবোদয় শিল্পী সংঘৰ প্ৰাংগণত আজি এখন প্ৰচাৰ সভাত অংশ লৈ সোণোৱালে লগতে কয় যে আন দলসমূহে কেৱল চিঞৰ বাখৰহে কৰিব জানে। তেওঁ কয়, 'কংগ্ৰেছে অসমত দীৰ্ঘদিন শাসন কৰাৰ *১০ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
| --- | --- | --- |
| গুৱাহাটী | ৩০° | ২১° |
| ডিব্ৰুগড় | ৩০° | ২০° |
| দিল্লী | ২৮° | ১৬° |
| কলকাতা | ৩১° | ২৪° |
| মুম্বাই | ৩৩° | ২৬° |
| চেন্নাই | ৩২° | ২৭° |
| বাংগালুৰু | ২৭° | ১৯° |
| শ্বিলং | ২২° | ১৩° |

*২৬ অক্টোবৰ, ২০২১*

## বৰজাৰত বিদ্যুৎস্পৃষ্ট হৈ জোৱানৰ মৃত্যু

**বৰমা, ২৬ অক্টোবৰ ঃ** নলবাৰী জিলাৰ বৰজাৰত আজি পুৱা এক শোকাবহ দুৰ্ঘটনা সংঘটিত হয়। পুৱা প্ৰায় সাত বজাত বৰজাৰস্থিত প্ৰথম অসম বিশেষ সংৰক্ষিত বাহিনী জোৱানৰ কেম্পৰ ভিতৰত থকা ১১ হেজাৰ ভল্টৰ বিদ্যুৎ পৰিবাহী তাঁৰত ওলমি থকা বাদুলি এটা লোৰ পাইপেৰে নমাবলৈ গৈ বিদুৎস্পৃষ্ট হৈ *১০ পৃষ্ঠাত চাওক*

ভৱানীপুৰত কংগ্ৰেছ সভাপতি ভূপেন বৰা

## গৰু-ম'হৰ বজাৰৰ দৰে মানুহ কিনা-বেচা কৰিবলৈ বৈ থাকে অসমৰ মুখ্যমন্ত্ৰী

**অগ্ৰদূত বাৰ্তা**
**সৰুপেটা, ২৬ অক্টোবৰ ঃ** মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক আজি প্ৰতাৰক আৰু বিশ্বাসঘাতক আখ্যা দিয়ে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই। ভৱানীপুৰ সমষ্টিত নিৰ্বাচনী প্ৰচাৰ চলাবলৈ আহি পাঠশালাত এক সংবাদমেলত বৰাই মুখ্যমন্ত্ৰী শৰ্মাক সমালোচনাৰ লক্ষ্য কৰি লোৱাৰ উপৰি উপ-নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া আটাইকেইটা সমষ্টিত কংগ্ৰেছ বিজয়ী হ'ব বুলি দাবী কৰে। বৰাই কয়, 'আমাৰ বিশ্বাস যে খৰ্গেশ্বৰ তালুকদাৰ আৰু আব্দুল আলিমৰ তেজে ধোৱা এই ভৱানীপুৰৰ ৰাইজেও উপ-নিৰ্বাচনত অসম চুক্তিৰ আত্মাক ঘূৰাই আনি বিজেপি চৰকাৰক এক সকীয়নি দিব। বিগত চাৰি বছৰত ৪,৪০০ কোটি টকা ধাৰ লৈ চৰকাৰ চলাই থকা বিজেপিয়ে সাধাৰণৰ ৰাইজৰ মূৰত যি বোজা জাপি দিছে তাৰ বিৰুদ্ধাচৰণ ভৱানীপুৰৰ ৰাইজে এইবাৰ কৰিব। অসমত *১০ পৃষ্ঠাত চাওক*

## ধৰ্ষণ-হত্যাৰ অপৰাধীক গ্ৰেপ্তাৰৰ দাবীত ৰাজপথত ছাত্ৰ-মহিলা

**অগ্ৰদূত বাৰ্তা**
**বাগানপাৰা, ২৬ অক্টোবৰ ঃ** ন্যায় বিচাৰি আজি বাগানপাৰা ৰাজপথত প্ৰতিবাদত নামিল পাঁচ শতাধিক ছাত্ৰ-ছাত্ৰী তথা মহিলা। এগৰাকী যুৱতীৰ দলবদ্ধ ধৰ্ষণ আৰু হত্যাৰ ন্যায় *আঠ পৃষ্ঠাত চাওক*

নতুন ক'ভিডত নতুন নীতি-নিৰ্দেশনা জাৰি

৫০ শতাংশ আসনেৰে চিত্ৰগৃহ চলোৱাৰ অনুমতি

## ৰাজ্যত প্ৰতিষেধক-মাস্ক বাধ্যতামূলক ঃ নিশা ১১ বজাৰ পৰা সান্ধ্য আইন

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৬ অক্টোবৰ ঃ** কাইলৈৰ পৰা কাৰ্যকৰী হোৱাকৈ অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে ক'ভিডৰ নতুন নীতি-নিৰ্দেশনা আজি জাৰি কৰে। সেই অনুসৰি নগৰ-চহৰ সকলোতে নিশা ১১ বজাৰ পৰা পুৱা পাঁচ বজালৈ সান্ধ্য আইন বলৱৎ হ'ব। তাৰ বাবে নিশা ১০ বজালৈ সকলো ক্ষেত্ৰতে কাম-কাজ চলিব বুলি নিৰ্দেশনাত উল্লেখ কৰা হৈছে। ইয়াৰ অংশৰূপে সভা-সমিতি, ব্যৱসায়িক প্ৰতিষ্ঠান আদি ন বজালৈ চলিব পাৰিব। অৱশ্যে ৰেস্তোৰাঁ, ধাবা আদিত ৫০ শতাংশতকৈ অধিক আসন পূৰণ হ'ব নোৱাৰিব। বিবাহ আৰু ধৰ্মীয় অনুষ্ঠানত এটা প্ৰতিষেধক গ্ৰহণ কৰা ৫০জনতকৈ অধিক লোক সমবেত হ'ব নোৱাৰিব। ইপিনে, শেষকৃত্যৰ ক্ষেত্ৰত ৫০জন পৰ্যন্ত সমাবেশত অনুমতি দিয়া হৈছে। আনহাতে, ধৰ্মীয় অনুষ্ঠানৰ ক্ষেত্ৰত ইতিহাস প্ৰসিদ্ধ *আঠ পৃষ্ঠাত চাওক*

## বাংলাদেশলৈ প্ৰেৰণৰ বাবে সাজু কৰা চোৰাং গৰু জব্দ

এটা-দুটাকৈ আনি চৰত একগোট কৰি চালান

**বিশেষ সংবাদদাতা**
**বিলাসীপাৰা, ২৬ অক্টোবৰ ঃ** গৰুৰ চোৰাং ব্যৱসায় ৰোধৰ বাবে ৰাজ্য চৰকাৰে আইন গ্ৰহণ কৰিলেও বাস্তৱত সেয়া অৰ্থহীন হৈছে। কাৰণ চোৰাং গৰুৰ সৰবৰাহ নিয়মীয়াকৈ অব্যাহত আছে। বাংলাদেশলৈ এনে গৰু প্ৰেৰণ পূৰ্ণোদ্যমে চলি আহিছে। চৰকাৰক প্ৰত্যাহ্বান জনাই ব্যৱসায়ী চক্ৰই নিত্য নতুন কৌশলেৰে বাংলাদেশলৈ *আঠ পৃষ্ঠাত চাওক*

চেঙা তেল



*মাস্কহে পিন্ধিছো, হাত বান্ধি থোৱা নাই নহয়! মোৰ ভাগটো সোনকালে দি দিয়া!*

■ বৰঝাৰ বিমানকোঠৰ পাৰ্কিঙৰ ব্যৱস্থাপনা ■ দৰমহা আদি সম্পৰ্কত কোনো তথ্য প্ৰকাশ কৰা নাই

## নিযুক্তিপত্ৰ অবিহনেই আদানিয়ে নিয়োগ কৰিলে ৩৭ নিৰাপত্তাৰক্ষী



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৬ অক্টোবৰ ঃ** যোৱা সাত অক্টোবৰৰ নিশা বৰঝাৰস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানকোঠৰ পৰিচালনাৰ দায়িত্ব আদানি গ্ৰুপে চমজি লোৱাৰ লগে লগে চৰম অসুৰক্ষিত অনুভৱ কৰিছে পাৰ্কিঙৰ ব্যৱস্থাপনাৰ দায়িত্বত থকা ৩৭জনকৈ ব্যক্তিগত খণ্ডৰ নিৰাপত্তাৰক্ষীয়ে। কিয়নো পৰিচালনাৰ দায়িত্ব পায়েই যোৱা আঠ অক্টোবৰৰ পৰা আদানি গ্ৰুপে পাৰ্কিঙৰ দায়িত্বত থকা নিৰাপত্তাৰক্ষীসকলক নিজ প্ৰতিষ্ঠানৰ অধীনলৈ নি ইউনিফৰ্ম আৰু পৰিচয়পত্ৰ প্ৰদান কৰি পূৰ্ণগতিত দায়িত্ব পালন কৰিবলৈ দিছে যদিও কোনো এজনকে দিয়া নাই আনুষ্ঠানিক অথবা লিখিত নিযুক্তিপত্ৰ। ফলত কোনো এজন নিৰাপত্তাৰক্ষীয়ে নাজানে আচলতে তেওঁলোকে মাহৰ শেষত কিমান *আঠ পৃষ্ঠাত চাওক*



*প্ৰাদেশিকীকৰণ আইন সংশোধনৰ দাবীত প্ৰতিবাদ শিক্ষক-কৰ্মচাৰীৰ, মহানগৰীত মঙলবাৰে।*

দৈনিক অগ্ৰদূত

গুৱাহাটী, ২৭ অক্টোবৰ, ২০২১ বুধবাৰ পৃষ্ঠা তিনি

# ভোমোৰাগুৰি পৰ্যটন ক্ষেত্ৰ মুকলি

**১২৯ কিলোমিটাৰ জলৰাশিত দুশ ডলফিন**



অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ২৬ অক্টোবৰ ঃ** ‘ৰাজ্যৰ যোগাযোগৰ ক্ষেত্ৰত নগাঁও আৰু শোণিতপুৰক সংযোগ কৰি দেশৰ কেন্দ্ৰীয় চৰকাৰে ব্ৰহ্মপুত্ৰ জলৰাশিৰ তলত এক জলসুৰংগ নিৰ্মাণ কৰাৰ এক সম্ভাৱনা আছে। এই সুৰংগই ছয় পৃষ্ঠাত চাওক

# ‘অসমষ্টাৰ এৱাৰ্ড’ ঘোষণা তিনি বিশিষ্ট ব্যক্তিলৈ জীৱনজোৰা সাধনা বঁটা



**গুৱাহাটী, ২৬ অক্টোবৰ ঃ** গুৱাহাটী মহানগৰীৰ লগতে অসমৰ বিভিন্ন অঞ্চলৰ সামাজিক আৰু সাংস্কৃতিক ক্ষেত্ৰখনত সেৱা আগবঢ়াই অহা প্ৰতিষ্ঠিত সামাজিক-সাংস্কৃতিক সংগঠন ‘অসম ষ্টাৰ’ৰ তৰফৰ পৰা প্ৰতিভাধৰসকলক সামাজিকভাৱে স্বীকৃতি প্ৰদানৰ উদ্দেশ্যে আজি ইয়াৰ সভাপতি অজিত বৰ্মন আৰু সম্পাদকদ্বয় দিগন্ত কুমাৰ চৌধুৰী আৰু মনোৰঞ্জন কলিতাই এক প্ৰেছ বিজ্ঞপ্তিযোগে ২০২১ বৰ্ষৰ ‘অসমষ্টাৰ এৱাৰ্ড’ ঘোষণা কৰিছে। সংগঠনটোৱে ২০২১ বৰ্ষত তিনিখন ক্ষেত্ৰৰ তিনিগৰাকী প্ৰথিতযশা ব্যক্তিত্বক জীৱনজোৰা সাধনা প্ৰদান কৰাৰ ছয় পৃষ্ঠাত চাওক

# বগাহাতীত পৰিণত নগাঁৱৰ জিলা সংগ্ৰহালয়

**বছৰ বছৰ ধৰি ভুমুকি মাৰিবলৈকে যোৱা নাই এজনো লোক**

বিশেষ সংবাদদাতা

**নগাঁও, ২৬ অক্টোবৰ ঃ** বগাহাতীৰ পৰিণত হৈছে নগাঁও জিলা সংগ্ৰহালয়টো। য'ত এতিয়া বিৰাজ কৰে মৰিশালিৰ নিস্তব্ধতা। দিনটো প্ৰকাণ্ড লোৰ গেটখন বন্ধ হৈ থকা জিলা সংগ্ৰহালয়ৰ প্ৰৱেশদ্বাৰত থকা প্ৰকাণ্ড চাইনবোৰ্ডখনো ভাগি তললৈ হেলনীয়াকৈ নামি পৰিছে। নগাঁও চহৰৰ আই টি আই বজাৰৰ সমীপত অৱস্থিত নগাঁও



জিলা সংগ্ৰহালয়টোৰ দুমহলীয়া প্ৰকাণ্ড ভৱনটো কি বুলিহে পথচাৰীয়ে কৌতূহলেৰে দৃষ্টি নিক্ষেপ কৰা পৰিলক্ষিত হৈছে।

উল্লেখ্য যে তদানীন্তন অগপ চৰকাৰৰ আমোলত বিগত ১৯৯৬ত নগাঁও চহৰত স্থাপন কৰা হৈছিল জিলা সংগ্ৰহালয়, নগাঁও। ২০১৯ৰ ছেপ্টেম্বৰ পৰ্যন্ত এই জিলা সংগ্ৰহালয়টো চহৰখনৰ লক্ষীনগৰ চাৰিআলিৰ এটা ভাড়া ঘৰত আছিল। আশ্চৰ্যজনক বিষয়টো হ'ল নগাঁও চহৰত যে এটা জিলা সংগ্ৰহালয় আছে সেই কথা জিলাখনৰ ৯৫ শতাংশ লোক জ্ঞাতই নাছিল।

ইপিনে, ২০১৯ত নগাঁও জিলা সগ্ৰহালয়ৰ বাবে চৰকাৰে চহৰখনৰ আইটিআই বজাৰৰ সমীপত তিনি কঠা ছয় লেচা মাটি আবণ্টন দি বহু লাখ টকা ব্যয় সাপেক্ষে এটা দুমহলীয়া প্ৰকাণ্ড ভৱন নিৰ্মাণ কৰে। সেই নতুন ভৱনটোলৈ নগাঁও ছয় পৃষ্ঠাত চাওক

# ডবকা সংৰক্ষিত বনাঞ্চল ধ্বংস কৰি ৰাষ্ট্ৰীয় ঘাইপথ সম্প্ৰসাৰণৰ বিৰোধিতা




অগ্ৰদূত বাৰ্তা

**যমুনামুখ, ২৬ অক্টোবৰ ঃ** হোজাই জিলাৰ ডবকা সংৰক্ষিত বনাঞ্চলৰ মাজেৰে যোৱা ৩৬ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ চাৰিলেনযুক্ত পথলৈ সম্প্ৰসাৰণ কৰাৰ বাবে ব্যাপক প্ৰস্তুতি চলিছে। এই পথ সম্প্ৰসাৰণৰ নামত কে'বা হেজাৰজোপা মূল্যৱান গছ কটা যোৱাটো একপ্ৰকাৰ নিশ্চিত হৈ পৰিছে। এই গছ কটাৰ বিৰোধিতাৰে আজি হোজাই জিলা আমছুৱে ডবকাৰ শালবাগানত মানৱ শৃংখল আৰু পাছত যমুনাভেলী বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ৰ সন্মুখত বিক্ষোভ প্ৰদৰ্শন কৰি প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। পাছত হোজাই জিলা উপায়ুক্তৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰী আৰু বনমন্ত্ৰীলৈ পৃথকে পৃথকে দুখন স্মাৰকপত্ৰ প্ৰদান কৰে। উল্লেখ্য যে আজি দ্বিতীয়বাৰৰ বাবে হোজাই জিলা আমছুৱে ডবকা ছয় পৃষ্ঠাত চাওক

# ভৱানীপুৰত গাঁও পঞ্চায়তৰ সভানেত্ৰী, ১০ সদস্যসহ পাঁচ শতাধিক কংগ্ৰেছী বিজেপিলৈ

বিশেষ সংবাদদাতা

**পাঠশালা, ২৬ অক্টোবৰ ঃ** উপ-নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগেই ব্যাপক ৰূপত প্ৰচাৰ চলাইছে ৰাজনৈতিক দলসমূহে। মিত্ৰজোঁটৰ প্ৰাৰ্থী ফণীধৰ তালুকদাৰৰ নিৰ্বাচনী প্ৰচাৰ চলাবলৈ আহি আজি সমষ্টিটোত কে'বাখনো সভাত অংশগ্ৰহণ কৰে মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব তথা বিধায়ক জয়ন্ত মল্ল বৰুৱা, মন্ত্ৰী পৰিমল শুক্লবৈদ্য, বিধায়ক হেমাংগ ঠাকুৰীয়া, ৰামকৃষ্ণ ঘোষ, অজয় পালকে ধৰি কে'বাগৰাকীও নেতা-কৰ্মীয়ে। ভৱানীপুৰ বিধানসভা ছয় পৃষ্ঠাত চাওক

## নৱেম্বৰত পৰ্যটকৰ বাবে মুকলি পানপুৰ বনাঞ্চল

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ২৬ অক্টোবৰ ঃ** অক্টোবৰৰ প্ৰথমটো সপ্তাহৰ পৰাই ৰাজ্যৰ ৰাষ্ট্ৰীয় উদ্যানসমূহ পৰ্যটকৰ বাবে মুকলি কৰি দিয়া হ'ল যদিও এতিয়াও কিন্তু পৰ্যটকৰ বাবে মুকলি হোৱা নাই ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ষষ্ঠ সংযোজনৰ অন্তৰ্গত পানপুৰ বনাঞ্চল। জামুগুৰিহাটৰ দক্ষিণাঞ্চলত থকা এই পানপুৰ বনাঞ্চল বিগত বৰ্ষৰ নৱেম্বৰত পোনপ্ৰথমবাৰৰ বাবে পৰ্যটকৰ বাবে মুকলি কৰি দিয়াত অসমৰ পৰ্যটন মানচিত্ৰত নতুনকৈ সংযোজন হৈছিল পানপুৰ বনাঞ্চল। পৰ্যটকৰ বাবে মুকলি হোৱাৰ পাছত বিগত বৰ্ষত পানপুৰ ছয় পৃষ্ঠাত চাওক

## সাহিত্যিক উপেন্দ্ৰ বৰকটকীৰ জন্মদিনত শুভেচ্ছা জ্ঞাপন

বিশেষ সংবাদদাতা

**নগাঁও, ২৬ অক্টোবৰ ঃ** বিশিষ্ট সাহিত্যিক, নিৰন্ধকাৰ উপেন্দ্ৰ বৰকটকীয়ে ৮০ বছৰত ভৰি দিছে। ১৯৪২ত কলিয়াবৰৰ হাটবৰত বিশিষ্ট সাহিত্যিকজনৰ জন্ম হৈছিল। চাৰি কুৰি বছৰীয়া জন্মদিনত আজি নগাঁও জিলা সাহিত্য সভাই তেওঁক সম্বৰ্ধনা জনোৱাৰ লগতে শুভেচ্ছা জ্ঞাপন কৰে। বিশিষ্ট সাহিত্যিকজনৰ ঘৰত নগাঁও জিলা সাহিত্য সভাৰ সভাপতি পৰান কুমাৰ বৰুৱা, উপ-সভাপতি থগিত চন্দ্ৰ মহন্ত, সম্পাদক ৰেৱত কুমাৰ হাজৰিকা, কেন্দ্ৰীয় সদস্য আবুল খায়েৰ আহমেদ, প্ৰাক্তন সভাপতি ৰতিমোহন নাথ, নূপুৰ মোমাই খ্যাত ত্ৰৈলোক্য ভট্টাচাৰ্য, মৰিকলং প্ৰগতি শাখাৰ ছয় পৃষ্ঠাত চাওক

■ থাওৰাত সুশান্ত বৰগোহাঁইৰ হৈ পাঁচখনকৈ নিৰ্বাচনী সভাত অংশ ল'লে মুখ্যমন্ত্ৰীয়ে ■ মুখ্যমন্ত্ৰীৰ বাবে ৰাজ্যখনৰ গাঁও আৰু সমাজে তীৰ্থভূমি

# ৰাজ্যত বিৰোধী দলৰ নাম-নিচান নোহোৱা হৈছে




অগ্ৰদূত বাৰ্তা,

**ডিমৌ, ২৬ অক্টোবৰ ঃ** অসমৰ নতুন প্ৰজন্মৰ বাবে এখন নতুন অসম নিৰ্মাণৰ বাবে বিজেপিয়ে কাম কৰিছে। স্বাধীনতাৰ পূৰ্বতে ধনে-ধানে উভৈনদী হৈ অসমখন ভাৰতৰ ভূখণ্ডত এখন শ্ৰেষ্ঠ ৰাজ্য আছিল। অসমৰ জনজীৱনলৈ বিজেপিয়ে উন্নয়নৰ গংঙ্গা বোৱাই আনিব খুজিছে। বিজেপিৰ উন্নয়নৰ এই যাত্ৰাক কোনেও ৰোধ কৰিব নোৱাৰে। উপ-নিৰ্বাচনৰ পাছতে থাওৰা সমষ্টিতো উন্নয়নৰ নতুন বৰ্ণিল যুগৰ সূচনা হ'ব। উপ-নিৰ্বাচনলৈ মাজত মাত্ৰ তিনিটা দিন বাকী থকা অৱস্থাত আজি থাওৰা বিধানসভা সমষ্টিত দ্বিতীয়বাৰৰ বাবে নিৰ্বাচনী প্ৰচাৰৰ বাবে আহি নিতাইপুখুৰী আৰু পানীদিহিং মৌজাৰ ৰাইজক এনেদৰে কয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। আজি দিনটোত ক্ৰমে পানীদিহিঙৰ টেঙাপানী, গোহাঁইবাৰী বাগিচা, নিতাইপুখুৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰ, মহাৰাণী আৰু পালেঙী উচ্চ মাধ্যমিক বিদ্যালয় খেলপথাৰত অনুষ্ঠিত কৰা পাঁচখনকৈ প্ৰচাৰ সভাত মুখ্যমন্ত্ৰীজনে বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী সুশান্ত বৰগোহাঁইৰ হৈ ৰাইজক সম্বোধন কৰে। মুখ্যমন্ত্ৰী শৰ্মাই থাওৰাৰ দেউৰী, মিচিং, নেপালী, সোণোৱাল-কছাৰী জনগোষ্ঠীৰ বৃহৎ আৱাসিক অঞ্চলৰ পানীদিহিঙৰ টেঙাপানীত প্ৰথমখন নিৰ্বাচনী সভাত পাঁচ হেজাৰৰো অধিক ৰাইজক উদ্দেশি দিয়া ভাষণত কয়, কেন্দ্ৰ আৰু ৰাজ্যত এতিয়া বিজেপি নেতৃত্বাধীন চৰকাৰ অহা ২০২৪ আৰু ২০২৬ লৈকে থাকিব। লগতে ৰাজ্যখনত এতিয়া বিৰোধী দলৰ নামো-নিচান নোহোৱা হৈছে। এনে পৰিৱেশত উন্নয়ন আৰু প্ৰগতিৰ স্বাৰ্থত থাওৰা সমষ্টিৰ ৰাইজে ৩০ অক্টোবৰত নিঃসংকোচে পদুমৰ চিনত ভোট দিব পাৰে। টেঙাপানীত অনুষ্ঠিত সভাত জনগোষ্ঠীয় ৰাইজে স্বগোষ্ঠীয় সাজ-পাৰ পিন্ধি উপস্থিত হোৱাত পুলকিত হোৱা বুলি ব্যক্ত কৰি মুখ্যমন্ত্ৰীয়ে ৰাইজক অহা নিৰ্বাচনত সুশান্ত বৰগোহাঁইৰ পূৰ্বৰ হাতৰ চিহ্নক লৈ ভুল নকৰিবলৈ আহ্বান জনায়। কাৰণ এইবাৰ সমষ্টিৰ উন্নয়নৰ সপোন দেখি অহা দুই প্ৰতিদ্বন্দ্বী কুশল দুৱৰী আৰু সুশান্ত বৰগোহাঁই একলগ হৈ ৰাইজৰ কাষ চাপিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি প্ৰথমখন সভাত পশ্চিম পানীদিহিঙৰ ৰাইজৰ সুবিধাৰ্থে এখন পশু চিকিৎসালয়, হাতী-মানুহৰ সংঘাত নিবাৰণৰ বাবে সৌৰশক্তিৰ বেৰা, টেঙাপানী বলিয়াবাবা মন্দিৰক পৰ্যটনৰ ক্ষেত্ৰৰূপে গঢ়ি তোলা, দিচাঙৰ বলমা ঘাটত স্থায়ী দলং নিৰ্মাণৰ আশ্বাস দিয়াৰ উপৰি ছয় পৃষ্ঠাত চাওক

## উপ-নিৰ্বাচনত পাঁচটা সমষ্টিতেই বিৰোধীয়ে ন্যূনতম ভোট লাভ কৰিব ঃ ৰৌণগৌৰা নাৰ্জাৰী

বিশেষ সংবাদদাতা

**পাঠশালা, ২৬ অক্টোবৰ ঃ** ভৱানীপুৰ বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনত মিত্ৰজোঁটৰ প্ৰাৰ্থী ফণীধৰ তালুকদাৰৰ সমৰ্থনত ইউপিপিএলৰ নিৰ্বাচনী প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। মিত্ৰজোঁটৰ প্ৰাৰ্থীক জয়ী কৰাৰ উদ্দেশ্যে বিটিচিৰ তথা ইউপিপিএলৰ মুৰব্বী প্ৰমোদ বড়ো, মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ লগতে ইউপিপিএলৰ কাৰ্যকৰী সভাপতি ৰৌণগৌৰা নাৰ্জাৰী, এমচিএলএ অমৰ বসুমতাৰী ওৰফে বি ছাওৰাইগৌৰা, দিলীপ বড়ো, বিধায়ক ভূপেন বড়ো, দলটোৰ কে'বাগৰাকীও নেতাই সমষ্টিটোত বাহৰ পাতি ছয় পৃষ্ঠাত চাওক

## সোণাপুৰৰ বাৰঘৰীয়াত পঞ্চবাৰ্ষিক মাৰৈ পূজা আৰম্ভ উদুলি-মুদুলি বৰমণি থান



অগ্ৰদূত বাৰ্তা

**সোণাপুৰ, ২৬ অক্টোবৰ ঃ** সমাজৰ পৰা অসূয়া-অপ্ৰীতি বিনাশ আৰু সকলো শ্ৰেণীৰ ৰাইজৰ মংগল তথা শ্ৰীবৃদ্ধিৰ কামনাৰে আজিৰে পৰা সোণাপুৰৰ বাৰঘৰীয়াৰ ঐতিহ্যমণ্ডিত ‘বৰমণি থান’ত আৰম্ভ হৈছে পঞ্চবাৰ্ষিক মাৰৈ' পূজা। উল্লেখ্য যে গাৰো ৰজাৰ পূৰ্বৰ পৰম্পৰাক শিৰোধাৰ্য কৰি ১৮২৫ খ্ৰীষ্টাব্দৰ পৰাই সোণাপুৰৰ বাৰখেলীয়া জনজাতীয় ৰাইজে প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে এই মাৰৈ পূজা অনুষ্ঠিত কৰি আহিছে। এই উপলক্ষে আজি মা মনসা দেৱীৰ বেদী স্থাপনৰ পাছতে অনুষ্ঠিত হয় সম্বৰ্ধনা অনুষ্ঠান। ইয়াৰ পাছতে ভক্তপ্ৰাণ ৰাইজে ধৰ্মীয় ৰীতি-নীতিৰে মন্দিৰ ছয় পৃষ্ঠাত চাওক

## সৰবৰহী মহিলা কুসুম কুমাৰী ঠাকুৰীয়াৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**পলাশবাৰী, ২৫ অক্টোবৰ ঃ** পলাশবাৰী সমষ্টিৰ উপৰহালী গাঁও নিবাসী তথা প্ৰবীণ কংগ্ৰেছ নেতা বিশিষ্ট সমাজকৰ্মী প্ৰয়াত ফণীন্দ্ৰ নাৰায়ণ ঠাকুৰীয়াৰ সহধৰ্মিণী কুসুম কুমাৰী ঠাকুৰীয়াৰ (৯২) কালি নিশা বাৰ্ধক্যজনিত কাৰণত বিয়োগ ঘটে। দীৰ্ঘদিন ধৰি বাৰ্ধক্যজনিত ৰোগত ভুগি তেওঁ নিজ বাসগৃহতেই চিকিৎসাৰত অৱস্থাত আছিল। ধৰ্মপ্ৰাণা তথা মহিলা সবলীকৰণৰ ক্ষেত্ৰত মহিলা সমিতি গঠন কৰি সমাজহিতৈষী কামেৰে ঠাকুৰীয়াই জীৱন কালত আদৰ্শ ৰাখি থৈছে। অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত থাকি সেৱা আগবঢ়োৱা ঠাকুৰীয়াই নিজৰ গৃহত বিদ্যালয় পাতি ৭০-৮০ৰ দশকত শিশু শিক্ষাৰ বাবেও প্ৰচেষ্টা হাতত লৈছিল। মৃত্যুৰ সময়ত তেওঁ চাৰি পুত্ৰ ক্ৰমে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ ছয় পৃষ্ঠাত চাওক

■ অবৈধভাৱে কৰা বাগানৰ বাৰবেট আৰু আৰচিচি প'ষ্ট উচ্ছেদ সাধাৰণ বন সংমণ্ডলৰ

# গোৱালপাৰা সামাজিক বনানিকৰণ সংমণ্ডলে অপচয় কৰিলে দহ লক্ষাধিক টকা

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২৬ অক্টোবৰ ঃ** সৰিয়হৰ ডুলিতে ভূত থকাৰ লেখীয়াকৈ গোৱালপাৰা সামাজিক বনানিকৰণ সংমণ্ডলে অবৈধভাৱে নিৰ্মাণ কৰা বাগানৰ বাৰবেট আৰু আৰচিচি প'ষ্ট সাধাৰণ বন সংমণ্ডলে উচ্ছেদ কৰা ঘটনাই ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। প্ৰাপ্ত অভিযোগ অনুসৰি জিলাখনৰ দহিকটা সংৰক্ষিত বনাঞ্চলৰ অন্তৰ্গত ডুবাপাৰা মাজৰ টিলাৰ পাঁচ হেক্টৰ ভূমিত বাগানৰ নামত গোৱালপাৰা সামাজিক বনানিকৰণ সংমণ্ডলে ২০১৯-২০ৰ এছ অ'পিডি আঁচনিৰ দহ লাখ টকা আবণ্টন দিয়ে। পৰৱৰ্তী সময়ত কম (লেছ) নিবিদা মূল্য দাখিলৰ বাবে মুঠ ন লাখ এক হেজাৰ ৮৬৭ টকা ব্যয় সাপেক্ষে দায়িত্বৰত ঠিকাদাৰে ৩৫৮ টা আৰ চি চি প'ষ্ট আৰু বাৰবেটেৰ চাৰি সীমাৰ বেৰ দিয়ে। কিন্তু সাধাৰণ বন সংমণ্ডলৰ পৰা অনুমতি অবিহনে অবৈধভাৱে কৰা বাগানৰ আৰ চিচি প'ষ্ট আৰু বাৰবেট যোৱা নৱেম্বৰ মাহত উচ্ছেদ কৰা হয়। এইদৰে স্বয়ং বন বিভাগেই বন বিভাগৰ বাগানৰ আৰ চি চি প'ষ্ট আৰু বাৰবেট উচ্ছেদ কৰা আৰু প্ৰায় ন লক্ষাধিক টকাৰ চৰকাৰী ধন অপচয় কৰাটো সচেতন মহলে সহজভাৱে মানি ল'ব পৰা নাই। উল্লেখ্য যে উক্ত ঠাইত পাঁচ হেক্টৰ ভূমিত বাগান কৰাৰ বাবে অনুমতি বিচাৰি ২০১৯ৰ ৩০ জুলাইত বি-জিএলপি-স্কীম জেনেৰেল -২৮-৫২২ নম্বৰ যোগে গোৱালপাৰা সামাজিক ছয় পৃষ্ঠাত চাওক

■ জিলা উপায়ুক্ত কাৰ্যালয়ত উত্তাল প্ৰতিবাদ

## ক'ভিড-১৯ৰ কামত অংশ নোলোৱাৰ হুংকাৰ চিৰাং জিলাৰ আশাকৰ্মীৰ



অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, ২৬ অক্টোবৰ ঃ** কোনো পাৰিশ্ৰমিক নোহোৱাকৈ গাঁঠিৰ ধন খৰচ কৰি ক'ভিডৰ কোনো কাম নকৰে চিৰাঙৰ আশা কৰ্মীসকলে। এই উদ্দেশ্যে চিৰাং জিলা উপায়ুক্তৰ কাৰ্যালয়ত শীৰ্ষ বিষয়াৰ হেঁচা নিদিবলৈ দাবী উত্থাপনেৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। ছয় পৃষ্ঠাত চাওক

■ জামুগুৰিহাটৰ মহিলা মৃৎ শিল্পীয়ে তৈয়াৰ কৰিছে একলাখ মাটিৰ চাকি
■ থলুৱা শিল্প জীয়াই ৰাখিবলৈ চৰকাৰক পৰিকল্পনা গ্ৰহণৰ দাবী

# থলুৱা শিল্পীলৈ বিপৰ্যয় মাতিছে বহিঃৰাজ্যৰ প্লাষ্টিকৰ চাকিয়ে

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ২৬ অক্টোবৰ ঃ** সমাগত দীপান্বীতালৈ হাতত মাথো কেইটমান দিন বাকী। অসমৰ অন্যান্য প্ৰান্তৰ লগতে জামুগুৰিহাটৰ মৃৎ শিল্পী সকলো এতিয়া পোহৰৰ উৎসৱ দীপাৱলী উপলক্ষে মাটিৰ চাকি তৈয়াৰ কৰাৰ কামত ব্যস্ত হৈছে। দীপাৱলী উপলক্ষ্যে জামুগুৰিহাটৰ দুগৰাকী মহিলা মৃৎ শিল্পীয়ে এইবাৰ একলাখ মাটিৰ চাকি তৈয়াৰ কৰা কাম ইতিমধ্যে সম্পূৰ্ণ কৰিছে। জামুগুৰিহাটৰ গোপালপুৰৰ ৰূপা পাল শইকীয়া নামৰ



মহিলাগৰাকীৰ লগতে তেওঁৰ মাতৃয়ে যুটীয়াভাৱে এইবাৰ দীপাৱলী উপলক্ষ্যে একলাখ গচা মাটিৰ চাকি তৈয়াৰ কৰি বিভিন্ন স্থানলৈ বিক্ৰীৰ বাবে প্ৰেৰণ কৰিছে। বিশ্বনাথঘাটৰ পৰা মাটি মগাই আনি সেই মাটিৰে তৈয়াৰ কৰা চাকিসমূহ ইতিমধ্যে জামুগুৰিহাটৰ লগতে কুসুমটোলা, চতিয়া ধলাইবিলৰ ছয় পৃষ্ঠাত চাওক

pnb Oriental United

PARIVARTAN Together we can

পঞ্জাব নেশনল বেংক ...भरोसे का प्रतीक ! punjab national bank ...the name you can BANK upon !

**দখল জাননী (স্থাৱৰ সম্পত্তিৰ বাবে)**

চক্ৰ শস্ত্ৰ কামৰূপ, আৰটিটিচিচি ভৱন, ধাৰাপুৰ, গুৱাহাটী-৭৮১০১৪, টেলিফোন নম্বৰ ঃ ০৩৬১-২৮৪৫০৩৮, ইমেইল আইডি : cs8257@pnb.co.in

যিহেতুকে নিম্নস্বাক্ষৰকাৰী **পঞ্জাৱ নেচনেল বেংকৰ** কৰ্তৃত্বশীল বিষয়াই দ্যা ছিকিউৰিটাইজেচন এণ্ড ৰিকনষ্ট্ৰাকচন অফ ফাইনেন্সিয়েল এছেটছ এণ্ড এনফ'ৰ্চমেণ্ট অৱ ছিকিউৰিটী ইণ্টাৰেষ্ট এক্ট, ২০০২ৰ অধীনত আৰু ছিকিউৰিটী ইণ্টাৰেষ্ট (এনফ'ৰ্চমেণ্ট) ৰুলছ ২০০২ৰ ৩ নং বিধিৰ ১৩ নং ধাৰাত প্ৰদান কৰা ক্ষমতা প্ৰয়োগ কৰি উল্লেখিত প্ৰতিটো একাউণ্টৰ বিপৰীতে ঋণী(সকলক) / জামিনদাৰ(সকলক)/বন্ধকদাতা(সকলক) জাননী(বোৰ)জাৰি কৰাৰ তাৰিখৰ পৰা /উল্লেখিত জাননী প্ৰাপ্ত কৰাৰ তাৰিখৰ পৰা ৬০ দিনৰ ভিতৰত প্ৰত্যেকটো একাউণ্টৰ বিপৰীতে উল্লেখিত পৰিমাণৰ ধন আদায় দিবলৈ জাননী জাৰি কৰা হৈছিল। **ঋণী(সকল)/জামিনদাৰ(সকল)/ বন্ধকদাতা(সকলে) পৰিমাণ পৰিশোধ কৰাত ব্যৰ্থ হোৱাত, ইয়াৰ দ্বাৰা ঋণী(সকল)/জামিনদাৰ(সকল)/ বন্ধকদাতা(সকল)ক আৰু সাধাৰণ ৰাইজক জাননী দিয়া হৈছে যে** ছিকিউৰিটী ইণ্টাৰেষ্ট (এনফ'ৰ্চমেণ্ট) ৰুলছ ২০০২ৰ ৮ নং বিধিৰ ১৩ নং ধাৰাৰ (৪)নং উপ-ধাৰাত প্ৰদান কৰা ক্ষমতা প্ৰয়োগ কৰি **নিম্নস্বাক্ষৰকাৰীয়ে তলত উল্লেখ কৰা নামৰ বিপৰীতে থকা তাৰিখত তলত বৰ্ণনা কৰা সম্পত্তিৰ দখলিস্বত্ব লৈছে।** ঋণীসকল/জামিনদাৰসকল/ বন্ধকদাতাসকলক আৰু সাধাৰণ ৰাইজক ইয়াৰ দ্বাৰা সম্পত্তি/সম্পত্তিসমূহৰ সৈতে লেনদেন নকৰিবলৈ সতৰ্ক কৰি দিয়া হৈছে আৰু সম্পত্তি/সম্পত্তিসমূহৰ সৈতে কোনোধৰণৰ লেনদেনত লিপ্ত হ'লে পঞ্জাৱ নেচনেল বেংকৰ, সংশ্লিষ্ট শাখা কাৰ্যালয়ে প্ৰতিটো একাউণ্টৰ বিপৰীতে উল্লেখিত পৰিমাণৰ ধনৰ লগতে চাৰফেচি কাৰ্যৰ সময়ত হোৱা সকলো ব্যয়সহ অন্যান্য সুদ আদায় কৰিব। **সুৰক্ষিত সম্পত্তিবোৰ উদ্ধাৰ কৰাৰ বাবে উপলব্ধ সময়ৰ সন্দৰ্ভত আইনৰ ধাৰা ১৩ৰ উপ-ধাৰা (৮)ৰ ব্যৱস্থাবোৰৰ প্ৰতি ঋণ লওঁতা(সকল)/জামিনদাৰ (সকল)/বন্ধকদাতা(সকল)ৰ মনোযোগ আকৰ্ষণ কৰা হ'ল।**

| ক্ৰ. নং. | শাখাৰ নাম / একাউণ্টৰ নাম | ঋণী(সকল)ৰ/জামিনদাৰ(সকল)/বন্ধকদাতাৰ নাম আৰু ঠিকনা | স্থাৱৰ সম্পত্তি(সমূহ)ৰ বৰ্ণনা | দাবীৰ জাননীৰ তাৰিখ / দখল জাননী | দাবী জাননী অনুসৰি বকেয়া পৰিমাণ |
|---|---|---|---|---|---|
| ১ | ঠাকুৰবজাৰ (ইইউবিআই) / মিঃ বাহাজ আলী | **মিঃ বাহাজ আলী (ঋণী),** পিতা - আমিৰ আলী , গাঁও - দিঘীৰপাম, ডাক - মন্দিয়া, জিলা - বৰপেটা, অসম, পিন - ৭৮১৩০৮ | ৰাজহ গাঁও - মন্দিয়াগাঁও, মন্দিয়া মৌজাৰ অন্তৰ্গত, ডাক - মন্দিয়া, থানা - মন্দিয়া, জিলা - বৰপেটা, অসমত অৱস্থিত মিঃ বাহাজ আলী, পিতা - মঃ আমিৰ আলীৰ নামত থকা দাগ নং ৪৮৩, পট্টা নং - ২৭৫ৰ চুক্তি নং ৮৯৭/২০১৫ মতে ০ বিঘা ০২ কঠা ০ লেচা জোখৰ সেই সকলো অংশ আৰু ভূমিৰ টুকুৰা, যি **উত্তৰে** - আব্বু বক্কৰ চিদ্দিকৰ ভূমি, **দক্ষিণে** - ছফিকুল ইছলামৰ ভূমি, **পূবে** - আনছাৰ আলীৰ ভূমি, **পশ্চিমে ঃ** ছফিকুল ইছলামৰ ভূমিৰে আগুৰা আৰু পৰিব্যাপ্ত। | ১৬-০৭-২০২১ / ২২-১০-২০২১ | **২০,১৩,৪৩৩.৪৭ টকা** ১৫-০৭-২০২১ তাৰিখলৈকে সুত আৰু অন্যান্য মাচুলৰ সৈতে থকা বকেয়া |
| ২ | কৈঠালকুছি (ইইউবিআই) / শ্ৰী বিকাশ শৰ্মা | **শ্ৰী বিকাশ শৰ্মা (ঋণী),** পিতা - স্বৰ্গীয় জিতেন্দ্ৰ নাথ শৰ্মা, গাঁও - পানীগাঁও, ডাক - মুলাৰকুছি, থানা - বেলশৰ, জিলা - নলবাৰী, অসম, পিন - ৭৮১৩০৩ **শ্ৰী অবিনাশ ভাগৱতী(জামিনদাৰ),** পিতা - স্বৰ্গীয় লক্ষ্যেশ্বৰ ভাগৱতী, গাঁও - কৈঠালকুছি, ডাক - কৈঠালকুছি, থানা - বেলশৰ, জিলা - নলবাৰী, অসম, পিন - ৭৮১৩৭০ | ৰাজহ গাঁও - পানীগাঁও, পকোৱা মৌজাৰ অন্তৰ্গত, ডাক - মুলাৰকুছি, থানা - বেলশৰ, জিলা - নলবাৰী, অসমত অৱস্থিত শ্ৰী বিকাশ শৰ্মা, পিতা - স্বৰ্গীয় জিতেন্দ্ৰ নাথ শৰ্মাৰ নামত থকা দাগ নং ২৬ (পুৰণি)/২২৭৬(নতুন), পট্টা নং - ০৯ৰ ০ বিঘা ০১ কঠা ১৫ লেচা জোখৰ সেই সকলো অংশ আৰু ভূমিৰ টুকুৰা, যি **উত্তৰে** - ৰবিন্দ্ৰৰ ভূমি, **দক্ষিণে** - ৰাস্তা, **পূবে** - আদাৰ আলীৰ ভূমি, **পশ্চিমে ঃ** ৰবিন শৰ্মাৰ ভূমিৰে আগুৰা আৰু পৰিব্যাপ্ত। | ০১-০৬-২০২১ / ২২-১০-২০২১ | **৬,৩৬,০৪০.৭০ টকা** ৩১-০৫-২০২১ তাৰিখলৈকে সুত আৰু অন্যান্য মাচুলৰ সৈতে থকা বকেয়া |
| ৩ | মেডাঘাট (৩২১৪০০) / শ্ৰী ধৰণী ৰাজবংশী | **শ্ৰী ধৰণী ৰাজবংশী (ঋণী),** মাৰফৎ - স্বৰ্গীয় শ্ৰীকান্ত ৰাজবংশী, গাঁও - কদমতলা, ডাক - বৰমা, জিলা - বাক্সা, ৰাজ্য - অসম, পিন - ৭৮১৩৪৬ **শ্ৰী ৰবীন চন্দ্ৰ ঠাকুৰীয়া(জামিনদাৰ),** পিতা - আনন্দী ৰাম ঠাকুৰীয়া, গাঁও - কদমতলা, ডাক - বৰমা, জিলা - বাক্সা, ৰাজ্য - অসম, পিন - ৭৮১৩৪৬ | ৰাজহ গাঁও - কদমতলা, পশ্চিম বাক্সা মৌজাৰ অন্তৰ্গত, ডাক - বৰমা, থানা - বাক্সা, জিলা - বাক্সাত অৱস্থিত শ্ৰী ধৰণী ৰাজবংশী, পিতা - স্বৰ্গীয় শ্ৰীকান্ত ৰাজবংশীৰ নামত থকা দাগ নং ৫৪ আৰু পট্টা নং - কেপি ১৫৮ৰ ১ বিঘা ০ কঠা ০ লেচা জোখৰ সেই সকলো অংশ আৰু ভূমিৰ টুকুৰা, যি **উত্তৰে** - ৰামেশ্বৰৰ ভূমি, **দক্ষিণে** - ধীৰেনৰ ভূমি, **পূবে** - নাগাৰ ভূমি, **পশ্চিমে ঃ** লোহিতৰ ভূমিৰে আগুৰা আৰু পৰিব্যাপ্ত। | ২৮-০৭-২০২১ / ২২-১০-২০২১ | **৩,৭৩,৪৭৭.০০ টকা** ২৮-০৭-২০২১ তাৰিখলৈকে সুত আৰু অন্যান্য মাচুলৰ সৈতে থকা বকেয়া |
| ৪ | কৈঠালকুছি (ইইউবিআই) / শ্ৰী মদন বৰ্মন আৰু শ্ৰীমতী কুঞ্জ বৰ্মন | **শ্ৰী মদন বৰ্মন (ঋণী),** পিতা - স্বৰ্গীয় প্ৰবীন বৰ্মন, গাঁও - গামৰিমুৰি, ডাক - বেলশৰ, জিলা - নলবাৰী, অসম-৭৮১৩০৬ **শ্ৰীমতী কুঞ্জ বৰ্মন (সহঃ ঋণী),** স্বামী - শ্ৰী মদন বৰ্মন, গাঁও - গামৰিমুৰী ডাক - বেলশৰ, জিলা-নলবাৰী, অসম - ৭৮১৩০৬ | ধৰ্মপুৰ মৌজাৰ অন্তৰ্গত ৰাজহ গাঁও - গামৰিমুৰী, ডাক - গামৰিমুৰী, থানা - বেলশৰ, জিলা - নলবাৰী, অসমত অৱস্থিত শ্ৰী মদন বৰ্মন, পিতা - স্বৰ্গীয় প্ৰবীন বৰ্মনৰ নামত থকা দাগ নং ১৭৮৯ আৰু পট্টা নং - ৫১৪ৰ ০ বিঘা ০১ কঠা ১৯ লেচা জোখৰ সেই সকলো অংশ আৰু ভূমিৰ টুকুৰা, যি **উত্তৰে** - গৌতম ডেকাৰ ভূমি, **দক্ষিণে** - তিখো বৰ্মনৰ ভূমি, **পূবে** - ৰস্তা আৰু **পশ্চিমে ঃ** চন্দ্ৰ তালুকদাৰৰ ভূমিৰে আগুৰা আৰু পৰিব্যাপ্ত। | ১৭-০৭-২০২১ / ২২-১০-২০২১ | **৫,৬৬,৯১৯.০০ টকা** ১৬-০৭-২০২১ তাৰিখলৈকে সুত আৰু অন্যান্য মাচুলৰ সৈতে থকা বকেয়া |
| ৫ | বাইহাটা চাৰিআলি (ইইউবিআই) / মঃ জাকিৰ হুছেইন আৰু শ্ৰীমতী ৰুছিয়া বেগম | **মঃ জাকিৰ হুছেইন (ঋণী),** পিতা - আব্দুল হুছেইন, গাঁও - শালমাৰি, ডাক - চালেডাল, জিলা - কামৰূপ(গ্ৰাম্য), অসম-৭৮১১২১ **শ্ৰীমতী ৰুছিয়া বেগম (সহঃ ঋণী),** স্বামী - জাকিৰ হুছেইন, গাঁও - শালমাৰি, ডাক - চালেডাল, জিলা - কামৰূপ(গ্ৰাম্য), অসম-৭৮১১২১ **মঃ আয়ুব আলী (জামিনদাৰ),** গাঁও - খেপকুছি, ডাক - মহাজনপাৰা, জিলা - কামৰূপ (গ্ৰাম্য), অসম - ৭৮১৩৬৬ | পাটিদৰং মৌজাৰ অন্তৰ্গত ৰাজহ গাঁও - শালমাৰি, ডাক - চালেডাল, থানা - বাইহাটা চাৰিআলি, জিলা - কামৰূপ (গ্ৰাম্য)ত অৱস্থিত ৰুছিয়া বেগম, স্বামী- মঃ জাকিৰ হুছেইনৰ নামত থকা দাগ নং ২৩৫/৪২০ আৰু পট্টা নং - ৯০ৰ ০ বিঘা ০২ কঠা ১৭ লেচা জোখৰ সেই সকলো অংশ আৰু ভূমিৰ সম্পত্তিৰ টুকুৰা, যি **উত্তৰে** - উৰিশ আলীৰ ভূমি, **দক্ষিণে** - ফিজনুৰ আলীৰ ভূমি, **পূবে** - খাইৰুল হুছেইনৰ ভূমি আৰু **পশ্চিমে ঃ** পিডব্লিউডি ৰ ৰাস্তাৰে আগুৰা আৰু পৰিব্যাপ্ত। | ১৬-০৭-২০২১ / ২৫-১০-২০২১ | **১১,৩৯,৩৮৯.০০ টকা** ১৫-০৭-২০২১ তাৰিখলৈকে সুত আৰু অন্যান্য মাচুলৰ সৈতে থকা বকেয়া |

তাৰিখ ঃ ২২-১০-২০২১ আৰু ২৫-১০-২০২১
স্থান ঃ ঠাকুৰবজাৰ, কৈঠালুকছি, মেডাঘাট আৰু বাইহাটা চাৰিআলি (অসম)

মুখ্য প্ৰবন্ধক তথা কৰ্তৃত্বপ্ৰাপ্ত বিষয়া
চক্ৰ শস্ত্ৰ কামৰূপ, পঞ্জাৱ নেচনেল বেংক



প্ৰতি অভিভাৱকেই নিজৰ সন্তানৰ বাল্য কালৰ কিছুমান লক্ষণ দেখি অস্বাভাবিক প্ৰতিভাৰ আভাস পোৱাটো স্বাভাবিক। এই লক্ষণ বিলাকৰ পৰা অভিভাৱক সকলে সন্তানৰ উজ্জ্বল ভবিষ্যত আশা কৰে। বহুতে নিজে দেখা সপোন যি বিলাক তেওঁলোকে নিজৰ জীৱনত পুৰণ কৰিব নোৱাৰিলে এতিয়া তেওঁলোকৰ সন্তানৰ যোগে পূৰণ হোৱাৰ সপোন দেখে। কিন্তু এই আশা সন্তানৰ সামৰ্থ্যৰ বাহিৰত হলে নতুবা সন্তানৰ প্ৰকৃত প্ৰতিভা থকা বিষয়তকৈ অন্য বিষয়ত হ'লে সন্তানৰ প্ৰতি ক্ষতিকাৰক হয়। সৰুতে শ্ৰেণীত প্ৰথম দ্বিতীয় হোৱা, বহু সন্তানৰ পিতৃ-মাতৃয়ে মেট্ৰিকত স্থান পোৱাটো আশা কৰে।

# শৈশৱৰ অভ্যাস আৰু সপোনেই গঢ় দিয়ে জীৱনৰ ভেটি

**ড° সঞ্জন হাজৰিকা**

**শিক্ষকতাৰ** চাকৰি সুত্ৰে পাঠ্যক্ৰমৰ পৰীক্ষাৰ উপৰি অন্যান্য বহুতো পৰীক্ষাত নিৰীক্ষকৰ দায়িত্ব পালন কৰি কেইটামান অভিজ্ঞতা আহৰণ কৰিবলৈ সক্ষম হৈছো। ইয়াৰে কিছুমান মহাবিদ্যালয় বা বিশ্ববিদ্যালয়ৰ নিয়মীয়া পৰীক্ষা আৰু আনবোৰ পদোন্নতি বা নিযুক্তিৰ বাছনি পৰীক্ষা। সকলোবোৰ পৰীক্ষাতে পৰীক্ষাৰ্থী সকলৰ কিছুমান অভ্যাস মন কৰিবলগীয়া। উদাহৰণ স্বৰূপে কিছুমান ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষা বহীত সীমা ৰেখা নটনাকৈ নিলিখা, বাহিৰলৈ যাওঁতে আৰু ঘুৰি আহোঁতে শিক্ষকৰ অনুমতি লোৱা ইত্যাদি। এইসকল ছাত্ৰ-ছাত্ৰীৰ প্ৰায় বিলাকেই ইংৰাজী মাধ্যমৰ বা উন্নত মানৰ ব্যক্তিগত খণ্ডৰ অসমীয়া মাধ্যমৰ বিদ্যালয়ৰ পৰা অহা। এই নিয়মসমুহ প্ৰাথমিক পৰ্যায়ৰ শ্ৰেণীতে আৰম্ভ কৰা আৰু সৰহ সংখ্যকৰে এই অভ্যাস সমূহ চিৰ জীৱনলৈ অভ্যাসত পৰিণত হৈ যায়। এনে আৰু বহুতো অভ্যাস আৰু অভিজ্ঞতা যেনে কোনোবাই দিয়া উৎসাহ বা আন কোনোবাই কৰা অনুৰোধ যি বিলাকে ছাত্ৰ-ছাত্ৰীৰ জীৱনত প্ৰভাব পেলায়। সাধাৰণতে প্ৰথমিকৰ পৰা মাধ্যমিক পৰ্যায়ৰ শিক্ষা, শিক্ষকৰ গুণগত মান, সমাজৰ আৰু পৰিবেশ আৰু প্ৰয়োজনীয় সুবিধা, এই সকলোবোৰে ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত গঢ়াত বিশেষ অৰিহণা যোগায়। অৱশ্যে সুবিধা মানে ঘৰত উপলব্ধ বিলাসিতা, কম্পিউটাৰ, ইন্টাৰনেট আদিৰ সুবিধাকে নুবুজায়। পঢ়িবৰ বাবে আজৰি সময়, পিতৃ-মাতৃৰ অনুপ্ৰেৰণা আৰু পঢ়াৰ আদম্য হেঁপাহ থাকিলে এনেবোৰ সুবিধা অবিহনেও পঢ়াত সুফল দেখুৱাব পৰা যায়। দৰিদ্ৰ পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাত ভাল ৰিজাল্ট কৰা, আই. এ. এছ, আই.পি.এছ আদি সৰ্বভাৰতীয় প্ৰতিযোগিতামুলক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা এনে বহু উদাহৰণ বাতৰি কাকত বা অন্য সংবাদ তথা সামাজিক মাধ্যমত ইতিমধ্যে প্ৰকাশ পাইছে।

প্ৰতি অভিভাৱকেই নিজৰ সন্তানৰ বাল্য কালৰ কিছুমান লক্ষণ দেখি অস্বাভাবিক প্ৰতিভাৰ আভাস পোৱাটো স্বাভাবিক। এই লক্ষণ বিলাকৰ পৰা অভিভাৱক সকলে সন্তানৰ উজ্জ্বল ভবিষ্যত আশা কৰে। বহুতে নিজে দেখা সপোন যি বিলাক তেওঁলোকে নিজৰ জীৱনত পুৰণ কৰিব নোৱাৰিলে এতিয়া তেওঁলোকৰ সন্তানৰ যোগে পূৰণ হোৱাৰ সপোন দেখে। কিন্তু এই আশা সন্তানৰ সামৰ্থ্যৰ বাহিৰত হলে নতুবা সন্তানৰ প্ৰকৃত প্ৰতিভা থকা বিষয়তকৈ অন্য বিষয়ত হ'লে সন্তানৰ প্ৰতি ক্ষতিকাৰক হয়। সৰুতে শ্ৰেণীত প্ৰথম দ্বিতীয় হোৱা, বহু সন্তানৰ পিতৃ-মাতৃয়ে মেট্ৰিকত স্থান পোৱাটো আশা কৰে। আশা কৰাটো স্বভাবিক কিন্তু বহুতে জাহিৰ কৰে, বংশ পৰিয়াল ওচৰ চুবুৰীয়া সকলোৱে আগত আগতীয়াকৈ গৌৰৱ কৰে। পিতৃ-মাতৃৰ এনে আশা পূৰণৰ আশা নেদেখিলে বহু সময়ত সন্তানে পৰীক্ষাৰ আগেয়ে বা পিছত ঘৰ এৰি পলায়ন কৰা বা পৰীক্ষাৰ পিছত আত্মহননৰ দৰে পথ বাছি লোৱাও দেখা যায়। বহুতো অভিভাৱকে ভাবে আৰু এচাম অভিভাৱকৰ ধাৰণা যে ল'ৰা-ছোৱালীক সৰুতে সকলো ধৰণৰ শিক্ষা দিব লাগে। সেই বাবে কণ কণ ল'ৰা-ছোৱালীবোৰক কুংফু, কেৰাটেকে আদি কৰি চিত্ৰকলা, নৃত্য, গীত আদি সকলো বিষয়ৰ পাঠ দিয়াৰ ব্যৱস্থা কৰে। যাৰ ফলত কণ-কণ ল'ৰা-ছোৱালীৰ খাবলৈ-শুবলৈ সময় নাইকিয়া হয়। এই বিলাক সন্তানৰ বাবে অতিৰিক্ত বোজাহে হৈ পৰে, এনে অতিৰিক্ত বোজাৰ বাবে ল'ৰা-ছোৱালীয়ে কেতিয়াবা নিজৰ প্ৰতিভা থকা বিষয়তো গুৰুত্ব দিব নোৱাৰা হয়। প্ৰতিটো সন্তান নিজা এক প্ৰতিভা লৈ জন্ম হয়। এই প্ৰতিভাৰ ক্ষেত্ৰ, প্ৰতিটো শিশুৰ বাবে সুকীয়া। কাৰোবাৰ শিক্ষা-দীক্ষা অন্য কাৰোবাৰ অন্যান্য। ল'ৰা-ছোৱালীৰ যি বিষয়ত ৰুচি থাকে তেনে বিষয়ৰ প্ৰশিক্ষণেহে প্ৰতিভা বিকাশত সহায় কৰে। ৰুচি নথকা বিষয়ত দিয়া প্ৰশিক্ষণে প্ৰতিভা বিকাশত সহায় কৰাৰ পৰিবৰ্তে অনিষ্টহে কৰে।

যিদৰে ল'ৰা-ছোৱালীৰ শাৰীৰিক বিকাশ সকলোৰে একে নহয় একেদৰে জ্ঞান আহৰণ কৰা প্ৰক্ৰিয়াটোও সকলোৰে একে নহয়। কিছুমান শিশুৱে প্ৰাৰম্ভিক শ্ৰেণীসমূহত ভাল ফল দেখুৱায়, আন কিছুমান ভাল ফল দেখুওৱাত ব্যৰ্থ হয়। কিন্তু প্ৰায় সপ্তম বা অষ্টম শ্ৰেণী অতিক্ৰম কৰাৰ পিছত প্ৰত্যেকেই নিজৰ প্ৰতিভা অনুযায়ী ফলাফল দেখুৱাবলৈ সক্ষম হয়। গতিকে শিশুৰ প্ৰাৰম্ভিক অৱস্থাৰ ফলাফলৰ ভিত্তিত সকলো শিশুৰ বাবে মেধাশক্তি নিৰ্ণয় কৰাটো সম্ভৱ নহয়। "যি মূলা বাঢ়ে দুপাততে চিন" কথাষাৰ সকলো শিশুৰ ক্ষেত্ৰতে সদায় সত্য নহয়। বিশ্ব বৰেণ্য বিজ্ঞানী আইনষ্টাইন, কবি গুৰু ৰবীন্দ্ৰনাথ আদি বহুতো মহান মনীষীৰ বাল্য কালত কোনোধৰণৰ প্ৰতিভাৰ সন্ধান পোৱা নাছিল। গতিকে কণ কণ ল'ৰা-ছোৱালীৰ ক্ষেত্ৰত শ্ৰেণীত প্ৰথম দ্বিতীয় হোৱাত গুৰুত্ব দিয়াতকৈ সিহঁতে সকলো কথা ভালকৈ বুজি পোৱাৰ ওপৰতহে গুৰুত্ব দিয়া উচিত। আমাৰ স্কুলৰ দিনত সঘনাই মনত পেলোৱা ইংৰাজী বাক্য শাৰী "All work and no play makes Jack a dull boy" আমি পাহৰি পেলাওঁ। শিশুৰ শিকাৰ আটাইতকৈ ভাল কৌশল হৈছে অভিজ্ঞতা। বন্ধু-বান্ধবীৰ স'তে খেলা-ধূলা, নিজে কৰা বহুতো কামৰ অভিজ্ঞতা হৈছে শিশুৰ জ্ঞান আহৰণ কৰা কিছুমান কৌশল। কিন্তু আজিকালি আমি শিশুক এই বিলাক কৰিবলৈ দিওঁ ক'ত? শিশুৱে কি খেলিব, কাৰ লগত খেলিব, কেতিয়া আৰু কিমান খেলিব আমি নিৰ্ধাৰণ কৰি দিওঁ। কিন্তু খাদ্যাভাসৰ ক্ষেত্ৰত বৰ্তমান আমি বহুতে স্বধীনতা দিওঁ। এনে শিশুৱে কেতিয়াবা নিজে চিন্তা কৰাৰ প্ৰয়োজন নাই বুলিয়ে ভাবিবলৈ আৰম্ভ কৰে, আৰু কেতিয়াবা নিজৰ জেদত আঁকোৰগোজ হৈ পৰে। এই দুই ক্ষেত্ৰতে কেৱল সন্তানেই যে ক্ষতিগ্ৰস্ত হয় এনে নহয়, অভিভাৱকৰ সামাজিক জীৱনো প্ৰভাবিত হয়।

শিশুৰ বাল্যকালৰ সময়ছোৱা অতি গুৰুত্বপূৰ্ণ, এই সময়ছোৱাত শিশুক দেখুওৱা সপোন বা শিশুৰ মনত সাঁচ বহুৱাব পৰা কিছুমান কথাই গোটেই জীৱনতে প্ৰভাব বিস্তাৰ কৰে। নানান ঘাত- প্ৰতিঘাত সত্বেও তেওঁলোকে এইবিলাক পাহৰি নাযায়। সেয়ে অভিভাৱক সকলে এই সময়ছোৱাত খেলা-ধূলা, ভাল অভ্যাসৰ উপৰি ল'ৰা-ছোৱালীক এনে এটা সামাজিক পৰিবেশ দিয়াৰ চেষ্টা কৰিব লাগে যিটো পৰিবেশে তেওঁলোকক জ্ঞান আহৰণ কৰা, জীৱনৰ লক্ষ্য নিৰ্ণয় কৰাত সহায় কৰে। ল'ৰা-ছোৱালীক ভাল মানুহ, ডাঙৰ মানুহ হোৱাৰ সপোন মনত সুমুৱাই দিব পাৰে। এটা সময় আছিল যেতিয়া স্কুলৰ শিক্ষকেই এই সকলো দায়িত্ব পালন কৰিছিল। মহান মনীষীসকলৰ জীৱনৰ উদাহৰণেৰে ল'ৰা-ছোৱালীক ডাঙৰ মানুহ হোৱাৰ প্ৰতি আগ্ৰহী কৰি তুলিছিল। এতিয়া সময় সলনি হ'ল, বৰ্ত্তমান একাংশ শিক্ষকৰ বাবে শিক্ষকতা এটা দায়িত্ব নহয়, ই কেৱল এটা বৃত্তি হ'ল, জীৱন জীৱিকাৰ আহিলা। একাংশ শিক্ষকে চৰকাৰৰ কিছুমান নীতিৰ বাবেও শিক্ষাদানত মনোনিবেশ কৰিব নোৱাৰা হ'ল। বিদ্যালয়সমূহত হেজাৰ হেজাৰ পদ খালী হৈ থাকিলেও নিযুক্তি নিদি নিৰ্বাচনৰ সময়ত কোটিটকীয়া পেণ্ডেল সাজি নিযুক্তি পত্ৰ বিতৰণ কৰা, লোকপিয়লকে আৰম্ভ কৰি নিৰ্বাচনী দায়িত্বলৈকে সকলোতে শিক্ষক সকলক শ্ৰেণী বৰ্জন কৰি কাম কৰিবলৈ বাধ্য কৰা, পদোন্নতি, ছুটী আদিৰ বাবে বিভাগীয় কাৰ্যালয়ত পৰ দিবলৈ বাধ্য কৰা— এই বিলাকে শিক্ষক সকলক নিজৰ দায়িত্বত মনোনিবেশ কৰাত বাধা দিয়ে। আনহাতে অভিভাৱক সকলো সলনি হ'ল, বৰ্তমানৰ অভিভাৱকসকলৰ বহুতেই সন্তানৰ দোষ-গুণ শিক্ষকে আঙুলিয়াই দিলে বেয়া পায়। নিজৰ শিক্ষাগত অৰ্হতা বা অভিজ্ঞতা যিয়েই নহওক, তেওঁলোকৰ পৰামৰ্শ আনুসৰি শিক্ষকে তেওঁলোকৰ সন্তানক শিক্ষা দিয়াটো বিচাৰে।

শিশুৰ জীৱনত প্ৰভাব পেলোৱা প্ৰাথমিক আৰু মাধ্যমিক পৰ্যায়ৰ শিক্ষা ব্যৱস্থাৰ মান ক্ৰমাৎ অৱনমিত হ'বলৈ ধৰিছে। শিক্ষক, অভিভাৱক, সমাজ আমি সকলো কিবা নহয় কিবা প্ৰকাৰে উঠি অহা প্ৰজন্মক গঢ় দিয়াত কিছু পৰিমাণে ব্যৰ্থ হৈছো। শিক্ষক আৰু সমাজক স্বাৰ্থপৰ বুলিলেও অভিভাৱকসকলৰ স্বাৰ্থ নিজৰ সন্তানৰ লগতে জড়িত। তথাপি শিশুৰ চৰিত্ৰৰ বিষয়টোত যি ধৰণে গুৰুত্ব দিব লাগিছিল সেইদৰে গুৰুত্ব দিয়া হোৱা নাই। বৰ্তমান ক্ৰমাৎ বৃদ্ধি পোৱা শিশুৰ অপৰাধ প্ৰৱণতা অতি উদ্বেগজনক। চৰকাৰৰ শিক্ষা বিভাগক এই ক্ষেত্ৰত বিশেষ গুৰুত্ব প্ৰদান কৰা পৰিলক্ষিত হোৱা নাই।

ক'ভিড বিধিৰ নামত শিক্ষানুষ্ঠানসমূহ বন্ধ ৰখাৰ পিছত পুনৰ খুলিবৰ হ'ল। কোনে কি পঢ়িলে, কিমানে বিভিন্ন অজুহাতত শিক্ষা গ্ৰহণৰ পৰা বিৰত থাকিল তাৰ হিচাপ ৰাখোতা নাই। শিক্ষা বিভাগে নতুন শিক্ষা নীতি প্ৰবৰ্তন কৰিছে, শিক্ষাৰ মান জুখিবৰ বাবে বহিঃ ৰাজ্যৰ পদ্ধতি আমদানি কৰিছে কিন্তু বিদ্যালয়ৰ প্ৰয়োজনীয় সুবিধা খিনি, এটা শিক্ষাৰ পৰিবেশ গঢ় দিয়াত গুৰুত্ব প্ৰদান কৰা নাই। আমি প্ৰাথমিক আৰু মাধ্যমিক পৰ্যায়ৰ শিক্ষাৰ প্ৰতি এতিয়াই যদি সজাগ নহও তেন্তে শিক্ষা ব্যৱস্থাৰ লগতে সমাজ ব্যৱস্থাও অদূৰ ভবিষ্যতে আৰু অধিক অৱনমিত হ'ব। এই পৰ্য্যায়ৰ শিক্ষাৰ সমস্যা সমূহ আৰু ইয়াৰ সমাধানৰ উপায় সম্পৰ্কীয় বিভিন্ন আলোচনা-বিলোচনা হওক। শিক্ষক, অভিভাৱক, শিক্ষাবিদ সকলোৱে এনে আলোচনাত গঠনমূলক পৰামৰ্শ আগবঢ়াওক। চৰকাৰৰ শিক্ষা বিভাগক এই আলোচনাৰ পৰামৰ্শসমূহ বলবৎ কৰিবলৈ হেঁচা প্ৰয়োগ কৰক যাতে ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ ভেটি গঢ় দিব পৰা এটা শিক্ষা ব্যৱস্থা আৰু পৰিবেশ পুনৰ গঢ়ি তুলিব পাৰো।

*লেখক ঃ অৱসৰপ্ৰাপ্ত অধ্যাপক, যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়, দূৰভাষ - জ্ঝ্ঝচচ্ছ্ৰছপুৰচচ্ছ্ৰজ্ঝ*



# উচ্চ শিক্ষাত ক'ভিড-১৯ৰ প্ৰভাৱ আৰু ইতিবাচক দিশৰ মূল্যাংকন

**প্ৰিয়ংকা চমুৱা**

**সমগ্ৰ** বিশ্বত ক'ভিড-১৯ মহামাৰী বিশ্বজুৰি বিয়পি পৰাৰ ফলত অসমতো সমাজৰ বিভিন্ন দিশত অভূতপূৰ্ব প্ৰভাৱ পৰিলক্ষিত হৈছে। বিশেষকৈ শিক্ষাখণ্ডত অশেষ অসুবিধা আৰু অপ্ৰত্যাশিত প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। অসমৰ প্ৰায় সকলো শিক্ষাৰ্থী ২০২০ৰ মাৰ্চৰ পৰা বৰ্তমানলৈকে নিজ নিজ শিক্ষানুষ্ঠানৰ পৰা আঁতৰত থাকিবলগীয়া হৈছে। প্ৰকৃতাৰ্থত ক'ভিড-১৯এ শিক্ষণ আৰু প্ৰত্যক্ষ শৈক্ষিক প্ৰক্ৰিয়ালৈ স্থবিৰতা আনিছে। এই জটিল পৰিস্থিতিৰ মোকাবিলা কৰিবলৈ অসমৰ সকলো শিক্ষানুষ্ঠানে শিকন আৰু শিক্ষণ প্ৰক্ৰিয়াক বিভিন্ন গণ মাধ্যম আৰু প্ৰযুক্তিৰ সহায়ত চলাই থকাৰ প্ৰয়াস কৰি থকা দেখা গৈছে যদিও কোনোবাখিনিত যেন শিক্ষা ব্যৱস্থাত যতি পৰিছে। অৱশ্যে আমাৰ অসমৰ দৰে অৰ্থনৈতিকভাৱে পিছপৰা ৰাজ্যত সকলো শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে এই সুবিধা গ্ৰহণ কৰিব নোৱৰাৰ বাতৰি সংবাদ মাধ্যমত প্ৰচাৰ হৈয়েই আছে। অনকি প্ৰযুক্তিগত সমল যোগাৰ কৰি ল'ব নোৱৰাৰ বাবে আত্মহত্যাৰ দৰে ঘটনাও ঘটিছে। গতিকে এই শিক্ষণ ব্যৱস্থা অসমত কিমান ফলপ্ৰসূ হৈছে, এইটো বিশেষ আলোচনাৰ বিষয়। বিশ্ব স্বাস্থ্য সংস্থাই ১১ মাৰ্চৰ দিনা ক'ভিড-১৯ক মহামাৰী হিচাপে ঘোষণা কৰিছিল। ভাৰতবৰ্ষত জানুৱাৰীৰ শেষৰ সপ্তাহত কেৰালাত আৰু মাৰ্চৰ শেষৰফালে অসমত দিল্লীৰ নিজামুদ্দিন ফেৰৎ এজনৰ গাত প্ৰথমবাৰৰ বাবে ক'ভিড-১৯ৰ উপস্থিতি ধৰা পৰিছিল। এটা অৰ্থত ক'ভিড-১৯ মহামাৰীয়ে সমগ্ৰ দেশৰ লগতে অসমৰ শিক্ষা ব্যৱস্থাত সম্পূৰ্ণ বিধি-পথালি দিছে। মূলতঃ অসমৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰত বিশেষভাৱে প্ৰভাৱ পৰা কেইটামান দিশ তলত উনুকিয়াবলৈ প্ৰয়াস চলোৱা হৈছে।

**ক'ভিড-১৯ৰ প্ৰভাৱত শৈক্ষিক কাৰ্যকলাপত অস্থিৰতা ঃ** তলাবন্ধৰ ফলস্বৰূপে বিভিন্ন শিক্ষানুষ্ঠান, শৈক্ষিক বোৰ্ড অথবা বিশ্ববিদ্যালয়সমূহে পৰীক্ষাসমূহ সময়ত অনুষ্ঠিত কৰিব পৰা নাই। অসমত উচ্চতৰ মাধ্যমিক আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হৈছে যদিও উচ্চ শিক্ষাৰ বাবে অনুষ্ঠিত হ'বলগীয়া বাছনি পৰীক্ষাসমূহ অনুষ্ঠিত নোহোৱাৰ বাবে ছাত্ৰ-ছাত্ৰীৰ মাজত শংকা আৰু অস্থিৰতা বৃদ্ধি পাইছে। বিশ্ববিদ্যালয়সমূহেও স্নাতক আৰু স্নাতকোত্তৰ শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাসমূহ কেনেদৰে অনুষ্ঠিত কৰিব, ঠিক কৰিব পৰা নাই। এনে সন্ধিক্ষণত ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতক লৈ অস্থিৰতা সৃষ্টি হোৱাটো একো অস্বাভাৱিক নহয়। প্ৰকৃতাৰ্থত ক'ভিড-১৯ৰ বাবে অসমৰ শৈক্ষিক কাৰ্যকলাপৰ ওপৰত গভীৰ অস্থিৰতাৰ যে সৃষ্টি হৈছে, এই কথা নিশ্চিত।

**শৈক্ষিক মূল্যাংকন প্ৰক্ৰিয়াত ক'ভিড-১৯ৰ প্ৰভাৱ ঃ** অসমৰ মহাবিদ্যালয়সমূহৰ ষাণ্মাসিক পদ্ধতিৰ শিক্ষা ব্যৱস্থাত আভ্যন্তৰীণ পৰীক্ষাৰ জৰিয়তে ২০ শতাংশ নম্বৰৰ মূল্যাংকন কৰা হয়। বাকী ৮০ শতাংশ নম্বৰৰ বাবে বিশ্ববিদ্যালয়সমূহে শেষ ষাণ্মাসিকৰ ৰূপত পৰীক্ষা অনুষ্ঠিত কৰে। অসমৰ বিশ্ববিদ্যালয়ে অনুষ্ঠিত কৰিব লগা প্ৰায় সকলোবোৰ পৰীক্ষা পিছুৱাব লগা হোৱাৰ উপৰি আভ্যন্তৰীণ পৰীক্ষাসমূহ বাতিল কৰিবলগীয়া হৈছে। ফলস্বৰূপে ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক মূল্যাংকনৰ ওপৰত ক'ভিড-১৯ৰ প্ৰত্যক্ষ প্ৰভাৱ পৰিছে। অৱশ্যে এচাইনমেণ্ট ভিত্তিক আভ্যন্তৰীণ মূল্যাংকনৰ চিন্তা-চৰ্চা কৰা হৈছে যদিও শেষ ষাণ্মাসিকৰ পৰীক্ষাসমূহ কেনেদৰে অনুষ্ঠিত কৰিব পাৰি, বিশ্ববিদ্যালয়সমূহে সঠিকভাৱে একো ক'ব পৰা নাই।

**নিয়োগৰ সুযোগ হ্ৰাস ঃ** প্ৰায় সকলো চাকৰি তথা নিয়োগ সম্বন্ধীয় পৰীক্ষা আৰু সাক্ষাৎকাৰ ক'ভিড পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত বাতিল কৰা হৈছে। অসমৰ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহত বহু শিক্ষকৰ বাবে আবেদন বিচৰা হৈছিল বা হৈছে যদিও বৰ্তমানলৈ কোনো ধৰণৰ সাক্ষাৎকাৰ তথা নিযুক্তি সম্পূৰ্ণ হোৱাত অসুবিধা আহি পৰিছে। আনহাতে, বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানত কাৰ্যৰত উচ্চ শিক্ষিতসকলৰ মাজত অনিশ্চয়তাই গা কৰি উঠিছে। তেওঁলোকৰ বহুতৰে চাকৰি ইতিমধ্যে নোহোৱা হৈছে বা আনসকলৰ চিন্তা বাঢ়িছে কেতিয়া তেওঁলোকৰ চাকৰিত অনিশ্চয়তা আহে! নতুনকৈ চাকৰিৰ বাবে যোগ্য হোৱাসকলে নিজৰ সংস্থাপন এটা ঠিক কৰিব নোৱৰাৰ ফলত অসমত নিবনুৱা সমস্যা আৰু অধিক বৃদ্ধি পাব। ফলস্বৰূপে মানুহৰ জীয়াই থকাৰ সংগ্ৰাম বাঢ়িব আৰু ভৱিষ্যতে উচ্চ শিক্ষাৰ প্ৰতি অনীহা বৃদ্ধি হ'লে আচৰিত হ'বলগীয়া একোৱাই নাথাকিব।

**শিক্ষকসকলৰ ওপৰত ক'ভিড-১৯ৰ প্ৰভাৱ ঃ** উপযুক্ত শিক্ষা গ্ৰহণ কৰি সুদীৰ্ঘ দিনৰে পৰা শিক্ষকতা কৰি তলাবন্ধৰ আগদিনালৈকে নিজ নিজ ৰুটিনত জীৱনশৈলী চলোৱা শিক্ষকসকলৰ বাবে ঘৰত সময় কটোৱা কিমান বেদনাদায়ক, শিক্ষকৰ বাহিৰে আনে সহজতে নুবুজিব। ছাত্ৰ-ছাত্ৰীৰ মুখত হাঁহি দেখি তৃপ্তি পোৱা শিক্ষকসকলে কেনেদৰে এই তিনিমাহতকৈ অধিক সময় পাৰ কৰিবলগীয়া হৈছে, তেওঁলোকেহে বুজিছে। কিছু কিছুৱে অনলাইন ৱেবিনাৰ, কৰ্মশালা আদিত অংশগ্ৰহণ কৰাৰ উপৰি গণ মাধ্যমৰ সহায়ত ছাত্ৰ-ছাত্ৰীৰ অভাৱ-অভিযোগ পূৰণ কৰিবলৈ চেষ্টা চলাইছে। জ্যেষ্ঠ শিক্ষকসকলে নতুনকৈ গণ মাধ্যমৰ আহিলাসমূহ আয়ত্ত কৰিবলৈ বাধ্য হৈছে। ডেকাচামৰ গৱেষণাত অধিক মনোনিৱেশ কৰাৰ অৱকাশ সৃষ্টি হৈছে।

**উচ্চ মাধ্যমিক উত্তীৰ্ণসকলৰ ওপৰত প্ৰভাৱ ঃ** জীৱনৰ প্ৰথমটো ডাঙৰ শিক্ষাৰ ঢাপ পাৰ হৈ এই শিক্ষাৰ্থীসকলে সপোনৰ শিক্ষানুষ্ঠানত সময়মতে যাব পৰা নাই। অনলাইন ফৰ্ম ফিলআপ, এডমিছন ইত্যাদিৰে সপোনৰ শিক্ষানুষ্ঠানৰ লগত ৱেবছাইটতে সম্পৰ্ক স্থাপন কৰিলেও কেতিয়াৰ পৰা তেওঁলোক সোঁ-শৰীৰেৰে সপোনৰ শিক্ষানুষ্ঠানখনত উপস্থিত হ'ব, তাত অনিশ্চয়তাৰ সৃষ্টি কৰিছে এই ক'ভিড-১৯ মহামাৰীয়ে। এনে সন্ধিক্ষণত নতুনকৈ উচ্চ মাধ্যমিক উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীৰ কোমল মনত বিৰূপ প্ৰভাৱ পৰাটো একো অস্বাভাৱিক নহয়। অৱশ্যে শেহতীয়াভাৱে ক'ভিড পৰিস্থিতি কিছু উন্নত হোৱাত শিক্ষানুষ্ঠানত শ্ৰেণীসমূহ আৰম্ভ কৰা হৈছে।

**ইতিবাচক দিশ ঃ** এই সকলো নেতিবাচক প্ৰভাৱ বিচাৰ কৰি চালে ক'ভিডে ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি কৰিলেও ক'ভিড-১৯ৰ কিছু ইতিবাচক দিশো অৱশ্যে অসমৰ শিক্ষা ব্যৱস্থাত দেখা পোৱা গৈছে। ছাত্ৰ-শিক্ষক উভয়ে গণ মাধ্যমবোৰক যে শিক্ষণ আৰু শিকন প্ৰক্ৰিয়াত বহল ৰূপত ব্যৱহাৰ কৰিব পাৰি, সেয়া উপলব্ধি কৰিছে। এই মহামাৰীৰ সময়ত বিভিন্ন ই-লাৰ্নিং আৰু ডিজিটেল পুথিভঁৰাল ব্যৱস্থাৰ উত্তৰণে অসমৰ শিক্ষা জগতক এটি নতুন মাত্ৰা প্ৰদান কৰিছে। আনকি অসমৰ দৰে ৰাজ্যত ভৱিষ্যতে সম্পূৰ্ণ ই-শিক্ষা প্ৰদান কৰা অনলাইন একাডেমীৰ দৰে শিক্ষানুষ্ঠানৰ সৃষ্টি হোৱাৰ সম্ভাৱনাও স্বীকাৰ্য।

*ফোন ঃ ৬০০১৪৮১৪০৮*

# কংগ্ৰেছ নেতৃত্বক লৈ ইমান মূৰ কামোৰণি কিয়?

**নৰেন প্ৰসাদ শৰ্মা**

**ভাৰতৰ** স্বাধীনতা আন্দোলনৰ সময়ত ভাৰতীয় জনসাধাৰণৰ অবিসম্বাদী নেতা মহাত্মা গান্ধীৰ পাছতেই দ্বিতীয় স্থানত যিজন নেতা আছিল, তেওঁ হ'ল পণ্ডিত জৱাহৰলাল নেহৰু। তেওঁ আছিল স্বাধীন ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী। স্বাধীনতাৰ পাছৰে পৰা ৰজ্ঞাছচ্ছ মৃত্যু পৰ্যন্ত সুদীৰ্ঘ ৰজ্জবছৰ তেওঁ ভাৰতক নেতৃত্ব দিছিল আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ভাৰতক এক সন্মানজনক স্থানত অধিষ্ঠিত কৰাইছিল। ভাৰতৰ গণতান্ত্ৰিক ভেটি সুদৃঢ় কৰা, দুশ বছৰ পৰাধীনতাৰ পাছত কৃষি, উদ্যোগ, শিক্ষা, বিজ্ঞান আৰু প্ৰযুক্তি, বৈদেশিক নীতি, অৰ্থনীতি আদিৰ ক্ষেত্ৰত শুই থকা জাতি এটাক জগাই প্ৰগতিৰ পথত থিয় কৰাবলৈ নেহৰুৱে অশেষ কষ্ট কৰিবলগীয়া হৈছিল। তেওঁক আধুনিক ভাৰতৰ স্থপতিবিদ বুলি অভিহিত কৰা হয়। উপৰোক্ত কাৰ্যসমূহৰ উপৰি তেওঁৰ দ্বাৰা লিখিত ভাৰত এক 'খোজ' (ডিছকভাৰী অৱ ইণ্ডিয়া), 'অট'বায়'গ্ৰাফী', 'বিশ্ব ইতিহাসৰ জিলিঙনি' আদি মূল্যৱান কিতাপ জোলত থাকোতেই লিখি বিখ্যাত হৈ পৰিছিল।

স্বাধীনতা আন্দোলনত নেহৰুৰ অৱদান আৰু স্বাধীনতাৰ পাছত তেওঁ কৰা কামত কিছু বিৰোধীয়ে গুৰুত্ব নিদিলেও কেৱল ওপৰত উল্লেখ কৰা কিতাপকেইখনৰ বাবেই নেহৰু স্মৰণীয় হৈ থাকিব।

কেৱল নিজৰ দেশতেই নহয়, আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰতো বিশ্বৰ অনুন্নত দেশ আৰু সাম্ৰাজ্যবাদী শক্তিৰ নিষ্পেষণত থকা দেশবোৰৰ হকে তেওঁ মাত মাতিছিল আৰু সেই সময়ৰ ইজিপ্তৰ নেতা আব্দুল গামেল নাছেৰ আৰু যুগোশ্লাভাকিয়াৰ নেতা মাৰ্ছাল টিটোৰ সহযোগত প্ৰায় এশৰো ওপৰ দেশ গোষ্ঠী নিৰপেক্ষ আন্দোলনভুক্ত কৰিছিল আৰু তাৰ নেতৃত্ব লৈছিল।

পঞ্চশীল নীতিৰে চীনৰ লগত সহযোগিতাৰ হাত আগবঢ়াইছিল যদিও চীনৰ সেই সময়ৰ নেতৃত্বই বিশ্বাসঘাতকতা কৰি ভাৰত আক্ৰমণ কৰিছিল। সেই লৈ নেহৰুৱে যথেষ্ট শোক পাইছিল আৰু ফলত স্বাস্থ্যৰ অৱনতি ঘটি ৰজ্ঞাছচ্ছ্ৰৰ চজ্জমে'ত মৃত্যু ঘটিছিল।

ৰজ্ঞাছচ ৰ চীনৰ আক্ৰমণৰ সময়ত নেহৰুৰ 'My heart goes to the people of Assam' বাক্যৰে অসমক বিদায় দিয়া বুলি অপব্যাখ্যা হৈ আছে। ওঁ কৈছিল— Huge Chinese Army's Have been marching In the northern part of NEFA, we have had reverses at Walong, Sela, and today Bomdila A small town of NEFA has also fallen. We shall not rest till the invador goes out of India or is pushed out. I want to make that clear to all of you and specially our country men in Assam to whom my heart goes out at the moment (ৰজ্ঞাছচৰ চজ্ঞ নৱেম্বৰত নেহেৰুৱে অনাতাঁৰ কেন্দ্ৰৰ যোগে দিয়া ভাষণ)। ইয়াত নেহৰুৱে অসমক বিদায় দিয়া কথাটো ক'ৰ পৰা আহিল।

উল্লেখ্য যে জম্মু-কাশ্মীৰৰ পৰা সংবিধানৰ ্জ্ঞ অনুচ্ছেদ বাতিলৰ ওপৰত বহল ব্যাখ্যাৰ এতিয়া প্ৰয়োজন নাই। তথাপি ক'ব খোজো, যিসকল লোকে এতিয়া ্জ্ঞ অনুচ্ছেদ বাতিলৰ বাবে কৃতিত্ব ল'ব বিচাৰিছে সেইসকলে ভাৰতৰ স্বাধীনতা আন্দোলনত নিষ্ক্ৰিয় আছিল বা ব্ৰিটিছৰ চোৰাংচোৱাগিৰি কৰিছিল। সেই সময়ত নেহৰুৱে স্বাধীনতা আন্দোলনৰ বাবে জীৱনৰ মূল্যৱান ৰচ্ছ্ৰ টা বছৰ কাৰাবাস খাটিছিল।

বহুতে নেহৰু পৰিয়ালৰ কথা কয় যদিও **১৯৬৪** ত জৱাহৰলাল নেহৰুৰ মৃত্যুৰ পাছত প্ৰধানমন্ত্ৰী হৈছিল লাল বাহাদুৰ শাস্ত্ৰী। পাছত ইন্দিৰা গান্ধী (নেহৰুৰ অৱৰ্তমানত) গণতান্ত্ৰিকভাৱে প্ৰধানমন্ত্ৰী নিৰ্বাচিত হৈছিল।



জৰুৰী অৱস্থা ঘোষণা সম্পৰ্কত ক'ব পাৰি যে ইন্দিৰা গান্ধীৰ প্ৰধানমন্ত্ৰিত্বত প্ৰথম কালছোৱাত ৰেল চকা বন্ধ আদি কৰি বিভিন্ন আন্দোলন সংঘটিত হৈছিল। তেতিয়াৰ আন্দোলনৰ নেতৃত্বই সামৰিক বাহিনী, আৰক্ষী বাহিনী আদিক চৰকাৰৰ নিৰ্দেশ অমান্য কৰিবলৈ আহ্বান জনাইছিল। তেনে অৱস্থাত দেশৰ প্ৰধানমন্ত্ৰীগৰাকীৰ জনসাধাৰণ তথা দেশৰ স্বাৰ্থত কৰ্তব্য কি হ'ব, সেই বিষয়ে কিন্তু সমালোচকসকল নিমাত। ৰজ্ঞাজ্জ্ঞ নিৰ্বাচনত পৰাজিত হৈছিল যদিও দুবছৰৰ পাছতে পুনৰ গণতান্ত্ৰিকভাৱে নিৰ্বাচিত হৈ মুঠ ৰছ টা বছৰ প্ৰধানমন্ত্ৰিত্বৰ কালত ভাৰতবৰ্ষৰ সকলো ক্ষেত্ৰতে নতুন ইতিহাস ৰচনাই নহয় ইন্দিৰা গান্ধী নিজেই ইতিহাস হৈ গ'ল। তেওঁ ভাৰতীয় উপ-মহাদেশৰ মানচিত্ৰই সলনি কৰি দিছিল। এতিয়া বহুল প্ৰচাৰিত স্বচ্ছ ভাৰত, পৰিয়াল পৰিকল্পনা আদি আঁচনি কংগ্ৰেছৰ শাসন কালত জ্ঞ দশকতে আৰম্ভ হৈছিল। 'মিছাইল মেন'ক ইন্দিৰা গান্ধীয়েই আৱিষ্কাৰ কৰিছিল।

পৰৱৰ্তী সময়ত প্ৰধানমন্ত্ৰী হোৱা ৰাজীৱ গান্ধীক ভাৰতৰ আধুনিক বিজ্ঞানৰ পিতৃস্বৰূপ বুলি তেতিয়াৰ বিজেপি চৰকাৰৰ মন্ত্ৰী প্ৰয়াত প্ৰমোদ মহাজনেই আখ্যা দিছিল।

ৰাজীৱ গান্ধীৰ মৃত্যুৰ পাছত কংগ্ৰেছৰ নেতৃত্ব ল'বলৈ ছোনিয়া গান্ধীক কৰা অনুৰোধ তেওঁ প্ৰত্যাখ্যান কৰিছিল আৰু ফলত পি ভি নৰসিংহ ৰাও প্ৰধানমন্ত্ৰী হৈ পাঁচ বছৰ কাৰ্যনিৰ্বাহ কৰিছিল। তাৰ পাছতো অটল বিহাৰী বাজপেয়ীৰ নেতৃত্বত বিজেপি চৰকাৰৰ পতনৰ পাছত কংগ্ৰেছ সংসদীয় দলৰ বিনা প্ৰতিদ্বন্দ্বিতাৰে নেতৃ নিৰ্বাচিত হোৱাৰ পাছতো প্ৰধানমন্ত্ৰীৰ পদ প্ৰত্যাখ্যান ফলস্বৰূপে ড° মনমোহন সিং প্ৰধানমন্ত্ৰী হৈ দুবাৰকৈ মুঠ ৰজ্ঞ বছৰ কাৰ্যনিৰ্বাহ কৰিছিল। গতিকে কংগ্ৰেছ পৰিয়ালকেন্দ্ৰিক বুলি কোৱাটো কিমানদূৰ সমীচীন? কোনোটো নিৰ্বাচনত ভাৰতীয় জনসাধাৰণে ক্ষোভ প্ৰকাশ কৰি সাময়িকভাৱে কংগ্ৰেছক ক্ষমতাৰ পৰা বিতাড়িত কৰিলেও দেশৰ স্বাৰ্থৰ বাবে কংগ্ৰেছ ধ্বংস হৈ যোৱাটো নিবিচাৰে। কংগ্ৰেছক উৎখাতক শ্ল'গান দিয়াসকল নিজেই উৎখাত হোৱাৰ উদাহৰণ বহুত আছে। মহাত্মা গান্ধীৰ হত্যাৰ সমৰ্থক তথা স্বাধীনতা যুজত বৃটিছৰ চোৰাংচোৱাগিৰি কৰাসকলে কংগ্ৰেছৰ নেতৃত্বক লৈ ইমান মূৰ ঘমোৱাৰ কাৰণ ৰহস্যজনক।

*ফোন জ্ঞাচ্ছ্ৰপুৰৱচৰচ্ছ্ৰজ্ঞ*

## অসমৰ প্ৰথমগৰাকী মহিলা ৰমন্যাসিক কবি

# যমুনেশ্বৰী খাটনিয়াৰ

**ৰূপক জি দুৱৰা**

**অসমীয়া** সাহিত্যৰ ৰমন্যাসিক যুগৰ প্ৰথমগৰাকী মহিলা কবি তথা চুটি গল্প লেখিকা যমুনেশ্বৰী খাটনিয়াৰৰ জন্ম হৈছিল, ১৮৯৮ৰ ২৩ এপ্ৰিলত গোলাঘাটত। তেওঁ ঘৰতে শিক্ষা গ্ৰহণ কৰি মধ্য ইংৰাজী স্তৰলৈকে পঢ়িছিল। ১৯১৪-১৫ মানৰ পৰাই কবিতা ৰচনা কৰিবলৈ আৰম্ভ কৰা খাটনিয়াৰৰ সৃষ্টিৰাজি, সেই সময়ৰ বিভিন্ন কাকত-আলোচনীত প্ৰকাশ পাইছিল। তেওঁৰ প্ৰথম চুটি গল্প 'কলঙি' ১৯২৩ত 'চেতনা' আলোচনীত প্ৰকাশ হৈছিল। উল্লেখ্য যে এইটোৱেই আছিল অসমীয়া মহিলা লেখিকাৰ প্ৰথম চুটি গল্প। তেনেদৰে তেওঁৰ প্ৰকাশিত কাব্যগ্ৰন্থ আছিল 'অৰুণ'। তদুপৰি তেওঁ উইলিয়াম শ্বেক্সপীয়েৰৰ বিখ্যাত নাটক 'কিং লীয়েৰ'ৰ কাহিনীভাগো অসমীয়ালৈ সাৱলীলভাৱে অনুবাদ কৰিছিল।

খাটনিয়াৰৰ কবিতাৰ বিষয়বস্তুত দুখঃবোধ আৰু হতাশাৰ আধিক্য পৰিলক্ষিত হয়। কিবা যেন নাই নাই ভাৱনাত তেওঁৰ হৃদয়খন হাহাকাৰ কৰি উঠে। অতৃপ্তিৰ তৃষ্ণাত ব্যাকুল কবিৰ হৃদয়ে হয়তো সেয়ে কৈ উঠে 'সেই সময়তো প্ৰাণে নাপায় জিৰণি / মোৰ যে অন্তৰ হায় অতৃপ্তিৰ খনি।'

সংসাৰৰ পাকচক্ৰত পৰি দুখ-বেদনাত দিনা কটালেও খাটনিয়াৰে আধ্যাত্মিক সাধনাৰ যোগেদি মোক্ষ লাভেৰে আত্মাৰ প্ৰশান্তি লাভ কৰিবলৈ যত্ন কৰিছিল। তেওঁৰ কবিতাত মূৰ্তমান হৈ উঠিছিল নাৰীৰ অন্তৰৰ কোমল অনুভূতি আৰু মমতাময়ী ব্যাকুলতা। তেওঁৰ কিছু কবিতাত প্ৰকৃতিৰ মোহনীয় ৰূপটোও সাৱলীলভাৱে বৰ্ণিত হৈছে। নীৰৱতাক ভালপোৱা কবিয়ে জীৱনৰ জটিলতাতো হাৰ নামানি নীৰৱেই সাহিত্য চৰ্চা কৰি গৈছিল। সেয়েহে তেওঁ এঠাইত কবিতাৰ যোগেদিয়েই কৈ গৈছে, 'নীৰৱ সকলো মোৰ / পুৱা, সন্ধ্যা, বেলা / খেলিম কেৱল মই / নীৰৱৰ খেলা।' খাটনিয়াৰে সমাজসেৱাৰ ক্ষেত্ৰতো বিশেষভাৱে আগভাগ লৈছিল। তেওঁ গোলাঘাটত মুদৈ গাঁও প্ৰাথমিক বিদ্যালয় প্ৰতিষ্ঠা কৰাৰ লগতে ইয়াত শিক্ষকতা কৰি স্ত্ৰীশিক্ষাৰ বাটকটীয়া হিচাপে নিজৰ কৃতিত্ব ৰাখি থৈ গৈছে। ১৯২০ত তেওঁ 'মানিমুণি'ৰ কবি হিচাপে খ্যাতি অৰ্জন কৰা ভৈৰৱ চন্দ্ৰ খাটনিয়াৰৰ স'তে বিবাহ পাশত আৱদ্ধ হয়।



অনন্য সাহিত্য প্ৰতিভা লৈ জন্ম লাভ কৰা যমুনেশ্বৰী খাটনিয়াৰৰ জীৱন কাল বৰ বেছি দীঘলীয়া নাছিল। ১৯২৩ৰ ১০ ডিচেম্বৰত মাত্ৰ ২৫ বছৰ বয়সতে এইগৰাকী কবি-সাহিত্যিকৰ অকাল মৃত্যু ঘটে। কিন্তু তুলনামূলকভাৱে এই চুটি জীৱন কালতো তেওঁ সমাজ আৰু সাহিত্য জগতলৈ বিশেষ বৰঙণি আগবঢ়াই থৈ গৈছে। উল্লেখ্য যে তেওঁৰ ভাতৃ-ভগ্নী ক্ৰমে ৰসেশ্বৰী খাটনিয়াৰ আৰু সুৰেন্দ্ৰনাথ শইকীয়াইও সাহিত্যিক হিচাপে বিশেষ সুখ্যাতি অৰ্জন কৰিছিল। *ফোন - ৬০২৬৪-৭৩৭৩৪*

**খৰাংৱস্থা, হিংসা, যুদ্ধ, ৰাজনৈতিক অস্থিৰতা, কৰ'না মহামাৰীৰ ফলত দুৰ্দশাগ্ৰস্ত আফগানিস্তান ঃ ৰাষ্ট্ৰসংঘৰ প্ৰতিবেদন**

# আফগানিস্তানৰ অৰ্ধেকাংশ নাগৰিক সন্মুখীন হৈছে ভয়াৱহ খাদ্য সংকটৰ

**নিউজ ব্যুৰ' নিউ য়ৰ্ক, ২৬ অক্টোবৰ ঃ** ৰাষ্ট্ৰসংঘই শংকা প্ৰকাশ কৰা অনুসৰি, আফগানিস্তানত অৰ্ধেকাংশৰো অধিক নাগৰিকে ভয়াৱহ খাদ্য সংকটৰ সন্মুখীন হ'ব পাৰে। বৰ্তমানৰ সময়ত দেশখনৰ আধাৰো অধিক জনসংখ্যাই পৰ্যাপ্ত পৰিমাণৰ খাদ্যৰ অভাৱত ভুগিছে বুলি তথ্য প্ৰকাশ কৰি ৰাষ্ট্ৰসংঘই কয় যে অচিৰে বিষয়টোৰ ক্ষেত্ৰত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা নহ'লে আগন্তুক সময়ত আফগানিস্তানত খাদ্য সংকটে চৰম ৰূপ ধাৰণ কৰিব পাৰে। ৰাষ্ট্ৰসংঘৰ প্ৰতিবেদনত উল্লেখ কৰা অনুসৰি, খৰাংৱস্থা, হিংসা, যুদ্ধ, ৰাজনৈতিক অস্থিৰতা আৰু কৰ'না মহামাৰীৰ ফলত আফগানিস্তানৰ অৱস্থা সম্প্ৰতি যথেষ্ট দুৰ্দশাগ্ৰস্ত হৈছে। আফগানিস্তানৰ সন্দৰ্ভত ৰাষ্ট্ৰসংঘই যুগুত কৰা এই প্ৰতিবেদনত লগতে শংকা প্ৰকাশ কৰা হৈছে যে বৰ্তমানৰ পৰিস্থিতি অব্যাহত থাকিলে দেশখনত অতি কম সময়ৰ ভিতৰত খাদ্য সংকটে জটিল ৰূপ ধাৰণ কৰিব পাৰে। খাদ্য আৰু কৃষি সংগঠন (এফ এ অ') আৰু বিশ্ব খাদ্য কাৰ্যক্ৰম (ডব্লিউ এফ পি)-এ যৌথভাৱে আফগানিস্তান সন্দৰ্ভত এই



প্ৰতিবেদন যুগুত কৰিছে। ৰাষ্ট্ৰসংঘৰ প্ৰতিবেদনত প্ৰকাশ পোৱা অনুসৰি, বৰ্তমানৰ পৰিস্থিতিত আফগানিস্তানত কমেও দুই কোটি নাগৰিকৰ জীৱনৰ প্ৰতি ভাবুকিৰ সৃষ্টি হৈছে। এইসকল নাগৰিকৰ উপাৰ্জন বাধাগ্ৰস্ত হোৱাৰ ফলত তেওঁলোকে ভয়াৱহ খাদ্য সংকটত ভুগিব লগা হৈছে বুলিও প্ৰতিবেদনত উল্লেখ কৰা হৈছে। আগন্তুক শীতৰ সময়ছোৱাত খাদ্য সংকটৰ ফলত দেশখনৰ বৃহৎসংখ্যক নাগৰিকৰ জীৱন বিপন্ন হোৱাৰ শংকাও প্ৰকট হৈছে। আই পি চিৰ প্ৰতিবেদনত লগতে উল্লেখ কৰা অনুসৰি অহা নৱেম্বৰৰ পৰা ২০২২ৰ মাৰ্চলৈকে ৫০ শতাংশৰো অধিক আফগান নাগৰিক মূলত খাদ্য সংকটৰ ফলত বিপদগ্ৰস্ত হোৱাৰ শংকা আছে। এইসকল আফগান নাগৰিকে তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ জৰুৰীকালীন অৱস্থাৰো সন্মুখীন হ'ব পাৰে বুলি প্ৰতিবেদনত ৰাষ্ট্ৰসংঘৰ বিশেষজ্ঞই শংকা প্ৰকাশ কৰিছে। চলিত বৰ্ষৰ এপ্ৰিললৈকে ক্ষুধাত আক্ৰান্ত আফগান নাগৰিকৰ সংখ্যা ৩৭ শতাংশ বৃদ্ধি পাইছে। ৰাষ্ট্ৰসংঘৰ তথ্য অনুসৰি, গ্ৰামাঞ্চলত বিগত চাৰি বছৰৰ পাছত দ্বিতীয়বাৰ দেখা দিয়া ভয়াৱহ খৰাংৱস্থাৰ ফলত আফগানিস্তানৰ ৩৭ লাখ লোকৰ জীৱিকা প্ৰভাৱিত হৈছে।

## মুখ্যমন্ত্ৰী আদিত্যনাথে ক'লে 'ভগৱান শ্ৰীৰামক গালি পৰা লোকো এতিয়া তেওঁৰ চৰণত'



**নিউজ ব্যুৰ', লক্ষ্ণৌ, ২৬ অক্টোবৰ ঃ** আজি দিল্লীৰ মুখ্যমন্ত্ৰী তথা আম আদমী পাৰ্টিৰ মুৰব্বী অৰবিন্দ কেজৰিৱালে ৰামললা আৰু হনুমান গড়ী দৰ্শন কৰে। কেজৰিৱালে ৰামললা দৰ্শন কৰাৰ পাছতে উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে দিল্লীৰ মুখ্যমন্ত্ৰীক পৰোক্ষভাৱে কটাক্ষ কৰিলে। লক্ষ্ণৌত সামাজিক প্ৰতিনিধি সন্মিলনত অংশ লৈ আজি আদিত্যনাথে বিৰোধী দলৰ ভগৱান শ্ৰীৰামৰ প্ৰীতিক কটাক্ষ কৰি কয়, 'উত্তৰ প্ৰদেশত দীৰ্ঘ সময় ধৰি এক নিৰ্দিষ্ট ভোট বেংকৰ বাবে একাংশ লোকে ভগৱান শ্ৰীৰামকো গালি পাৰিবলৈ নেৰিছিল। সেইসকল লোকে অযোধ্যাত ৰাম মন্দিৰ নিৰ্মাণৰ ক্ষেত্ৰতো নানা ধৰণৰে বাধাৰ সৃষ্টি কৰিছিল। ইয়াৰ পাছত এতিয়া এনে এক সময় উপস্থিত হ'ল যে সকলো দলে ভগৱান শ্ৰীৰামৰ চৰণত আশ্ৰয় লৈছে। যি অযোধ্যালৈ যাবলৈ সংকোচ কৰিছিল, এতিয়া প্ৰতিটো দ্বিতীয় দিনত কোনোবা নহয় কোনোবা নেতাই ৰামললাৰ আশীৰ্বাদ ল'বলৈ ভিৰ কৰিছে। ভগৱান শ্ৰীৰামক গালি পৰাসকলে এতিয়া ৰামত শৰণ লৈছে।


## ৰাজকীয় পৰিয়ালৰে সম্পৰ্কৰ অৱসান ঘটাই প্ৰেমিকৰে বিবাহ জাপানৰ ৰাজকুমাৰীৰ

**নিউজ ব্যুৰ', টকিঅ', ২৬ অক্টোবৰ ঃ** জাপানৰ ৰাজকুমাৰী মাক'ৰে প্ৰেমৰ বাবে ৰাজ পৰিয়ালৰ স'তে নিজৰ সম্পৰ্কৰ অৱসান ঘটালে। মাক'ৰে কেই ক'মুৰু নামৰ তেওঁৰ দীৰ্ঘদিনীয়া প্ৰেমিকৰ স'তে বিবাহ সম্পন্ন কৰিলে। উল্লেখ্য যে ৰাজকুমাৰী মাক' হৈছে জাপানৰ সম্ৰাট তাৰুহিটুৰ ভতিজী। মাক'ৰে টকিঅ'ৰ ইন্টাৰনেচনেল খ্ৰীষ্টীয়ান ইউনিভাৰচিটিত অধ্যয়ন কৰাৰ সময়ত কেইৰ স'তে চিনাকি হৈছিল আৰু পাছত দুয়ো প্ৰেমৰ সম্পৰ্কত আবদ্ধ হয়। ২০১৭ৰ ছেপ্টেম্বৰতে কেইৰ স'তে মাক'ৰে বিবাহৰ কথা ঘোষণা কৰিছিল। কিন্তু কেতবোৰ কাৰণত তেওঁ বিবাহ স্থগিত ৰাখিবলৈ বাধ্য হৈছিল। জাপানৰ ৰাজ পৰিয়ালৰ নিয়ম অনুসৰি, ৰাজ পৰিয়ালৰ সদস্যই সাধাৰণ নাগৰিকৰ স'তে বিবাহসম্পন্ন কৰিলে ৰাজকীয় মৰ্যাদা হেৰুৱাব লাগে। কেই এজন সাধাৰণ নাগৰিক হোৱা হেতুকে এতিয়াৰে পৰা মাক'ৰে ৰাজ মৰ্যাদা অবিহনে সাধাৰণ নাগৰিকৰ দৰে জীৱন যাপন কৰিব লাগিব।



# সামৰিক অভ্যুত্থানৰ শংকাত ভুগিছে পাকিস্তানৰ প্ৰধানমন্ত্ৰীয়ে

**নিউজ ব্যুৰ' ইছলামাবাদ, ২৬ অক্টোবৰ ঃ** পাকিস্তানৰ সংবাদ মাধ্যমত সম্প্ৰতি সেনা আৰু ইমৰান খানৰ চৰকাৰৰ মাজত সংঘাত সৃষ্টি হোৱাৰ কেতবোৰ বাতৰি প্ৰচাৰিত হৈছে। পাকিস্তানৰ চোৰাংচোৱা সংস্থাৰ মুৰব্বী নিযুক্তিক লৈ সেনা প্ৰধান জেনেৰেল কমৰ বাজৱা আৰু প্ৰধানমন্ত্ৰী ইমৰান খানৰ মাজত দীৰ্ঘ সময় ধৰি মতানৈক্য অব্যাহত আছে। টেলিভিছনৰ এক সাক্ষাৎকাৰত অলপতে ইমৰানে অভিযোগ কৰি কৈছিল যে বিৰোধীয়ে তেওঁক ক্ষমতাৰ পৰা অপসাৰণ কৰিবলৈ নানা কূট-কৌশল অৱলম্বন কৰাৰ লগতে শেহতীয়াভাৱে এই কামৰ বাবে সেনাকো বিৰোধীয়ে ব্লেকমেইল কৰিছে। পাক প্ৰধানমন্ত্ৰীৰ এই অভিযোগৰ পাছত সেনাৰ স'তে ইমৰানৰ সংঘাতৰ কথা প্ৰকাশ্য হৈছে। পাকিস্তানৰ একাংশ সংবাদ মাধ্যমে প্ৰকাশ কৰা বাতৰি অনুসৰি, ইমৰানে পাকিস্তানত পুনৰ সামৰিক অভ্যুত্থান ঘটিব বুলি শংকা প্ৰকাশ কৰিছে। বিৰোধীৰ ষড়যন্ত্ৰৰ পৰিণতিত সেনাই প্ৰধানমন্ত্ৰী পদৰ পৰা অপসাৰণ কৰিব বুলি ইমৰানে শংকিত হৈছে।



উল্লেখ্য যে পাকিস্তানৰ ৰাজনীতিত সময়ে সময়ে সেনাই প্ৰধানমন্ত্ৰীক ক্ষমতাচ্যুত কৰি দেশৰ শাসনভাৰ নিজে গ্ৰহণ কৰি আহিছে। ১৯৯৯ত তদানীন্তন প্ৰধানমন্ত্ৰী নৱাজ শ্বৰীফক গ্ৰেপ্তাৰ কৰি জেনেৰেল পাৰভেজ মুশ্বাৰফে পাকিস্তানৰ ক্ষমতা দখল কৰিছিল। ইমৰানকো পাকিস্তানৰ প্ৰধানমন্ত্ৰী হোৱাৰ ক্ষেত্ৰত সেনা আৰু চোৰাংচোৱাই যথেষ্ট সহায় কৰিছিল। কিন্তু শেহতীয়াভাৱে সেনাৰ স'তে ইমৰানৰ একাধিক বিষয়ত মতানৈক্য হোৱাৰ ফলত পাক প্ৰধানমন্ত্ৰীয়ে নিজৰ ৰাজনৈতিক ভৱিষ্যতক লৈ শংকিত হৈছে বুলি দেশখনৰ একাংশ সংবাদ মাধ্যমে দাবী কৰিছে।

## ২৪ ঘণ্টাত ২.৭১ লাখ কোটি টকাৰ সম্পত্তি বৃদ্ধি অৰ্বুদপতি এলন মাস্কৰ



**নিউজ ব্যুৰ', টেক্সাছ, ২৬ অক্টোবৰ ঃ** বৈদ্যুতিক গাড়ী নিৰ্মাতা প্ৰতিষ্ঠান টেছলাৰ সহ প্ৰতিষ্ঠাপক আৰু বিশিষ্ট অৰ্বুদপতি এলন মাস্কৰ সম্পত্তিৰ পৰিমাণ পুনৰ বৃদ্ধি পালে। টেছলাৰ মুখ্য কাৰ্যবাহী বিষয়া মাস্কৰ ৩৬.২ বিলিয়ন ডলাৰৰ সম্পত্তি বৃদ্ধি পালে। বৈদ্যুতিক গাড়ী নিৰ্মাতা টেছলাৰ পুঁজি বজাৰৰ মূল্য এক লাখ কোটি ডলাৰ অৰ্থাৎ এক ট্ৰিলিয়ন ডলাৰ হ'ল। ব্লুমবৰ্গৰ পৰিসংখ্যা অনুসৰি, সোমবাৰে বিশ্বৰ সবাতোকৈ ধনাঢ্য ব্যক্তি হিচাপে পৰিচিত মাস্কৰ সম্পত্তি ২৮৮.৬ বিলিয়ন ডলাৰলৈ বৃদ্ধি পালে। মাত্ৰ এদিনতে টেছলাৰ মুখ্য কাৰ্যবাহী বিষয়াজনে ২.৭১ লাখ কোটি টকা উপাৰ্জন কৰি এক নতুন অভিলেখ ৰচিলে। টেছলাৰ শ্বেয়াৰ মূল্য ৩৬.২ বিলিয়ন ডলাৰলৈ বৃদ্ধি পাইছে।



## চাৰি বছৰৰ পাছত প্ৰথম আছিয়ান বৈঠকত অংশ ল'ব মাৰ্কিন ৰাষ্ট্ৰপতিয়ে

**নিউজ ব্যুৰ' ৱাশ্বিংটন, ২৬ অক্টোবৰ ঃ** আমেৰিকাৰ ৰাষ্ট্ৰপতিয়ে চাৰি বছৰৰ পাছত প্ৰথমবাৰ আছিয়ান শীৰ্ষ সন্মিলনত অংশ ল'ব। ব্ৰুনিস্থিত মাৰ্কিন দূতাবাসে সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি, আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনে আছিয়ান দেশৰ ভাৰ্চুৱেল বৈঠকত আমেৰিকাক প্ৰতিনিধিত্ব কৰিব। আজিৰে পৰা এই বৈঠক আৰম্ভ হৈছে। উল্লেখ্য যে ২০১৭ বৰ্ষত অন্তিমবাৰ তদানীন্তন মাৰ্কিন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে মনিলাত অনুষ্ঠিত হোৱা আছিয়ান বৈঠকত অংশ লৈছিল।

# উত্তৰ প্ৰদেশৰ নিৰ্বাচনত এশ বিধায়কক টিকট বঞ্চিত কৰিব পাৰে বিজেপিয়ে



**নিউজ ব্যুৰ', লক্ষ্ণৌ, ২৬ অক্টোবৰ ঃ** উত্তৰ প্ৰদেশৰ বিধানসভাৰ নিৰ্বাচনৰ ৰণশিঙা বজাই ইতিমধ্যে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ সক্ৰিয় হৈ উঠিছে। অহা ২৯ অক্টোবৰত শ্বাহে লক্ষ্ণৌত উপস্থিত হৈ বিধানসভাৰ নিৰ্বাচনৰ লক্ষ্যৰে বিজেপিৰ ৰাজ্যিক নেতাসকলৰ স'তে আলোচনাত মিলিত হ'ব। শ্বাহৰ লক্ষ্ণৌ আগমনৰ পূৰ্বে বিজেপিয়ে এইবাৰৰ নিৰ্বাচনত দলৰ বৰ্তমানৰ এক-তৃতীয়াংশ বিধায়কৰ টিকট কৰ্তন কৰিব পাৰে বুলি এক বাতৰি বহুলভাৱে প্ৰচাৰিত হৈছে। ৰাজ্যিক বিজেপিৰ এক সূত্ৰই ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি, এইবাৰৰ নিৰ্বাচনত বৰ্তমানৰ প্ৰায় এশজন বিধায়ক টিকট লাভৰ পৰা বঞ্চিত হোৱাৰ সম্ভাৱনা আছে। ২০১৭ৰ বিধানসভাৰ নিৰ্বাচনৰ পূৰ্বে বিজেপিত যোগদান কৰা আন দলৰ কে'বাজনো নেতাকো এইবাৰ বিজেপিয়ে বিধানসভাৰ নিৰ্বাচনত টিকটৰ পৰা বঞ্চিত কৰিব পাৰে। ২০১৭ৰ নিৰ্বাচনত ৩১২ সমষ্টিত জয়লাভ কৰিছিল। এইবাৰ দলটোৱে অধিকসংখ্যক সমষ্টিত জয়ৰ লক্ষ্যৰে কমেও এশটা সমষ্টিত বৰ্তমানৰ বিধায়কৰ পৰিৱৰ্তে নতুন প্ৰাৰ্থীক দলৰ টিকট প্ৰদানৰ চিন্তা-চৰ্চা কৰিছে।

## দেশত ১৩ হেজাৰৰ তললৈ নামিল ক'ভিড সংক্ৰমণ



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৬ অক্টোবৰ ঃ** চাৰে ১২ হেজাৰৰ তললৈ নামিল ভাৰতৰ দৈনিক ক'ভিড সংক্ৰমণ। যোৱা ২৪ ঘণ্টাত দেশত পুনৰ ১২,৪২৮ জন লোক কৰ'নাত আক্ৰান্ত হ'ল। বিগত দুই মাৰ্চত দেশত অন্তিমবাৰৰ বাবে ক'ভিডৰ দৈনিক সংক্ৰমণ চাৰে ১২ হেজাৰৰ তলত আছিল। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি দেশত মুঠ তিনি কোটি ৪২ লাখ দুহেজাৰ ২০২ জন লোক বৰ্তমানলৈকে কৰ'নাত আক্ৰান্ত হ'ল। আক্ৰান্ত কম হ'লেও যোৱা ২৪ ঘণ্টাত দেশত পুনৰ ৩৬৫ জন ক'ভিড ৰোগীয়ে প্ৰাণ হেৰুৱালে। সৰ্বাধিক ২৮১ জন ৰোগীৰ মৃত্যু হ'ল কেৰালাত। বৰ্তমানে ভাৰতত এক লাখ ৬৩ হেজাৰ ৮১৬ জন সক্ৰিয় ক'ভিড ৰোগী আছে। কেৰালা, তামিলনাডু, মহাৰাষ্ট্ৰ, কৰ্ণাটক আৰু অন্ধ্ৰ প্ৰদেশত দেশৰ ভিতৰতে সৰ্বাধিক সংখ্যক লোক ক'ভিডত আক্ৰান্ত হৈছে।

## বিদ্যালয় খোলাৰ এমাহৰ ভিতৰতে হিমাচল প্ৰদেশত ক'ভিডত আক্ৰান্ত ৫৫৬ ছাত্ৰ, এজনৰ মৃত্যু



**নিউজ ব্যুৰ', ডেৰাডুন, ২৬ অক্টোবৰ ঃ** যোৱা ২৭ অক্টোবৰৰ পৰা হিমাচল প্ৰদেশত বিদ্যালয়ৰ দুৱাৰ ছাত্ৰ-ছাত্ৰীৰ বাবে পুনৰ মুকলি কৰা হৈছিল। বিদ্যালয় পুনৰ মুকলি হোৱাৰ এমাহৰ ভিতৰতে ৰাজ্যখনৰ বিভিন্ন চৰকাৰী আৰু বেচৰকাৰী বিদ্যালয়ত ৫৫৬ জন ছাত্ৰ-ছাত্ৰী কৰ'নাত সংক্ৰমিত হ'ল। হমিৰপুৰ জিলাত সৰ্বাধিক ১৯৬ ছাত্ৰ-ছাত্ৰী আৰু কাঙৰাত ১৭৩ ছাত্ৰ-ছাত্ৰী কৰ'নাত আক্ৰান্ত হৈছে। উনাত ১০৪, মান্দিত ২৬, ছিমলাত ২২, কিন্নৰত ১৪, কুলুত আঠ, বিলাসপুৰত সাত, ছলানত চাৰি, চম্বা আৰু লাহুল-স্পিতিত এজনকৈ ছাত্ৰ-ছাত্ৰী কৰ'নাত আক্ৰান্ত হৈছে। ইফালে হামিৰপুৰত কৰ'নাত আক্ৰান্ত ১৩ বছৰীয়া এগৰাকী ছাত্ৰীৰ মৃত্যু হ'ল।

# কেৱল ক্ৰেতাই নহয়, ড্ৰাগছৰ চোৰাং ব্যৱসায়তো জড়িত আৰিয়ান ঃ এন চি বিৰ দাবী

**নিউজ ব্যুৰ' মুম্বাই, ২৬ অক্টোবৰ ঃ** নাৰ্ক'টিকছ কন্ট্ৰ'ল ব্যুৰ' (এন চি বি)-এ আজি আৰিয়ান খানৰ জামিন আবেদনৰ তীব্ৰ বিৰোধিতা কৰি বোম্বে উচ্চ ন্যায়ালয়ত দাবী কৰি কয় যে আৰিয়ানে কেৱল ড্ৰাগছ সেৱন কৰাই নহয়, বৰঞ্চ তেওঁ অবৈধ মাদক দ্ৰব্যৰ সৰবৰাহতো জড়িত আছিল। তদন্তকাৰী সংস্থাটোৱে লগতে দাবী কৰি কয় যে আৰিয়ানৰ লগতে শ্বাহৰুখ খানৰ ব্যক্তিগত প্ৰবন্ধক পূজা দদলানিয়ে তদন্তক বিপথে পৰিচালিত কৰিবলৈ তথ্য প্ৰমাণ আৰু সাক্ষীক প্ৰভাৱিত কৰিছে। এন চি বিয়ে কিছু তথ্য প্ৰমাণ আদালতত দাখিল কৰি আজি কয় যে আৰিয়ানে নিজে ড্ৰাগছ ক্ৰয় কৰাৰ লগতে নিষিদ্ধ মাদকৰ সৰবৰাহতো জড়িত হৈছিল। বৰ্তমানলৈকে এন চি বিয়ে চলোৱা তদন্তত শ্বাহৰুখ পুত্ৰই নিষিদ্ধ ড্ৰাগছ ক্ৰয়, পৰিবহণ আৰু



সেৱন কৰাৰ যথেষ্ট তথ্য প্ৰমাণ লাভ কৰে বুলি তদন্তকাৰী সংস্থাটোৱে বোম্বে উচ্চ ন্যায়ালয়ক আজি অৱগত কৰে। 'আৰিয়ান খান বিদেশৰ এনে একাংশ লোকৰ স'তে যোগাযোগত আছিল, যিসকলে ড্ৰাগছৰ অবৈধ ক্ৰয়ৰ বাবে এক আন্তঃৰাষ্ট্ৰীয় ড্ৰাগছ নেটৱৰ্কৰ স'তে জড়িত আছিল। ইয়াৰ পৰা স্পষ্ট হয় যে আৰিয়ানে কেৱল ড্ৰাগছ ক্ৰয় কৰাই নহয়, ইয়াৰ সৰবৰাহৰ স'তেও জড়িত হৈছিল।' এন চি বিয়ে আজি বোম্বে উচ্চ ন্যায়ালয়ত এইদৰে তথ্য দাখিল কৰে।

## আমোলাৰ জন্মৰ প্ৰমাণপত্ৰ চাবলৈ নবাব মলিক কোন? প্ৰশ্ন সমীৰ ভগ্নীৰ

**নিউজ ব্যুৰ', মুম্বাই, ২৬ অক্টোবৰ ঃ** বলিউডৰ অভিনেতা শ্বাহৰুখ খানৰ পুত্ৰ আৰিয়ান খানক মুম্বাইৰ এখন প্ৰমোদতৰীৰ পৰা নিষিদ্ধ মাদক দ্ৰব্যৰ গোচৰত গ্ৰেপ্তাৰ কৰা নাৰ্ক'টিকছ কন্ট্ৰ'ল ব্যুৰ' (এন চি বি)ৰ মুম্বাইৰ আঞ্চলিক সঞ্চালক সমীৰ ৱাংখেড়েৰ বিৰুদ্ধে মহাৰাষ্ট্ৰ চৰকাৰৰ মন্ত্ৰী তথা এন চি বিৰ নেতা নবাব মলিকে অভিযোগ উত্থাপন কৰি সমীৰৰ প্ৰকৃত নাম 'সমীৰ দাউড ৱাংখেড়ে' বুলি দাবী কৰিছে। মন্ত্ৰী মলিকৰ এই অভিযোগৰ সন্দৰ্ভত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে সমীৰৰ ভগ্নী য়াছমিন ৱাংখেড়ে। সংবাদ মাধ্যমৰ আগত সমীৰ ভগ্নীয়ে আজি কয়, 'এজন আমোলাৰ জন্মৰ প্ৰমাণপত্ৰৰ সন্ধান কৰিবলৈ নবাব মলিক কোন? তেওঁৰ গৱেষক দলে ডুবাইৰ পৰা বোম্বেলৈকে সকলোকে এইখন ফটো প'ষ্ট কৰিছে। আমি এতিয়া হত্যাৰ ভাবুকি ফোনত লাভ কৰিছো। মোৰ অনুভৱ হৈছে যে এতিয়া ময়ো দৈনিক ভুৱা প্ৰমাণ দাখিল কৰিব লাগিব।' উল্লেখ্য যে মন্ত্ৰী মলিকৰ অভিযোগৰ সন্দৰ্ভত ইতিমধ্যে স্পষ্টীকৰণ দি এন চি বিৰ বিষয়া সমীৰে কৈছে যে তেওঁৰ পিতৃ হিন্দু আৰু মাতৃ মুছলমান আছিল।



## অনন্যাৰে মাদক সন্দৰ্ভত সঘনে আলাপ কৰিছিল আৰিয়ানে, ক'কেইনৰো আছিল আসক্ত



**নিউজ ব্যুৰ', মুম্বাই, ২৬ অক্টোবৰ ঃ** নিষিদ্ধ মাদক দ্ৰব্যৰ গোচৰত নাৰ্ক'টিকছ কন্ট্ৰ'ল ব্যুৰ' (এন চি বি)-এ গ্ৰেপ্তাৰ কৰা বলিউডৰ মহাতাৰকা অভিনেতা শ্বাহৰুখ খানৰ জ্যেষ্ঠ পুত্ৰ আৰিয়ান খানে অভিনেত্ৰী অনন্যা পাণ্ডেৰ স'তে হোৱাটছএপত প্ৰায়ে নিষিদ্ধ মাদকৰ প্ৰসংগত বাৰ্তালাভ কৰিছিল। এন চি বিয়ে ড্ৰাগছৰ সন্দৰ্ভত আৰিয়ান আৰু অনন্যাৰ হোৱাটছএপ বাৰ্তালাপৰ অধিক তথ্য ৰাজহুৱা কৰিলে। হোৱাটছএপৰ এনে বাৰ্তালাপত শ্বাহৰুখ পুত্ৰই নিষিদ্ধ ঘোষিত ড্ৰাগছৰ কথাৰ লগতে এন চি বিৰ প্ৰসংগও অনন্যাৰ স'তে আলোচনা কৰিছিল। এন চি বিয়ে ৰাজহুৱা কৰা আৰিয়ানৰ হোৱাটছএপ বাৰ্তালাপ ২০১৯ৰ জুলাইৰ আছিল। এনেবোৰ বাৰ্তালাপত আৰিয়ানে অনন্যাৰ পৰা গোপনে ড্ৰাগছ সংগ্ৰহ কৰাৰ কথা উল্লেখ কৰাৰ লগতে ক'কেইন সেৱনৰ কথাও উল্লেখ কৰিছিল। অনন্যায়ো হোৱাটছএপৰ এনে বাৰ্তালাপত আৰিয়ানক নিষিদ্ধ মাদক যোগান ধৰাৰ প্ৰতিশ্ৰুতি দিছিল। যোৱা ১৮ এপ্ৰিলত হোৱাটছএপৰ এনে এক বাৰ্তালাপত আৰিয়ানে 'কাইলৈ ক'কেইন গ্ৰহণ কৰিম' বুলি অনন্যাক অৱগত কৰিছিল। একেটা বাৰ্তালাপতে আৰিয়ানে এন চি বিৰ নাম উল্লেখ কৰিও ভয় খুৱাইছিল।



## ১১ মাহ ধৰি বন্ধ টিক্ৰি সীমান্ত খোলাৰ বাবে কৃষকৰে হাৰিয়ানা চৰকাৰৰ আলোচনা

**নিউজ ব্যুৰ', বাহাদুৰগড়, ২৬ অক্টোবৰ ঃ** কৃষকৰ আন্দোলনৰ ফলত বিগত ১১ মাহ ধৰি বন্ধ হৈ থকা টিক্ৰি সীমান্ত পুনৰ মুকলি কৰিবলৈ হাৰিয়ানা চৰকাৰৰ উচ্চ ক্ষমতাসম্পন্ন সমিতিয়ে সংযুক্ত কিষাণ মৰ্চাৰ প্ৰতিনিধিৰ স'তে আজি বাহাদুৰগড়ত আলোচনাত মিলিত হ'ল। চৰকাৰৰ সমিতি, সংযুক্ত কিষাণ মৰ্চা আৰু উদ্যোগী প্ৰতিনিধিৰ বৈঠকত টিক্ৰি সীমান্ত পুনৰ মুকলি কৰাৰ প্ৰসংগত আলোচনা কৰা হয়। এই আলোচনাৰ পাছত উভয় পক্ষৰ প্ৰতিনিধিয়ে সীমান্ত পুনৰ মুকলি কৰাৰ সম্ভাৱনাৰ বুজ ল'বলৈ টিক্ৰি সীমান্ত পৰিদৰ্শন কৰে।

## শীৰ্ষ নেতাক ছোনিয়াই ক'লে ঃ ব্যক্তিগত উচ্চাকাংক্ষাক এৰি দলক শক্তিশালী কৰক

**নিউজ ব্যুৰ', নতুন দিল্লী, ২৬ অক্টোবৰ ঃ** কংগ্ৰেছ শাসিত তিনিখন ৰাজ্যত দলৰ আভ্যন্তৰীণ কন্দলত জৰ্জৰিত কংগ্ৰেছৰ সভানেত্ৰী ছোনিয়া গান্ধীয়ে দলীয় নেতা-কৰ্মীক অনুশাসনৰ পাঠ পঢ়ালে। কংগ্ৰেছৰ কাৰ্য সমিতিৰ বৈঠকত অংশ লৈ ছোনিয়াই দলৰ শীৰ্ষ নেতাসকলক নিজৰ উচ্চাকাংক্ষা ত্যাগ কৰি দলক শক্তিশালী কৰাত গুৰুত্ব দিবলৈ আহ্বান জনায়। নীতিগত বিষয়ত ৰাজ্যিক পৰ্যায়ৰ নেতাসকলে সহমতত উপনীত হোৱাত ব্যৰ্থ হৈছে বুলি কংগ্ৰেছ সভানেত্ৰীয়ে দলীয় সভাত অভিযোগ কৰে। কংগ্ৰেছ নেতাসকলক দলীয় অনুশাসন মানি চলিবলৈ আহ্বান জনাই ছোনিয়াই কয় যে নেতাসকলে কোনো সমস্যাৰ ক্ষেত্ৰত সংবাদ মাধ্যমৰ পৰিৱৰ্তে কংগ্ৰেছ শীৰ্ষ নেতাৰ স'তে আলোচনা কৰা উচিত।



## চীনৰ ৰাষ্ট্ৰপতিৰে ফোনত বাৰ্তালাপ পাক প্ৰধানমন্ত্ৰী ইমৰানৰ, পাকিস্তান ভ্ৰমণলৈ নিমন্ত্ৰণ



**নিউজ ব্যুৰ', ইছলামাবাদ, ২৬ অক্টোবৰ ঃ** পাকিস্তানৰ প্ৰধানমন্ত্ৰী ইমৰান খান আৰু চীনৰ ৰাষ্ট্ৰপতি জি জিনপিঙে আজি দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰিবলৈ সহমত প্ৰকাশ কৰে। উভয় দেশৰ মাজত দেখা দিয়া আৰ্থিক প্ৰতিবন্ধক আঁতৰোৱাৰ বাবেও ইমৰান আৰু জিনপিঙে আগ্ৰহ প্ৰকাশ কৰে। পাকিস্তানৰ প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে আজি এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি, জিনপিঙৰ স'তে ইমৰানে ফোনযোগে বাৰ্তালাপ কৰিছিল। এই টেলিফোনিক বাৰ্তালাপতে পাকিস্তানৰ প্ৰধানমন্ত্ৰীয়ে জিনপিঙক অচিৰে নিজৰ সুবিধা অনুসৰি পাকিস্তান ভ্ৰমণ কৰিবলৈ নিমন্ত্ৰণ জনায়। বাৰ্তালাপত পাক প্ৰধানমন্ত্ৰীয়ে কৰ'না নিয়ন্ত্ৰণৰ ক্ষেত্ৰত চীন চৰকাৰে প্ৰদৰ্শন কৰা তৎপৰতা আৰু সফলতাক বিশেষভাৱে প্ৰশংসা কৰে। চি পি ই চি আৰু আন্তৰ্জাতিক বাণিজ্য প্ৰসংগতো চীনা ৰাষ্ট্ৰপতিৰে নিজৰ মত বিনিময় কৰিলে পাকিস্তানৰ প্ৰধানমন্ত্ৰীয়ে। বাৰ্তালাপত ইমৰানে চীনৰ কমিউনিষ্ট পাৰ্টিৰ শতাব্দী উপলক্ষে ৰাষ্ট্ৰপতি জিনপিঙক শুভেচ্ছা জ্ঞাপন কৰে।



## ছিৰিয়াত মাৰ্কিন সেনাৰ ঘাটিত ড্ৰ'ন আক্ৰমণৰ আঁৰত ইৰান ঃ দাবী আমেৰিকাৰ

**নিউজ ব্যুৰ', ৱাশ্বিংটন, ২৬ অক্টোবৰ ঃ** মাৰ্কিন সামৰিক বিষয়াই দাবী কৰা অনুসৰি যোৱা সপ্তাহত দক্ষিণ ছিৰিয়াত আমেৰিকাৰ সেনাৰ ঘাটিত যি ড্ৰ'ন আক্ৰমণ চলোৱা হৈছিল, ইয়াৰ আঁৰত ইৰান জড়িত হৈ আছে। আন্তৰ্জাতিক সংবাদ মাধ্যমৰ আগত নাম প্ৰকাশত অনিচ্ছুক মাৰ্কিন সেনা বিষয়া এজনে এই কথা দাবী কৰি কয় যে ছিৰিয়াত সেনাৰ ঘাটিত আক্ৰমণ চলোৱাৰ ক্ষেত্ৰত ইৰানে বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। মূলতঃ ছিৰিয়াৰ সেনাৰ ঘাটিত থকা মাৰ্কিন সৈন্যক লক্ষ্য হিচাপে লৈ ইৰানে ড্ৰ'নৰে যোৱা সপ্তাহত আক্ৰমণ চলাইছিল বুলি আমেৰিকাৰ সেনা বিষয়াজনে দাবী কৰে।

# বিজেপিয়ে সেৱাৰ ৰাজনীতি কৰে

## ■ বাগ্‌সাৰ আনন্দ বজাৰত ভৱেশ কলিতা-অজন্তা নেওগ

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ২৬ অক্টোবৰ ঃ** 'ভৱানীপুৰত নাথাকে কোনো ভোটৰ ব্যৱধান। ভৱানীপুৰত বিপুল ভোটত জয়লাভ কৰিব বিজেপিৰ প্ৰাৰ্থী ফণীধৰ তালুকদাৰে।' এই মন্তব্য বিজেপিৰ ৰাজ্যিক সভাপতি ভৱেশ কলিতাৰ। ভৱানীপুৰ সমষ্টিৰ শালবাৰীৰ আনন্দ বজাৰত মিত্ৰজোঁটৰ প্ৰাৰ্থী ফণীধৰ তালুকদাৰৰ সমৰ্থনত কালি অনুষ্ঠিত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি ৰাজ্যিক বিজেপিৰ সভাপতিজনে কয় যে অন্য দলে সংখ্যালঘু, সংখ্যাগুৰুৰ ৰাজনীতি কৰে। কিন্তু বিজেপিয়ে সেৱাৰ ৰাজনীতি কৰে। ভৱানীপুৰ সমষ্টিত বিজেপিয়ে পাঁচ-দহ হেজাৰ লাভ কৰিব সংখ্যালঘু ভোট। কংগ্ৰেছে মৰুভূমিত মৰীচিকা দেখিছে। কংগ্ৰেছৰ নৃত্য নাটকাত ৰাইজে আৰু ভোল নাযায়। বদৰুদ্দিন আজমলে নাজানে যে পদুম ফুল নপচে, পদুম ফুল শুকাই যায়। তথাপি গোন্ধ নকমে। ভৱানীপুৰৰ ৰাইজে সিদ্ধান্ত লৈছে। এইবাৰ ফণীধৰ তালুকদাৰক ভোট দিয়াৰ বাবে সাজু হৈছে। ভৱানীপুৰ সমষ্টিৰ ৰাস্তা-ঘাট জিলাপীৰ পেছৰ দৰে। বিটিচি অঞ্চলত চাউল মাক-দেউতাকেহে পায়। ল'ৰাই নাপায়। এতিয়া সকলোৱে পাব। কংগ্ৰেছে মূল্যবৃদ্ধিৰ কথা কোৱা ভূতৰ মুখত ৰাম নাম শুনা একে কথা। পদুম ফুলৰ কথা বদৰুদ্দিন আজমলে কি বুজি পাব পদুম ফুল ৰাষ্ট্ৰভক্তি, দেশভক্তিৰ কাৰণে লাগে, তলাটো ক'তো নালাগে। তেওঁ কয় যে বিকশিত অসম, বিকশিত ভৱানীপুৰ গঢ়িবলৈ আৰু ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰৰ অংশীদাৰ হ'বলৈ বিজেপিক ভোট দিব লাগিব। স্বাস্থ্যৰ পৰা অন্নলৈকে গুৰুত্ব দিয়া চৰকাৰখনেই হৈছে মোদী চৰকাৰ। এশ কোটি জনতাক বিনামূলীয়া প্ৰতিষেধক দিছে প্ৰধানমন্ত্ৰী মোদীয়ে। বিজেপি চৰকাৰ জনতাৰ সেৱাৰ বাবে, দুৰ্নীতিৰ বাবে নহয়। ২০২৬ৰ ভিতৰত ভৱানীপুৰত কোনো কেঁচা ৰাস্তা নাথাকিব। একেখন সভাতে অংশগ্ৰহণ কৰি মন্ত্ৰী অজন্তা নেওগে কয় যে আমাৰ ৰাইজলৈ মেছেজ এটাই সেয়া হ'ল উন্নয়ন। মুখ্যমন্ত্ৰীয়ে সকলো কথাই স্পষ্টভাৱে কৈছে। যোৱা পাঁচটা মাহত উন্নয়নৰ ক্ষেত্ৰত চৰকাৰখনে যি পদক্ষেপ লৈছে সেয়া বলিষ্ঠ পদক্ষেপ। এইবেলি ভৱানীপুৰৰ ৰাইজে বিজেপিক ভোট দিয়ক আৰু ভিন্ন সমস্যাৰ পৰা সমষ্টিবাসী মুক্ত হওঁক। অসম জাতীয় পৰিষদে বিগত নিৰ্বাচনত যি ফল দেখুৱালে সেয়া ৰাইজে দেখিছেই। এইবেলি পাঁচোটা সমষ্টিতে বিজেপি বিপুল ভোটত জয়ী হ'ব। আমাক আশীৰ্বাদ দিয়ক আমি তাৰ বিনিময়ত উন্নয়ন কৰিম। বিজেপিৰ বজালী জিলা মহিলা মৰ্চাৰ উদ্যোগত অনুষ্ঠিত সভাত সভাপতিত্ব কৰে মহিলা মৰ্চাৰ সভানেত্ৰী ধীৰুমণি ৰয়ে। সভাত ছিপাঝাৰৰ বিধায়ক পৰমানন্দ ৰাজবংশী, বিটিআৰৰ কাৰ্যবাহী সদস্য গৌতম দাস, বিধায়ক ৰামকৃষ্ণ ঘোষ, প্ৰাক্তন বিধায়ক গুণীন দাস, মলয়া বৰ্মন, বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতা প্ৰমুখ্যে বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# বিপিএফৰ হৈ নিৰ্বাচনী প্ৰচাৰ অঞ্জলি দৈমাৰীৰ

অগ্ৰদূত বাৰ্তা

**গোসাঁইগাঁও, ২৬ অক্টোবৰ ঃ** গোসাঁইগাঁও বিধানসভা সমষ্টিৰ বিপিএফৰ প্ৰাৰ্থী ধ্ৰুৱ কুমাৰ ব্ৰহ্ম নাৰ্জাৰীৰ হৈ আজি নিৰ্বাচনী প্ৰচাৰ চলাই বড়ো উইমেন জাষ্টিচ ফৰামৰ নেত্ৰী অঞ্জলি দৈমাৰীয়ে। গোসাঁইগাঁৰৰ জলেশ্বৰীৰ ৰাজহুৱা সভাগৃহত গোসাঁইগাঁও জিলা বিপিএফৰ সাধাৰণ সম্পাদক বিল্লা কুমাৰ ব্ৰহ্মৰ সভাপতিত্বত অনুষ্ঠিত নিৰ্বাচনী সভাত দৈমাৰীয়ে ধ্ৰুৱ কুমাৰ ব্ৰহ্মক ভোট প্ৰদানৰ বাবে আহ্বান জনায়। দৈমাৰীয়ে সংবাদ মাধ্যমৰ আগত গোসাঁইগাঁও বিধানসভা সমষ্টিটোত বিগত নিৰ্বাচনত প্ৰয়াত মাজেন্দ্ৰ নাৰ্জাৰীয়ে ৰাইজৰ বিপুল সমৰ্থনত জয়লাভ কৰিছিল আৰু এই উপ-নিৰ্বাচনতো বিপিএফৰ প্ৰাৰ্থীজন পুনৰ জয়লাভ কৰিব বুলি দাবী কৰে। দৈমাৰীয়ে কয় যে গোসাঁইগাঁও সমষ্টিটোত বিপিএফৰ হাতৰ পৰা কাঢ়ি লোৱা সহজ নহয় বাবে বিজেপি ইউপিপিএল মিত্ৰজোঁটৰ বাবে বাৰম্বাৰ ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে নিৰ্বাচনী প্ৰচাৰ চলাইছে আৰু নেতা-মন্ত্ৰীয়ে বাহৰ পাতিছে বুলি প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীৰ আগমনে সমষ্টিটোত কোনো প্ৰভাৱ পেলাব নোৱাৰে। আনহাতে, ৰঞ্জন দৈমাৰীৰ মুক্তি সম্পৰ্কে অঞ্জলি দৈমাৰীয়ে বিটিআৰ'ৰ চুক্তি ৰাজনৈতিক এটা অংশ। ৰঞ্জন দৈমাৰীৰ মুক্তি সকলোৱে বিচাৰিছে। বিটিআৰ চুক্তিৰ পাছত প্ৰতিজন ব্যক্তিয়ে ৰঞ্জন দৈমাৰী আৰু অন্যান্য এনডিএফবিৰ সদস্যসকলৰ মুক্তি বিচাৰে। বিটিআৰৰ শান্তি চুক্তিৰ মূলতে এনডিএফবি নেতাসকলৰ মুক্তিৰ দাবী আছিল। এয়া এক আইনী প্ৰচেষ্টা যদিও চৰকাৰখনৰ সদিচ্ছা থাকিব লাগিব। তেনেক্ষেত্ৰত বিটিআৰ চৰকাৰখনৰ শান্তি চুক্তিৰ মূল দাবীসমূহ ৰূপায়ণৰ ক্ষেত্ৰত সদিচ্ছা পৰিলক্ষিত হোৱা নাই বুলি প্ৰকাশ কৰে দৈমাৰীয়ে। নিৰ্বাচনী সভাখনত কাৰ্যবাহী সদস্য মৃত্যুঞ্জয় নাৰ্জাৰীৰ লগতে আন কে'বা গৰাকীও দলীয় নেতা উপস্থিত থাকে।

# গোসাঁইগাঁৱত হাগ্ৰামা-প্ৰমোদ বড়োৰ নিৰ্বাচনী প্ৰচাৰ তুংগত

অগ্ৰদূত বাৰ্তা

**গোসাঁইগাঁও, ২৬ অক্টোবৰ ঃ** ২০০৩ৰ ১০ ফেব্ৰুৱাৰীৰ পূৰ্বৰ পৰা বিটিচিত বসবাস কৰা সকলো জনগোষ্ঠীৰ লোক বিটিচি বাসী। বিটিচিত প্ৰমোদ বড়ো নেতৃত্বাধীন চৰকাৰে উচ্ছেদ অভিযান চলাব নোৱাৰিব। উচ্ছেদ সম্পৰ্কীয় বিষয় লৈ চিন্তা কৰাৰ কাৰণ নাই। বিটিচিত বিপিএফ দলে কি কাৰণত চৰকাৰ কৰিব নোৱাৰিলে সেয়া বিটিচিৰ প্ৰত্যেক জন নাগৰিক অৱগত। বিটিচিত বিপিএফ দল আকৌ চৰকাৰলৈ আহিব। আজি এইদৰে কয় বিপিএফৰ সভাপতি হাগ্ৰামা মহিলাৰীয়ে। গোসাঁইগাঁও সমষ্টিৰ ভোমৰাবিলত বিপিএফৰ প্ৰাৰ্থী ধ্ৰুৱ কুমাৰ ব্ৰহ্ম নাৰ্জাৰীৰ সপক্ষে নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰি মহিলাৰীয়ে কয়, 'এই নিৰ্বাচনত বিপিএফৰ আন কোনো দলৰ স'তে বন্ধুত্ব নাই। বিপিএফ দল উপ-নিৰ্বাচনত অকলে যুঁজিছে আৰু অকলে যুঁজি গোসাঁইগাঁও সমষ্টিত বিজয় সাব্যস্ত কৰিব। ইউপিপিএলৰ সভাপতি তথা বিটিআৰ মুৰব্বী প্ৰমোদ বড়োৱে বড়ো জাতিক ধ্বংস কৰিছে। তেনে ক্ষেত্ৰত প্ৰমোদ বড়োৱে মুছলমান, কোচ ৰাজবংশী, আদিবাসীৰ কাৰণে কি কাম কৰিব। প্ৰমোদ বড়ো দিয়া মানুহ নহয় লোৱা মানুহহে।' ইউপিপিএল মানে এবছুৰ দল। বিটিচিত যদি শান্তি হৈছে তেন্তে সশস্ত্ৰ সংগঠনৰ জন্ম কিয় হয় বুলিও প্ৰশ্ন কৰে মহিলাৰীয়ে। শ্ৰীৰামপুৰ ব্লক বিপিএফৰ সভাপতি আব্দুল খালেক মণ্ডলৰ পৰিচালনাত অনুষ্ঠিত সভাত মুফটি মকিবুৰ ৰহমানে কয় যে গোটেই ভাৰতবৰ্ষত বিজেপি আৰু আৰ এছ এছে হিন্দু-মুছলমানৰ ভ্ৰাতৃত্ববোধ বিনষ্ট কৰিছে।

ইপিনে, আজি কে'বাখনো জনসভাত ব্যস্ত থাকে ইউপিপিএলৰ সভাপতি তথা বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো। গোসাঁইগাঁও সমষ্টিৰ হাক্ৰুবিলত এখন নিৰ্বাচনী সভাত উপস্থিত হৈ বিটিআৰৰ প্ৰমোজ বড়োৱে কয় যে গোসাঁইগাঁৱত ইউপিপিএল, তামুলপুৰত ইউপিপিএল আৰু ভৱানীপুৰত বিজেপিৰ প্ৰাৰ্থীৰ জয় হ'ব। বিটিচিত ১৭টা বছৰে অশান্তি হৈ আছিল। এতিয়া শান্তিৰ বাতাবৰণ আহিছে। শান্তিৰ বাতাবৰণ আৰু ভ্ৰাতৃত্ববোধ অটুট ৰখাৰ স্বাৰ্থত সকলো জনগোষ্ঠীৰ লোকে মিত্ৰদলৰ পক্ষত আছে। সংখ্যালঘুসকল বিপিএফৰ শাসনকালত বিভিন্ন দিশত বঞ্চিত আৰু লাঞ্চিত হৈ আছিল। সংখ্যালঘু লোকসকল উন্নয়ন আৰু শান্তিৰ স্বাৰ্থত শাসকীয় পক্ষৰ লগত থকাৰ মন মেলিছে। নিৰ্বাচনী প্ৰচাৰ সভাত বিটিআৰৰ ই এম উইলছন হাসদাই কয় যে কংগ্ৰেছে অসমত ৬০টা বছৰ শাসনৰ গাদীত থকা সত্ত্বেও শোষিত, নিষ্পেষিত, বঞ্চিত আদিবাসী জনতাৰ হকে দায়বদ্ধতাৰ স'তে একো কাম নকৰিলে। একমাত্ৰ জনগোষ্ঠীটোক ভোট বেংক হিচাপে ব্যৱহাৰ কৰিলে। তাৰ বিপৰীতে বিজেপি-ইউপিপিএলে আদিবাসী জনগোষ্ঠীৰ হিতাৰ্থে কাম কৰাৰ পণ লৈছে। বিজেপি-ইউপিপিএলে যেনেদৰে আদিবাসীৰ প্ৰতি সহমৰ্মিতা প্ৰদৰ্শন কৰি আছে।

তদ্ৰূপ আদিবাসী জনগোষ্ঠীৰ লোকসকলেও ইউপিপিএল-বিজেপিৰ পক্ষত গমন কৰিছে। ইউপিপিএলৰ নীতি-আদৰ্শৰ প্ৰতি আদিবাসী লোকসকল মোহিত হৈ আজি বিপিএফ আৰু কংগ্ৰেছ ত্যাগ কৰি আদিবাসী জনগোষ্ঠীৰ প্ৰায় দুই শতাধিক পুৰুষ-মহিলাই যোগদান কৰে।

# বালিজুৰিৰ তেজালপট্টীৰ পৰা নিৰুদ্দেশ ১৩ বছৰীয়া কিশোৰ

## ইটাখোলা উপ-আৰক্ষী চকীত এজাহাৰ পৰিয়ালবৰ্গৰ



অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ২৬ অক্টোবৰ ঃ** নদুৱাৰৰ অন্তৰ্গত ইটাখোলা উপ-আৰক্ষী চকীৰ অধীনৰ বালিজুৰিৰ তেজালপট্টীৰ পৰা এজন ১৩ বছৰীয়া কিশোৰ নিৰুদ্দেশ হোৱা ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। যোৱা ১৭ ছেপ্টেম্বৰত তেজালপট্টী চাহ বাগিচাৰ খেলপথাৰত অনুষ্ঠিত ঝুমুৰ নৃত্য চাবলৈ যোৱাৰ পৰাই এই পৰ্যন্ত নিৰুদ্দেশ হৈ আছে কিশোৰজন। কিশোৰজন নিৰুদ্দেশ হোৱা সন্দৰ্ভত স্থানীয় ইটাখোলা উপ-আৰক্ষী চকীত এজাহাৰ দাখিল কৰিছিল যদিও আজিকোপতি কিশোৰটিৰ কোনো সন্ধান নোলোৱাত চিন্তিত হৈ পৰিছে পৰিয়ালবৰ্গ। উল্লেখ্য যে আজিৰ পৰা চাৰি বছৰ পূৰ্বে কিশোৰজনক গোৱালপাৰাৰ পৰা মোমায়েকে তেজালপট্টীলৈ আনি পঢ়া-শুনাকে ধৰি সম্পূৰ্ণ দায়িত্ব বহন কৰিছিল। কিশোৰজনৰ কিবা সম্ভেদ পালে স্থানীয় আৰক্ষীৰ লগতে ৬০০২৪৫০০৩৯ত যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে কিশোৰজনৰ পৰিয়ালবৰ্গই।

# মুখ্যমন্ত্ৰীৰ নিৰ্বাচনী প্ৰচাৰত

*এক পৃষ্ঠাৰ পৰা* সা-সুবিধা প্ৰদানৰ আশ্বাস দিয়াক লৈ প্ৰদেশ কংগ্ৰেছ নিৰ্বাচনী আয়োগৰ দ্বাৰস্থ হোৱাৰ পাছত আয়োগেও মুখ্যমন্ত্ৰীলৈ কাৰণ দৰ্শোৱাৰ জাননী প্ৰেৰণ কৰিছে। আয়োগৰ এই স্থিতিক প্ৰদেশ কংগ্ৰেছে আদৰণি জনাই কয় যে যিহেতু মুখ্যমন্ত্ৰীয়ে আচৰণ বিধি উলংঘাৰ প্ৰমাণ ভিডিঅ' ক্লিপবোৰত আছেই, গতিকে উত্তৰলৈ অপেক্ষা নকৰি উপ-নিৰ্বাচনৰ বাকী থকা দিনবোৰত মুখ্যমন্ত্ৰীক নিৰ্বাচনী প্ৰচাৰ কাৰ্যত নিষেধাজ্ঞা আৰোপ কৰিব লাগে।

প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষা ববিতা শৰ্মাই আজি এক প্ৰেছ বিবৃতিত কয় যে মুখ্যমন্ত্ৰী শৰ্মা অসমৰ মুৰব্বী। তেওঁ নিৰ্বাচনী আচৰণ বিধিক সন্মান প্ৰদৰ্শন কৰিব লাগে। তাৰ পৰিৱৰ্তে মুকলিকৈ নিয়ম উলংঘা কৰি এনেকুৱা ভাব প্ৰদৰ্শন কৰিছে যে শাসক পক্ষই কোনো ব্যক্তিলৈ কেৰেপ নকৰে। লগতে ইয়াকো বুজাইছে যে তেওঁলোকে নিৰ্বাচন আয়োগ তথা আয়োগৰ নিয়মক সন্মান নকৰে।

# সমাজকৰ্মী জ্যোতিষী ভূপেন শৰ্মা বৰদলৈৰ পৰলোকপ্ৰাপ্তি

অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ২৬ অক্টোবৰ ঃ** মৰিগাঁও জিলাৰ জাগীৰোড অঞ্চলৰ বিশিষ্ট সমাজকৰ্মী, জ্যোতিষী ভূপেন শৰ্মা বৰদলৈ(৮৮)ৰ যোৱা নিশা বাৰ্ধক্যজনিত ৰোগত আক্ৰান্ত হৈ নিজা বাসভৱনত পৰলোক প্ৰাপ্তি ঘটে। ১৯৩৪ত জাগীৰোডত জন্মগ্ৰহণ কৰা শৰ্মা বৰদলৈয়ে অসম খাদী গ্ৰাম্য উদ্যোগ বিভাগত কাম কৰাৰ সমান্তৰালভাৱে সমাজ জীৱনটো জড়িত হৈ পৰে। এগৰাকী জ্যোতিষী হিচাপে খ্যাতি লাভ কৰা শৰ্মা বৰদলৈয়ে মৃত্যুৰ আগমুহূৰ্তলৈকে জ্যোতিষ শাস্ত্ৰত মনোনিবেশ কৰিছিল। জাগীৰোড অঞ্চলৰ বহু কেইটা ধৰ্মীয় আৰু সামাজিক অনুষ্ঠানৰ লগত জড়িত বৰদলৈয়ে মৃত্যুৰ সময়ত পত্নী নিৰু দেৱীৰ লগতে তিনি পুত্ৰ আৰু এগৰাকী কন্যা ইহসংসাৰত এৰি যায়। অঞ্চলটোত ধৰ্মপ্ৰাণ ব্যক্তি হিচাপে পৰিচিত ব্যক্তিজনৰ মৃত্যুত সমগ্ৰ জাগীৰোড অঞ্চলত গভীৰ শোকৰ ছাঁ পৰে।

# শিংৰা-বৰথাহ মনসা পূজাৰ ৰূপালী জয়ন্তীৰ সামৰণি

অগ্ৰদূত বাৰ্তা

**কৰ্নিহা, ২৬ অক্টোবৰ ঃ** 'মনসা দেৱীচেয় নিজকে দেৱী ৰূপে প্ৰতিষ্ঠা লাভ কৰিবলৈ যথেষ্ট সংগ্ৰাম কৰিবলগীয়া হৈছিল। মনসা দেৱীৰ দৃঢ়তা সঁচাকৈয়ে অনুকৰণীয়। পাচালী কবিসকলৰ হাতত মনসাদেৱীয়ে পূৰ্ণতা লাভ কৰিছে।' এই মন্তব্য পুঠিমাৰী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপিকা ড° প্ৰণতি তালুকদাৰৰ। কামৰূপ জিলাৰ শিংৰা-বৰথাহ শ্ৰীশ্ৰী মনসা পূজাৰ ৰূপালী জয়ন্তী মহোৎসৱৰ আজি সন্ধিয়া অনুষ্ঠিত মুকলি সভাত স্মৰণিকা 'পদ্মাৱতী' উন্মোচন কৰি তেওঁ এইদৰে কয়। বিহদিয়া আঞ্চলিক হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক গতিৰাম চৌধুৰীৰ সভাপতিত্বত অনুষ্ঠিত সভাত পানীটেমাৰ ৰাজ্যিক বঁটা প্ৰাপক অৱসৰপ্ৰাপ্ত কৃতি শিক্ষক হলিৰাম কলিতাই 'পাচালি সাহিত্যত মনসা দেৱী' সম্পৰ্কে বহলাই ব্যাখ্যা দাঙি ধৰে। সভাত বিশিষ্ট অতিথি হিচাপে বড়িগোগ হাজো উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত ভাৰপ্ৰাপ্ত অধ্যক্ষ জ্যোতিষ চন্দ্ৰ ডেকাই অংশ গ্ৰহণ কৰে। ভূপেন্দ্ৰ সংগীতেৰে আৰম্ভ কৰা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে পৰিচালনা সমিতিৰ সম্পাদক ধীৰেন ডেকাই। নিশাৰ ভাগত সাংস্কৃতিক অনুষ্ঠান পৰিবেশিত হয় ইয়াৰ পাছত তিনিদিনীয়া ৰূপালী জয়ন্তী মহোৎসৱৰ সামৰণি পৰে।

## মহকুমা চিকিৎসা বিষয়া ডাঃ ছৈয়দ মইনুল হক ক'ভিডত আক্ৰান্ত

# দুবছৰে ক'ভিড যোদ্ধা চিকিৎসকৰ খবৰ ল'বলৈ আহৰি নাই নলবাৰী প্ৰশাসনৰ

বিশেষ সংবাদদাতা

**নলবাৰী, ২৬ অক্টোবৰ ঃ** সুদীৰ্ঘ দুবছৰে সন্মুখৰ পৰা ক'ভিডৰ স'তে যুঁজ কৰি ৰাইজৰ সেৱাত ব্ৰতী হোৱা এজন চিকিৎসা বিষয়া অৱশেষত নিজে আক্ৰান্ত হ'ল ক'ভিড ১৯ত। কিন্তু আজি এই চিকিৎসা বিষয়াজন ক'ভিডত আক্ৰান্ত হোৱাৰ পাছত মানসিকভাৱে ভাঙি পৰিছে আন এটি বিশেষ কাৰণত। নলবাৰী জিলাৰ চামতা প্ৰাথমিক চিকিৎসা বিষয়া চৈয়দ মইনুল হক ক'ভিডত আক্ৰান্ত হোৱাৰ পাছত বিভাগীয় কৰ্তৃপক্ষৰ লগতে নলবাৰী জিলা প্ৰশাসনে কোনো বিশেষ ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ পশ্চিম নলবাৰীৰ একাংশ শুভাকাংক্ষীৰ লগতে পৰিয়ালৰ। উল্লেখ্য যে চিকিৎসা বিষয়া চৈয়দ মইনুল হক যোৱা ১৬ অক্টোবৰত ক'ভিডত আক্ৰান্ত হোৱাৰ পাছত নলবাৰীস্থ ছহিদ মুকুন্দ কাকতি অসামৰিক চিকিৎসালয়ত সাতদিন থকাৰ পাছত সুস্থ হোৱাত ঘৰলৈ আহে। কিন্তু পুনৰ যোৱা ২২ অক্টোবৰত চিকিৎসা বিষয়াজনে ক'ভিডত আক্ৰান্ত হোৱাৰ পাছত সংকটজনক অৱস্থাত গুৱাহাটীৰ মেডিচিটি হাস্পতালত ভৰ্তি কৰোৱা হয়। কিন্তু



কিছুদিন ধৰি সংকটজনক অৱস্থাত আইচিইউত চিকিৎসা বিষয়াজন থকাৰ পাছত এতিয়া বিপদমুক্ত যদিও সম্পূৰ্ণ সুস্থ হোৱা নাই। এজন চিকিৎসকে ৰাইজৰ সেৱাত অহৰ্নিশে ব্যস্ত থকাৰ পাছত বিষয়াজন বিভাগীয় কৰ্তৃপক্ষৰ পৰা এলাগী হোৱা ঘটনাই সমগ্ৰ পশ্চিম নলবাৰী অঞ্চলতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

# নিযুক্তিপত্ৰ অবিহনেই আদানিয়ে

*এক পৃষ্ঠাৰ পৰা* দৰমহা পাব অথবা তেওঁলোকৰ চাকৰি কিমান দিনৰ হ'ব।

উল্লেখ্য যে যোৱা সাত অক্টোবৰৰ আগমুহূৰ্তলৈকে বিমানকোঠৰ পাৰ্কিঙৰ ব্যৱস্থাপনাৰ দায়িত্ব নিবিদাৰ জৰিয়তে সংগীতা দত্তই লাভ কৰি আহিছিল। পৰিস্থিতি সাপেক্ষে সংগীতা দত্তই কেতিয়াবা ১৮ মাহৰ কাৰণে আৰু কেতিয়াবা ৩৬ মাহ পৰ্যন্তলৈ ঠিকাভিত্তিত পাৰ্কিঙৰ ব্যৱস্থাপনাৰ দায়িত্ব লাভ কৰি আহিছিল। সেয়েহে পাৰ্কিঙৰ নিৰাপত্তাৰক্ষীসকলক দত্তৰ ঠিকাদাৰী প্ৰতিষ্ঠানে ঠিকাভিত্তিক নিযুক্তি দি আহিছিল। নাম প্ৰকাশত অনিচ্ছুক যোৱা আঠ অক্টোবৰৰ পৰা আদানি গ্ৰুপৰ মালিকানাধীন 'মডাৰ্ণ ফেচিলিটিছ মেনেজমেন্ট প্ৰাইভেট লিমিটেডৰ অধীনত কৰ্মৰত এগৰাকী নিৰাপত্তাৰক্ষীয়ে কয়, 'আমাক এতিয়া নতুনকৈ ইউনিফৰ্ম দিছে। পৰিচয়পত্ৰও দিছে। আমাক কোৱা হৈছে যে আমি আঠ অক্টোবৰৰ পৰা আদানি গ্ৰুপৰ কৰ্মচাৰী; কিন্তু আমাৰ হাতত একো প্ৰমাণ নাই। আমাক নিযুক্তিপত্ৰ দিয়া নাই। গতিকে আমি কিমান দৰমহা পাম বা আমাৰ চাকৰি কিমান দিন থাকিব আমি একো নাজানো।' নাম প্ৰকাশত অনিচ্ছুক আন এগৰাকী নিৰাপত্তাৰক্ষীয়ে কয়, 'কিহৰ চৰ্ত বা চুক্তিত আমাক আদানি গ্ৰুপে নিযুক্তি দিছে বা নিয়ম-নীতি কি আমি একোৱেই নাজানো। আমি বৰ্তমান ৩৭ জন নিৰাপত্তাৰক্ষী পাৰ্কিং ব্যৱস্থাপনাৰ দায়িত্বত আছো। দায়িত্ব পালন কৰিব লাগে। কৰি আছো। তাৰ বাহিৰে একো কথা নাজানো অথবা আমাক জনোৱাও হোৱা নাই।' নিৰাপত্তাৰক্ষীসকলে 'দৈনিক অগ্ৰদূত'ৰ আগত প্ৰকাশ কৰা অনুসৰি পৰ্যায়ক্ৰমে আদানি গ্ৰুপে বিমানকোঠৰ ব্যৱস্থাপনাৰ কৰ্মচাৰীসকলক নিজৰ অধীনলৈ নিছে যদিও সকলো নিয়ম, ব্যৱস্থাপনা আদি পূৰ্বৰ দৰেই অব্যাহত ৰাখিছে যদিও অনতিপলমে নতুন নিৰ্দেশনা অহাৰ সম্ভাৱনা আছে।

বিমানকোঠ প্ৰাংগণত পাৰ্কিঙৰ বাবদ পূৰ্বৰ দৰেই এতিয়াও প্ৰথম ৩০ মিনিটত ৩০ টকা, এঘণ্টালৈ চাৰিচকীয়া (নন্ এচি) বাহনত ৮৫ টকা, আৰু (এচি) এশটকা আৰু অতিৰিক্ত প্ৰতি ঘণ্টাত ২০ টকা ভাড়া লোৱা হয়।

# ৰাজ্যত প্ৰতিষেধক-মাস্ক

*এক পৃষ্ঠাৰ পৰা* স্থানত প্ৰতি ঘণ্টাত ছজন সম্পূৰ্ণৰূপে প্ৰতিষেধকপ্ৰাপ্ত লোকৰ সমাবেশত অনুমতি দিয়াৰ লগতে অন্যান্য ধৰ্মীয় অনুষ্ঠানত প্ৰতি ঘণ্টাত সম্পূৰ্ণৰূপে প্ৰতিষেধকপ্ৰাপ্ত ৪০জন পৰ্যন্ত সমবেত হ'ব পাৰিব। তদুপৰি সকলোৱে ক'ভিডৰ প্ৰতিষেধক গ্ৰহণ কৰা হ'ব লাগিব। উল্লেখ্য যে ক'ভিডৰ প্ৰতিষেধক গ্ৰহণ সকলো ক্ষেত্ৰতে বাধ্যতামূলক কৰা হৈছে। আজিৰ নিৰ্দেশনাৰ জৰিয়তে চিত্ৰগৃহসমূহো ৫০ শতাংশ আসনৰে আৰু প্ৰতিষেধক লোৱা দৰ্শকৰে চলাবলৈ অনুমতি দিয়া হৈছে। ইপিনে, কণ্টেইনমেণ্ট জ'নৰ ক্ষেত্ৰত উল্লেখ কৰা হৈছে যে সাতদিনৰ ভিতৰত কোনো এটা অঞ্চলত ১০জনতকৈ অধিক লোক আক্ৰান্ত হ'লেই উক্ত অঞ্চলটোত কণ্টেইনমেণ্ট জ'ন ঘোষণা কৰা হ'ব। ৰাজহুৱা পৰিবহণ ব্যৱস্থাৰ ক্ষেত্ৰত আজি নিৰ্দেশনাত কোনো বাহনে আসনতকৈ অতিৰিক্ত যাত্ৰী কঢ়িয়াব নোৱাৰিব বুলি উল্লেখ কৰা হৈছে। মাস্কৰ ব্যৱহাৰ ৰাজহুৱা স্থানত বাধ্যতামূলক কৰা হৈছে।

# ধৰ্ষণ-হত্যাৰ অপৰাধীক গ্ৰেপ্তাৰৰ

*এক পৃষ্ঠাৰ পৰা* বিচাৰি প্ৰতিবাদকাৰীসকলে বিভিন্ন শ্ল'গানেৰে ৰাজপথ উত্তাল কৰি তোলে। আছু, আছা আৰু এবছুৰ নেতৃত্বত বৃহৎ দলে হত্যাৰ বলি হোৱা যুৱতীগৰাকীৰ ঘৰৰ পৰা বাগানপাৰাৰ ৰাজপথেৰে সমদল কৰি উত্তাল পৰিৱেশ সৃষ্টি কৰে। ভুক্তভোগী যুৱতীৰ ন্যায় লাগে, হত্যাকাৰীক গ্ৰেপ্তাৰ কৰক আদি বিভিন্ন শ্ল'গান দিয়ে প্ৰতিবাদকাৰীসকলে। পৰহি বাগ্‌সা জিলাৰ বাগনপাৰা আৰক্ষী চকীৰ অন্তৰ্গত উত্তৰপাৰাত ২২ বছৰীয়া যুৱতীগৰাকীক দলবদ্ধ ধৰ্ষণ কৰি হত্যা কৰা হৈছিল। পিছদিনা ধাননি পথাৰত তেওঁৰ মৃতদেহ উদ্ধাৰ হোৱাত চাঞ্চল্যৰ সৃষ্টি হয়। এই পৰ্যন্ত আৰক্ষীয়ে এজনো অভিযুক্তক কৰায়ত্ত কৰিবলৈ সক্ষম নোহোৱাত আজি তিনিটা সংগঠনৰ নেতৃত্বত ৰাজপথত নামিবলগীয়া হয় স্থানীয় ৰাইজ।

আছাৰ সাংগঠনিক সম্পাদক ডেভিদ তিৰ্কীয়ে অতি শীঘ্ৰে দোষীক কৰায়ত্ত কৰি ভুক্তভোগী পৰিয়ালক ন্যায় প্ৰদান কৰিবলৈ দাবী জনাইছে। বাগানপাৰা আঞ্চলিক ছাত্ৰ সন্থায়ো একে দাবী উত্থাপন কৰে। ইপিনে, বাগানপাৰা আঞ্চলিক বড়ো সাহিত্য সভা আৰু মহিলা সংগঠন বাগানপাৰা আঞ্চলিক আবৌফৰ এটি দলে ভুক্তভোগী পৰিয়ালটোৰ খা-খবৰ লৈ দোষীক গ্ৰেপ্তাৰ কৰি উপযুক্ত শাস্তি দিবলৈ প্ৰশাসনক দাবী জনায়।

# বাংলাদেশলৈ প্ৰেৰণৰ বাবে সাজু

*এক পৃষ্ঠাৰ পৰা* গৰু প্ৰেৰণ অব্যাহত ৰাখিছে। ইয়াৰ মাজতে বাংলাদেশলৈ প্ৰেৰণৰ বাবে সাজু কৰা ১৩টা গৰু আজি বিলাসীপাৰা মহকুমা আৰক্ষী আৰু নয়াহাট আৰক্ষীয়ে শৌলমাৰী, চাটাপাৰা আদি অঞ্চলৰ পৰা জব্দ কৰে। অৱশ্যে কোনো লোকক আৰক্ষীয়ে আটক কৰিবলৈ সক্ষম নহ'ল। তথ্য অনুসৰি, চোৰাং ব্যৱসায়ী তথা ছিণ্ডিকেট চক্ৰই শ্ৰমিকৰ হতুৱাই এটা-দুটাকৈ নি গৰুবোৰ কোনো চৰত একগোট কৰে। তাৰ পাছত নদীপথেৰে বাংলাদেশলৈ প্ৰেৰণ কৰে।

# আণ্টিমা গুপ্তাৰ হত্যাকাণ্ড ঃ ধৃত দেৱযানীক ন্যায়িক জিম্মালৈ

*এক পৃষ্ঠাৰ পৰা* ২০ অক্টোবৰৰ বিয়লি পশ্চিম বৰাগাঁৱৰ চন্দন গগৈ পথৰ নিবাসী সন্তোষ গুপ্তাই পত্নী আণ্টিমা গুপ্তাক বিচাৰি নাপাই গড়চুক থানাত নিৰুদ্দেশৰ এক অভিযোগ দাখিল কৰিছিল। ২২ অক্টোবৰৰ নিশা বাসগৃহটোৰ গাতে লাগি থকা ভাড়াতীয়া অভিজিৎ দাসৰ পাকঘৰৰ পৰা আণ্টিমাৰ মৃতদেহ উদ্ধাৰ কৰিছিল আৰক্ষীয়ে। গড়চুক থানাৰ ৭০১/২০২১ নম্বৰৰ গোচৰটোৰ তদন্ত প্ৰক্ৰিয়া আৰক্ষীয়ে আৰম্ভ কৰাৰ পৰৱৰ্তী পৰ্যায়ত অভিজিতৰ পত্নী দেৱযানীয়ে আণ্টিমাক হত্যা কৰা বুলি আৰক্ষীৰ জেৰাত স্বীকাৰ কৰাৰ পাছত ধৃত মহিলাগৰাকীক আদালতে তিনিদিনৰ বাবে আৰক্ষী জিম্মালৈ প্ৰেৰণ কৰে। কালি আৰক্ষীয়ে ঘটনাস্থলীত ধৃত মহিলাগৰাকীক লৈ ঘটনাৰ পুনৰ্নিৰ্মাণ কৰাৰ লগতে জিম্মা শেষ হোৱাত আজি আদালতত হাজিৰ কৰে। আদালতে দেৱযানীক ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। উল্লেখ্য যে দেৱযানী আৰু স্বামী সন্তোষৰ গোপন সম্পৰ্ক থকাৰ সন্দেহতে লক্ষ্মী পূজাৰ দিনটোত আণ্টিমা আৰু দেৱযানীৰ মাজত কাজিয়াৰ সূত্ৰপাত হৈছিল। দেৱযানীৰ ভাড়াঘৰত সংঘটিত এই কাজিয়াৰ প্ৰথম অৱস্থাত দুয়োৰে মাজত চুলিয়া-চুলি, কামোৰা-কামুৰি হৈছিল যদিও দেৱযানীয়ে মছলা গুৰি কৰা লোহাৰ মাৰিৰে আণ্টিমাৰ মূৰত প্ৰহাৰ কৰাত তেওঁৰ থিতাতে মৃত্যু হয়। উল্লেখ্য যে দিনৰ প্ৰায় ১১-৩০ বজাত সংঘটিত এই ঘটনাৰ পাছতে মৃতদেহটো পাকঘৰত গেছ টেবুলৰ চেম্বাৰত লুকুৱাই থৈছিল দেৱযানীয়ে। ইয়াৰ পাছতে আণ্টিমাৰ ম'বাইলটো লৈ দেৱযানীয়ে ঘটনাটো অপহৰণৰ ৰূপ দিয়াৰ চেষ্টাৰে আণ্টিমাৰ স্বামী সন্তোষলৈ ধনদাবী কৰি বাৰ্তা প্ৰেৰণ কৰিছিল। ঘটনাৰ পাছদিনা দেৱযানীৰ স্বামী অভিজিতে মৃতদেহটো প্ৰত্যক্ষ কৰাৰ পাছতে এই সমগ্ৰ ঘটনা পোহৰলৈ আহে আৰু স্বামীৰ হেঁচাত থানালৈ গৈ দেৱযানীয়ে মৃতদেহটো তেওঁলোকৰ ঘৰত থকা বুলি স্বীকাৰ কৰে। অৱশ্যে প্ৰথম অৱস্থাত দেৱযানীয়ে আৰক্ষীক বিপথে পৰিচালিত কৰিবলৈ চেষ্টা কৰিছিল যদিও পাছত হত্যাৰ কথা স্বীকাৰ কৰে।

# এমাহতে অচিন ৰোগত ধলপুৰত উচ্ছেদিত তিনিটিকৈ

*এক পৃষ্ঠাৰ পৰা* কথাবোৰ কৈ গৈছিল। বাঁহনিৰ তলত থকা এখন কাঠৰ বেঞ্চৰ ওপৰত বাওঁ ভৰি তুলি আৰু ভৰিৰ আঁঠুৰ ওপৰত বাওঁ হাতখন থৈ দীঘল দাড়ি কোছাত আঙুলি বুলাই আলীয়ে পুনৰ ক'লে, 'উচ্ছেদৰ পাছত মানুহবোৰ খুব বেমাৰত পৰিছে। বিশেষকৈ ঘৰে ঘৰে শিশুৰ বেমাৰ হৈছে। মাত্ৰ যোৱা এমাহত তিনিটাকৈ শিশুৰ অকাল মৃত্যু হৈছে। কি হৈছে আমি একো ধৰিব পৰা নাই। বাহিৰলৈ যাবলৈ কোনো বাট-পথ নাই। গতিকে ডাক্তৰৰ ওচৰতো যাব পৰা নাই, ঔষধ ল'বলৈও যাব পৰা নাই। ধলপুৰত আমাক মাৰিলে, এতিয়া পিছে আমি নিজে নিজে মৰি আছো।' কথাবোৰ কৈ কৈ ছালাম আলীয়ে বহু সময় তলমূৰ কৰি বহি থাকিল। আচলতে চকু পানী ওলাবলৈ ধৰাত আলীয়ে নিজকে নিয়ন্ত্ৰণ কৰাৰ চেষ্টাৰে মৌনতা অৱলম্বন কৰিছিল।

উল্লেখ্য যে যোৱা ২০ আৰু ২৩ ছেপ্টেম্বৰৰ ৰক্তাক্ত উচ্ছেদ অভিযানৰ পৰৱৰ্তী সময়ত পূৰ্বৰ এক নম্বৰ ধলপুৰৰ বাসিন্দা তথা উচ্ছেদৰ বলি হৈ বৰ্তমান ভেটিৰ বজাৰ নামে এক বালিচৰত অস্থায়ীভাৱে আশ্ৰয় লৈ থকা ৰহিমুদ্দিনৰ চাৰিমহীয়া পুত্ৰ মুজিবৰ ৰহমান, ছাহজাহান আলীৰ দুমহীয়া পুত্ৰ ৰাইহান আলী আৰু আকাশ আলীৰ নমহীয়া কন্যা আখলিনা খাতুন অচিন ৰোগত আক্ৰান্ত হৈ মৃত্যুমুখত পৰে।

উচ্ছেদৰ দিন ধৰি ভেটিৰ বজাৰত অস্থায়ীভাৱে আশ্ৰয় লৈ থকা মৃত দুমহীয়া ৰাইহান আলীৰ পিতৃ শ্বাহজাহান আলীয়ে 'দৈনিক অগ্ৰদূত'ৰ আগত কয়, 'উচ্ছেদিতসকলৰ প্ৰায় প্ৰতিটো পৰিয়ালৰে শিশুসকল এতিয়া জ্বৰ, কাহ আদিত আক্ৰান্ত হৈছে। গাখীৰ নাখায়, ডাঙৰবিলাকেও ভাত খাব নোখোজে। অনবৰতে কান্দি থাকে। কোনোবা শিশু খুব খীণাইছে। আন কোনোবাটোৰ পেট ফুলিছে। চিকিৎসালয়লৈ যাবলৈও বাট-পথ নাই। চকুৰ আগতে বেমাৰ হৈছে। চকুৰ আগতে মৰিবলৈ দিয়া হৈছে। মৰাটো মৰিল। জীয়াই থকা শিশুসকলক কেনেকৈ ৰক্ষা কৰিম তাৰেই চিন্তাত আতংকিত হৈ দিন-ৰাতি পাৰ কৰিছো।'

তাৎপৰ্যপূৰ্ণ যে যোৱা ২০ আৰু ২৩ ছেপ্টেম্বৰত দৰং জিলা প্ৰশাসনৰ উচ্ছেদৰ বলি হৈ এক নম্বৰ, দুই নম্বৰ আৰু তিনি নম্বৰ ধলপুৰৰ প্ৰায় এহেজাৰৰো বেছি পৰিয়াল গৃহহীন হৈছিল। মাথোঁ কেইঘণ্টামান আগতে জাননী দি বৃহৎসংখ্যক নিৰাপত্তাৰক্ষী নিয়োগ কৰি চলোৱা উক্ত দুদিনৰ ৰক্তাক্ত উচ্ছেদ অভিযানত বহু পৰিয়ালে নিজৰ সম্পত্তি ৰক্ষা কৰিব নোৱৰাৰ উপৰি আন বহুতে ন্যূনতম প্ৰয়োজনীয় সামগ্ৰীৰ লগতে পিন্ধা কাপোৰ-কানিও বচাব নোৱাৰিলে। ফলত থকা ঘৰখনকে ধৰি, খোৱা-পিন্ধা সকলো সামগ্ৰীৰ নাটনিত ভুগিছে উচ্ছেদিতসকল। উচ্ছেদিতসকলৰ কেইজনমানে কয় যে অতি সম্প্ৰতি দৰং জিলা স্বাস্থ্য বিভাগৰ কেইগৰাকীমান স্বাস্থ্যকৰ্মীয়ে আহি ভেটিৰ বজাৰৰ গৃহহীনসকলৰ মাজত কৰ'না প্ৰতিষেধক দিয়াৰ উপৰি 'পেৰাচিটামল', 'এলবানজেছল' আৰু 'পেণ্টাপ্ৰাজল' জাতীয় ঔষধ বিতৰণ কৰিছে যদিও এয়া তেনেই নিয়মমাফিক। পদ্ধতিগতভাৱে কোনো ৰোগী বা শিশুৰ স্বাস্থ্য পৰীক্ষা কৰা হোৱা নাই।

নাম প্ৰকাশত অনিচ্ছুক সেইসকলে কয়, 'দুদিনমান আগত দুগৰাকী নাৰ্ছ আহিছিল। কৰ'না প্ৰতিষেধক দিলে আৰু কেইটামান টেবলেট বিলাই গ'লগৈ। বহুতে কিহৰ টেবলেট কি কাৰণে দিছে নজনা হেতুকে ভয়ত খোৱা নাই। কিবা প্ৰকাৰে এজন হ'লেও চিকিৎসক অহা হ'লে আচলতে আমাৰ ইয়াত কি ৰোগৰ প্ৰাদুৰ্ভাৱ হৈছে গম পালোহেঁতেন।' ভেটিৰ বজাৰৰ উচ্ছেদিতসকলে অভিযোগ উত্থাপন কৰা মতে, অসম চৰকাৰৰ প্ৰস্তাৱিত গৰুখুঁটি কৃষি প্ৰকল্পৰ মাজেৰে অহা-যোৱা কৰাত বাধা আৰোপ কৰা কাৰণেও স্বাস্থ্যকৰ্মীসকলে ভেটিৰ বজাৰলৈ আহিব নোখোজে। কেনেবাকৈ আহিলেও কৃষি প্ৰকল্পৰ কৰ্মচাৰীৰ হেঁচাত স্বাস্থ্যকৰ্মীসকলে মাথোঁ এঘণ্টামান থাকি যিমান সোনকালে পাৰে ভেটিৰ বজাৰ ত্যাগ কৰে বুলিও উচ্ছেদিতসকলে অভিযোগ কৰে।

ইয়াৰ বিপৰীতে ধলপুৰৰ কৃষি প্ৰকল্পৰ কাম পূৰ্ণগতিত চলি আছে। ইতিমধ্যে প্ৰকল্পস্থলীৰ সোঁমাজত এটা নামঘৰ প্ৰতিষ্ঠা কৰা হৈছে। পূৰ্বৰ এক নম্বৰ, দুই নম্বৰ আৰু তিনি নম্বৰ ধলপুৰৰ সকলো ৰেহৰূপ সলনি কৰি এতিয়া শস্য-শ্যামলা হৈ উঠিছে গৰুখুঁটি কৃষি প্ৰকল্প।

অতি সম্প্ৰতি ব্ৰহ্মপুত্ৰৰ সুঁতিয়ে ভাগ কৰা ইটোপাৰত চলিছে সেউজীয়া সপোন ৰচাৰ আখৰা আৰু সিটোপাৰত প্ৰতিধ্বনিত হৈ আছে মৃত্যুৰ কিৰীলি। মাথোঁ ১০ মিটাৰ বহল সুঁতিয়ে বিভক্ত কৰা ধলপুৰত হাঁহি আৰু প্ৰাপ্তিৰ কিলবিলনি আৰু ভেটিৰ বজাৰত আপোনজনক হেৰুওৱাৰ বিননি!

# প্ৰভাৱশালী বিষয়া-আৰক্ষীক সুৰক্ষা দি ততাতৈয়াকৈ

*এক পৃষ্ঠাৰ পৰা* দিছপুৰৰ ঘনিষ্ঠ আমোলা-আৰক্ষী বিষয়াক সম্পূৰ্ণ সুৰক্ষা প্ৰদান কৰা হ'ল। আজি পৰ্যন্ত দিছপুৰ আৰক্ষীয়ে উল্লেখিত প্ৰভাৱশালী লোকসকলক তলব কৰিব নোৱাৰিলে। কাৰ হেঁচাত দিছপুৰ আৰক্ষীয়ে ৰাজ্যজুৰি তুমুল চাঞ্চল্যৰ সৃষ্টি কৰা এনে এক গোচৰৰ স'তে জড়িত হৈ পৰা একাংশক তদন্তৰ আওতাৰ পৰা বাহিৰত ৰাখিলে সেয়া এক বৃহৎ প্ৰশ্ন। উল্লেখ্য যে ক'ভিড প্ৰট'কল আৰু ড্ৰাইডে ভংগ কৰি পহিলা অক্টোবৰৰ নিশা তাজ ভিভাণ্টাত শীৰ্ষ আমোলা-বিষয়াৰ উপস্থিতিত সাধনীদাৰৰ কন্যাৰ জন্মদিন উদ্‌যাপনৰ 'নৈশ পাৰ্টি' কৰি সুৰামত্ত হৈ ঘৰলৈ ওভতাৰ পথত এক ভয়ংকৰ দুৰ্ঘটনা সংঘটিত কৰিছিল ৰাজকন্যাই। ইয়াৰ পাছতে পাৰ্টিত অংশগ্ৰহণ কৰা শীৰ্ষ আমোলা-বিষয়াৰ হেঁচাত দিছপুৰ আৰক্ষীয়ে দুৰ্ঘটনাৰ প্ৰথমটো গোচৰত এইসকল প্ৰভাৱশালী লোকক ৰক্ষণাবেক্ষণ দি জামিনযুক্ত ধাৰা সন্নিবিষ্ট কৰাত একেদিনাই আঠজনকৈ শ্ৰমিকক ঘুণীয়া কৰা ৰাজকন্যাই জামিন লাভ কৰি মুকলি আকাশৰ তললৈ আহিছিল। ইয়াৰ পাছতে তেওঁক নাটকীয়ভাৱে জিএনআৰচি হাস্পতালৰ আইচিইউত ভৰ্তি কৰোৱা হৈছিল। এই ঘটনাক কেন্দ্ৰ কৰি ৰাজ্যজুৰি মহানগৰ আৰক্ষী ব্যাপক সমালোচনৰ সন্মুখীন হোৱাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই হস্তক্ষেপ কৰিবলগীয়া পৰিস্থিতিৰ উদ্ভৱ হয়। এই পৰিপ্ৰেক্ষিতত সৃষ্টি হোৱা হেঁচাৰ ফলতে যোৱা ছয় অক্টোবৰত জিএনআৰচি হাস্পতালৰ পৰাই ৰাজকন্যাক পুনৰ দিছপুৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে আৰু আদালতে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। ৰাজ্যৰ ভিতৰতে অন্যতম গুৰুত্বপূৰ্ণ দিছপুৰ থানাত উপযুক্ত ধাৰা আৰোপ নোহোৱাক কেন্দ্ৰ কৰি ৰাজ্যজুৰি সমালোচনাৰ পাত্ৰ হোৱাৰ পাছত আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্তই স্বীকাৰ কৰিবলৈ বাধ্য হয় যে গোচৰটোত উপযুক্ত ধাৰা আৰোপ কৰা হোৱা নাছিল। এই ঘটনাই নিশ্চিতভাৱে অসম আৰক্ষীৰ ভিতৰচ'ৰাত চলি থকা অনিয়ম ফাদিল কৰিলে বুলি সাধাৰণ ৰাইজৰ মাজতো চৰ্চা অব্যাহত আছে। আৰক্ষী সঞ্চালকপ্ৰধান মহন্তই সংবাদ মাধ্যমত প্ৰকাশ কৰা ভাষ্যতে স্পষ্ট হৈ পৰে যে তেওঁ উপযুক্ত ধাৰা আৰোপৰ বাবে দিছপুৰ আৰক্ষীলৈ নিৰ্দেশ প্ৰেৰণ কৰিছিল যদিও ৰহস্যজনকভাৱে আৰক্ষী সঞ্চালকপ্ৰধানৰ এই নিৰ্দেশক অংগুষ্ঠ প্ৰদৰ্শন কৰি গোচৰটোত জামিনযোগ্য ধাৰা সন্নিবিষ্ট কৰা হৈছিল। পৰৱৰ্তী সময়ত গোচৰ পঞ্জীয়ন কৰা আৰু তদাৰক কৰা দুজন আৰক্ষী উপ-পৰিদৰ্শকক বলিৰ পঠা সজাই তেওঁলোকৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা হয়। ৰাজ্যৰ আৰক্ষীৰ মুৰব্বীৰ নিৰ্দেশ কাৰ হেঁচাত দিছপুৰ আৰক্ষীয়ে ওলাই কৰিলে সেয়া এতিয়াও সাঁথৰ হৈ আছে। ইপিনে, ৰাজকন্যা অসুস্থ বুলি চিকিৎসাৰ ভুৱা তথ্য যোগান ধৰা জিএনআৰচি হাস্পতালৰ চিকিৎসক ডাঃ নৱনীল বৰুৱাকো এই গোচৰত তিনিদিন জেৰাৰ অন্তত গ্ৰেপ্তাৰ কৰা হৈছিল। সমান্তৰালভাৱে ক'ভিড প্ৰট'কল ভংগ কৰি নৈশ পাৰ্টিৰ অনুষ্ঠিত কৰা হোটেল তাজ ভিভাণ্টাও তদন্তৰ আওতালৈ আহিব বুলি আৰক্ষী সঞ্চালক প্ৰধানে সদৰী কৰিছিল যদিও আজি পৰ্যন্ত হোটেল কৰ্তৃপক্ষ আৰু সাধনীদাৰক কিয় এবাৰো দিছপুৰ থানালৈ তলব কৰা নহ'ল সেই বিষয়টো সম্প্ৰতি ৰহস্যৰ আৱৰ্তত। তাৰ মাজতে আজি দিছপুৰ আৰক্ষীয়ে এই গোচৰৰ অভিযোগনামা আদালতত দাখিল কৰে যদিও এই অভিযোগনামাত কি আছে সেই সন্দৰ্ভত দিছপুৰ আৰক্ষীক মুখ বন্ধ ৰাখিবলৈ নিৰ্দেশ দিছে শীৰ্ষ বিষয়াই।বৰমূৰীয়াৰ ৰোষত পৰাৰ ভয়ত ৰাজকন্যাৰ গোচৰৰ সন্দৰ্ভত এটা শব্দও উচ্চাৰণ কৰা নাই দিছপুৰ আৰক্ষীৰ লগতে মহানগৰ আৰক্ষীৰ শীৰ্ষ বিষয়াই। ক'ভিড প্ৰট'কল আৰু ড্ৰাইডেৰ নিৰ্দেশ ভংগ কৰি কিয় নৈশ পাৰ্টি আয়োজন কৰিছিল এই সন্দৰ্ভত কামৰূপ জিলা প্ৰশাসনে হোটেল তাজ ভিভাণ্টাক প্ৰেৰণ কৰা কাৰণ দৰ্শোৱাৰ জাননীৰ উত্তৰ হোটেল কৰ্তৃপক্ষই দিয়া বুলি সদৰী কৰে মহানগৰ জিলাৰ উপায়ুক্ত বিশ্বজিৎ পেগুৱে। গোচৰটোত জিএনআৰচি হাস্পতাল তদন্তৰ আওতালৈ অহাৰ পাছত নৈশ পাৰ্টি অনুষ্ঠিত হোৱা হোটেল ভিভাণ্টা তদন্তৰ আওতালৈ নহাৰ বিষয়টোৱে ৰাজ্যজুৰি চৰ্চিত হোৱাত প্ৰশাসনে কাৰণ দৰ্শোৱাৰ জাননী প্ৰেৰণ কৰে। প্ৰথম অৱস্থাত প্ৰশাসনৰ এই জাননীৰ উত্তৰৰ বাবে হোটেল কৰ্তৃপক্ষই এসপ্তাহ সময় বিচাৰিছিল। নৈশ পাৰ্টিৰ চিচি টিভিৰ ফুটেজো পৰীক্ষা কৰা হৈছিল। সাত দিনৰ পাছত ভিভাণ্টা কৰ্তৃপক্ষই দিয়া উত্তৰত সন্তুষ্ট নোহোৱাত দ্বিতীয়খন জাননী প্ৰেৰণ কৰে প্ৰশাসনে। যোৱা শনিবাৰে হোটেল কৰ্তৃপক্ষই দ্বিতীয়খন জাননীৰ উত্তৰ দিয়া বুলি উপায়ুক্ত পেগুৱে সদৰী কৰি ইয়াৰ পৰীক্ষা কৰি থকা বুলি কয়। সমান্তৰালভাৱে এক ভিডিঅ' বাৰ্তাৰ জৰিয়তে নিজকে নিৰ্দোষী বুলি দাবী কৰি অহা তথা নৈশ পাৰ্টিৰ আয়োজক ঠিকাদাৰ সাধনীদাৰ আজিও তদন্তৰ আওতালৈ অহা নাই। সমগ্ৰ তদন্ত প্ৰক্ৰিয়াত বিভিন্ন সন্দেহৰ প্ৰশ্নৰ অৱতাৰণা কৰি কেৱল ৰাজকন্যাক দোষী সাব্যস্ত কৰি দিছপুৰৰ হেঁচাত হোটেল তাজ ভিভাণ্টা, সাধনীদাৰ আৰু পাৰ্টিত অংশ লোৱা শীৰ্ষ আমোলা-বিষয়াক ক্লীনচিট দি সমগ্ৰ বিষয়টোৰ অন্ত পেলাবলৈ দিছপুৰ আৰক্ষীয়ে চেষ্টা চলোৱাৰ অভিযোগ উঠিছে। পৰ্দাৰ আঁৰৰ প্ৰভাৱশালী লোকসকলক চিনাক্ত কৰাৰ সাহস দেখুৱাব পাৰিবনে আৰক্ষী সঞ্চালকপ্ৰধানে? এই প্ৰশ্ন ৰাইজৰ।

### কোন বিধায়কৰ ঘৰৰ পৰা টিফিন যায় ৰাজকন্যালৈ

সম্প্ৰতি গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰত বন্দী ৰাজকন্যালৈ দিছপুৰৰ বিধায়ক আবাসৰ পৰা দৈনিক টিফিন যায় বুলি বিস্ফোৰক অভিযোগ উত্থাপন কৰে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই। সমগ্ৰ ঘটনাত নাম সাঙোৰ খাই পৰা মন্ত্ৰী-বিধায়ক, শীৰ্ষ আমোলা-বিষয়াক ৰক্ষণাবেক্ষণ দিয়াৰ এক চেষ্টা চলিছে বুলি সভাপতি বৰাই অভিযোগ কৰি কয়, 'বিজেপি চৰকাৰৰ দিনত যে খেনোক দেখি ৰান্ধো বাঢ়ো-খেনোক দেখি দুৱাৰ বান্ধো নীতি এই ঘটনাই পুনৰবাৰ স্পষ্ট কৰি দিছে। যেতিয়া ঘটনাত বিজেপিৰ লোক জড়িত থাকিব তেতিয়া সেইখন আইন বেলেগ আৰু যেতিয়া সৰ্বসাধাৰণ ৰাইজ জড়িত থাকিব সেইখন আইনো পৃথক বুলি তেওঁ উল্লেখ কৰি কয়, 'ৰাজপথত হেলমেট নিপিন্ধিলে আৰক্ষীয়ে ধৰে আৰু কোনোবাই মানুহৰ গাৰ ওপৰেৰে গাড়ী চলাই দিলেও আৰক্ষী সঞ্চালকপ্ৰধানে চিকিৎসকক কয়, 'আইচিইউত ভৰাই দিয়ক। এগৰাকী সুৰামত্ত যুৱতীয়ে দুৰ্ঘটনা সংঘটিত কৰি শ্ৰমিকক ঘুণীয়া কৰাৰ পাছত ৰক্ষণাবেক্ষণ দিবলৈ চৰকাৰৰ বৰমূৰীয়া-বিধায়কসকল, সঞ্চালকপ্ৰধানে ফোন কৰে। এইগৰাকী যুৱতীক বিজেপিৰ ডাঙৰ ডাঙৰ নেতাই ৰক্ষণাবেক্ষণ দিবলৈ চেষ্টা কৰিছিল। এতিয়াও বিধায়কৰ ঘৰৰ পৰা যুৱতীগৰাকী থকা কাৰাগাৰলৈ টিফিন যায়। কোন বিধায়কৰ ঘৰৰ পৰা, কোন কাৰ্যালয়ৰ পৰা টিফিন গৈ আছে সকলো খবৰ আছে, উপ-নিৰ্বাচন যাওক তাৰ পাছত সকলো ওলাব।' ৰাজকন্যাই মুখ খোলে বুলি মন্ত্ৰী-বিধায়ককে ধৰি বহু আমোলা-বিষয়াই ভয়ত কঁপি আছে আৰু সেইবাবে কাৰাগাৰতো শুশ্ৰষা কৰিবলগীয়া হৈছে বুলি কয় সভাপতি বৰাই। জিলা প্ৰশাসনক সেই নৈশ পাৰ্টিৰ সকলো কথা ৰাজহুৱা কৰিবলৈ তেওঁ দাবী জনায়। তেওঁ কয়, 'ৰাজকন্যাৰ ম'বাইল পৰীক্ষা কৰক সকলো তথ্য ওলাই পৰিব আৰু ৰাজহুৱা কৰক। তেতিয়া ৰাইজে গম পাই যাব দুধ কা দুধ পানী কা পানী।'

ইপিনে, দিছপুৰ আৰক্ষীয়ে আজি আদালতত অভিযোগনামা দাখিল কৰাৰ বাবেই উচ্চ ন্যায়ালয়ত জামিন লাভ নকৰিলে ৰাজকন্যাই। তেওঁ জামিন বিচাৰি গুৱাহাটী উচ্চ ন্যায়ালয়ত দাখিল কৰা আবেদনৰ আজি শুনানি আছিল। আৰক্ষীয়ে আজি অভিযোগ নামা দাখিল কৰাত উচ্চ ন্যায়ালয়ে জামিন মঞ্জুৰ নকৰি নিম্ন আদালতত আবেদন দাখিলৰ নিৰ্দেশ দিয়ে।

■ সৌন্দৰ্যবৰ্ধনৰ বাবে প্ৰস্তুতি ■ কে'বাটাও আধাৰশিলা-প্ৰকল্প মুকলিৰ সম্ভাৱনা

# নৰেম্বৰত বঙাইগাঁৱত অসম মন্ত্ৰীসভাৰ কেবিনেট বৈঠক

**অগ্ৰদূত ব্যুৰ'**
**বঙাইগাঁও, ২৬ অক্টোবৰ ঃ** অসম মন্ত্ৰীসভাৰ আগন্তুক কেবিনেট বৈঠক অহা নৰেম্বৰৰ প্ৰথম ভাগত বঙাইগাঁও চহৰত অনুষ্ঠিত কৰাৰ সম্ভাৱনা আছে। ইয়াৰ বাবে বঙাইগাঁও সাধাৰণ প্ৰশাসনৰ লগতে স্থানীয় বিধায়কজনৰ ব্যাপক তৎপৰতা দেখা গৈছে সদৰ চহৰখনত। ইতিমধ্যে জৰাজীৰ্ণ হৈ পৰা চহৰখনৰ পথসমূহৰ মেৰামতিৰ লগতে চিলাৰায় উৰণীয়া সেতুত ৰং তেল লগোৱা পৰিলক্ষিত হৈছে। কেবিনেট বৈঠকৰ দিনা জিলাখনত হ'বলগীয়া প্ৰকল্পৰ আধাৰশিলা আৰু মুকলি হ'বলগীয়া প্ৰকল্পৰ বাবে ব্যাপক প্ৰস্তুতি চলাৰ লগতে যুদ্ধকালীনভাৱে আয়োজন চলিছে চহৰখনত। প্ৰতিটো কাম-কাজৰ তদাৰক কৰিছে স্থানীয় বিধায়ক ফণীভূষণ চৌধুৰীয়ে। চহৰখনৰ সৌন্দৰ্যবৰ্ধন, ৰং দিয়া কাম, ৰাস্তা-ঘাট আদি মেৰামতি, নিৰ্মাণ আদি পূৰ্ণগতিত চলিছে জিলাখনত। চহৰৰ আৱৰ্ত ভৱন আৰু জিলা উপায়ুক্ত কাৰ্যালয় মেৰামতিৰ কামো পূৰ্ণগতিত চলিছে আগন্তুক কেবিনেট বৈঠকৰ বাবে। ইপিনে, চহৰখনত কে'বাটাও নতুন প্ৰকল্প মুখ্যমন্ত্ৰীয়ে উদ্বোধন কৰিব লগাৰ বাবে নিৰ্মাণৰ গতি পূৰ্ণগতিত চলি আছে। বঙাইগাঁৱত হ'ব লগা কেবিনেট বৈঠকৰ সময়তে মেডিকেল কলেজৰ আধাৰশিলা কামৰ সম্ভাৱনা ব্যক্ত কৰে স্থানীয় বিধায়কজনে। চহৰখনৰ চিলাৰায় উৰণীয়া সেতুত স্থাপন কৰা ক্লক টাৱাৰটো আগন্তুক কেবিনেট বৈঠকৰ সময়ত মুকলি কৰা হ'ব। একেদৰে বঙাইগাঁও মহাবিদ্যালয়ৰ সন্মুখত সম্পূৰ্ণ হোৱা খোজকঢ়া অঞ্চল, পাব্লিক একুৰিয়ামটো মুকলি হোৱাৰ কথা।



■ ভৱানীপুৰত মিত্ৰজোঁটৰ নিৰ্বাচনী প্ৰচাৰ

# অসমে আজি বিৰামহীন প্ৰগতিৰ যাত্ৰা আৰম্ভ কৰিছে ঃ কলিতা

**বিশেষ সংবাদতাতা**
**পাঠশালা, ২৬ অক্টোবৰ ঃ** ভৱানীপুৰ বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী ফণীধৰ তালুকদাৰৰ হৈ নিৰ্বাচনী প্ৰচাৰ অভিযানত কালি অংশ লয় বিজেপিৰ অসম ৰাজ্যিক সমিতিৰ সভাপতি ভৱেশ কলিতা, মন্ত্ৰী অজন্তা নেওগসহ বিজেপি আৰু অগপ দলৰ কে'বাগৰাকী বিধায়ক-নেতাই।



উল্লেখ্য যে কালি ভৱানীপুৰ বিধানসভা সমষ্টিৰ আনন্দ বজাৰত মিত্ৰজোঁটৰ এখন নিৰ্বাচনী জনসভাত ভাষণ দি বিজেপিৰ অসম ৰাজ্যিক সমিতিৰ সভাপতি কলিতাই কয়, 'বিজেপিয়ে ৰাজনীতি কৰে, দুৰ্নীতি নকৰে। বিজেপিয়ে ৰাজনীতি কৰে শোষণৰ বাবে নহয়, দুৰ্নীতিৰ বাবে নহয়, প্ৰগতিৰ বাবেহে ৰাজনীতি কৰে। বিজেপিয়ে আন দলৰ দৰে সংখ্যালঘু, সংখ্যাগুৰুৰ ৰাজনীতি নকৰে। বিজেপিয়ে সেৱাৰ বাবে ৰাজনীতি কৰে।' সভাপতি কলিতাই কয়, 'আজি অসমত এক বিৰামহীন মাত্ৰা আৰম্ভ হৈছে একমাত্ৰ বিজেপিৰ বাবে। গতিকে ৰাইজ- পদুম ফুলৰ ৰঙা পাহি, ভোট দিয়ক হাঁহি হাঁহি....। উক্ত সভাত ভাষণ দি মন্ত্ৰী অজন্তা নেওগে কয়, 'বিজেপিয়ে কেৱল মুখেৰে প্ৰতিশ্ৰুতি নিদিয়ে। বিজেপিয়ে কামেৰে দেখুৱাই দিয়ে। আগন্তুক দিনত বিজেপিয়ে ৰাইজৰ উন্নয়নৰ কাম কৰি দেখুৱাব।' 'উপ-নিৰ্বাচনৰ পাছত মূল্যবৃদ্ধিক লৈ অসম চৰকাৰে কেবিনেট বৈঠক অনুষ্ঠিত হ'ব বুলিও কয় মন্ত্ৰী নেওগে। সভাখনত অগপ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতা, বিজেপি বিধায়ক পৰমানন্দ ৰাজবংশী, বিটিচিৰ কাৰ্যবাহী সদস্য গৌতম দাস, অগপ নেতা সুনীল ডেকায়ো কংগ্ৰেছ, এআইইউডিএফ তথা বিৰোধীক সমালোচনা কৰি ভাষণ দিয়ে। কালি বেজেপিৰ ৰাজ্যিক সভাপতি কলিতা, মন্ত্ৰী নেওগৰ লগতে বিজেপি, অগপৰ নেতৃবৃন্দই ভৱানীপুৰ বিধানসভা সমষ্টিৰ পল্লাৰপাৰ আৰু হাঠিনাপুৰত পৃথকে পৃথকে অনুষ্ঠিত কৰে আন দুখন নিৰ্বাচনী সভা ।

# শুৱালকুছিৰ ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰত অনুষ্ঠিত অনলাইন বৰগীত প্ৰতিযোগিতাৰ ফলাফল

**অগ্ৰদূত বাৰ্তা**
**শুৱালকুছি, ২৬ অক্টোবৰ ঃ** শুৱালকুছিৰ ঐতিহাসিক 'ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰ'ৰ 'সাংস্কৃতিক কোষ'ৰ উদ্যোগত অনুষ্ঠিত অনলাইন বৰগীত প্ৰতিযোগিতাৰ ফলাফলসমূহ সত্ৰৰ তৰফৰ পৰা ঘোষণা কৰা হৈছে। ফলাফল অনুযায়ী প্ৰথম পুৰস্কাৰ লাভ কৰে গুণ গুণ কাশ্যপ (গুৱাহাট), দ্বিতীয় পুৰস্কাৰ লাভ কৰে সুকন্যা কাশ্যপ মহন্ত (দীঘলীপুখুৰী, গুৱাহাটী) আৰু তৃতীয় পুৰস্কাৰ লাভ কৰে পুষ্প মুদ্ৰা দাস (বৰপেটা) পুৰস্কাৰপ্ৰাপ্তসকলক ৭০০২৩০২৯৩৫ নম্বৰ ম'বাইলত অথবা সম্পাদক সাংস্কৃতিক কোষ, ঈশ্বৰ শ্ৰীশ্ৰী হাটীসত্ৰ'ৰ লগত যোগাযোগ কৰিবলৈ সত্ৰৰ ডেকা সত্ৰাধিকাৰ ৰাজীৱ লোচন সন্তই আহ্বান জনাইছে। উল্লেখ্য যে উক্ত বৰগীত প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ উত্তম চন্দ্ৰ ভৰালী আৰু গিৰিজা ভৰালীৰ সোঁৱৰণত নগদ ১০ হেজাৰ টকা, দ্বিতীয় পুৰস্কাৰ গকুল চন্দ্ৰ ভৰালী আৰু নিৰদা ভৰালীৰ সোঁৱৰণত নগদ সাত হেজাৰ টকা আৰু তৃতীয় পুৰস্কাৰত আছে হিমাংকু ডেকাৰ সোঁৱৰণত নগদ পাঁচ হেজাৰ টকা।

# কঠিয়াতলিত ৰাস মহোৎসৱৰ প্ৰস্তুতি ঃ সমিতি গঠন

**অগ্ৰদূত বাৰ্তা**
**যমুনামুখ, ২৬ অক্টোবৰ ঃ** নগাঁও জিলাৰ কঠিয়াতলিৰ ঐতিহ্যমণ্ডিত বামুণী গোসাঁই থানত পৰম্পৰাগতভাৱে উদ্‌যাপন হৈ অহা শ্ৰীশ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱ ভাগ বিগত বছৰসমূহৰ দৰে এইবেলিও পালনৰ প্ৰস্তুতি চলিছে। এই উপলক্ষে বামুণী গোসাঁই থান প্ৰাংগণত ভোলা দেউৰীৰ সভাপতিত্বত অনুষ্ঠিত এক সাধাৰণ সভাত আগন্তুক ৰাস মহোৎসৱ পালন কৰাৰ বাবে এখন ৩১ জনীয়া সমিতি গঠন কৰা হয়। সভাত দুদিনীয়াকৈ উদ্‌যাপন হ'ব লগা ৰাস মহোৎসৱ শৃংখলাবদ্ধভাৱে আৰু শান্তিপূৰ্ণভাৱে পালন কৰাৰ স্বাৰ্থত কে'বাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সভাত বামুণী গোসাঁই থানৰ নামটো বামুণ গোসাঁই থান হৈ থকাত চৰকাৰৰ পৰা অৰ্থ সাহায্যৰ পৰা বঞ্চিত হোৱা প্ৰসংগত সভাত আলোচনা কৰা হয় আৰু সকলোৱে যাতে পৰৱৰ্তী সময়ত থানখনক বামুণী গোসাঁই থান হিচাপে মান্যতা দিয়ে তাৰ বাবে সভাপতি দেউৰীয়ে ৰাইজক আবেদন জনায়।

# উপ-নিৰ্বাচনৰ পৰ্যবেক্ষকৰ পৰ্যবেক্ষণ মৰিয়নিত

**অগ্ৰদূত বাৰ্তা**
**মৰিয়নি, ২৬ অক্টোবৰ ঃ** মৰিয়নি বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে ভাৰতৰ নিৰ্বাচন আয়োগে নিযুক্তি দিয়া নিৰ্বাচনী ব্যয় পৰ্যবেক্ষক ভাৰতীয় ৰাজহ সেৱা বিষয়া ৰাজেশ কুমাৰে মৰিয়নি সমষ্টিৰ বিভিন্ন স্থানত পৰিভ্ৰমণ কৰি সমগ্ৰ দিশ পৰ্যবেক্ষণ কৰিছে। যোৱা ২৫ অক্টোবৰত মৰিয়নি সমষ্টিৰ মৰিয়নি নগৰ, নিউ সোণোৱাল, বনগাঁও, বালিজান, খেৰেমিয়া, বাহনি আদি বিভিন্ন অঞ্চল ভ্ৰমণ কৰি নিৰ্বাচনী আচৰণ বিধি পৰ্যবেক্ষণ কৰে। নকছাৰীৰ অঞ্চলটো তেওঁ ভ্ৰমণ কৰি ই-ভিজিলৰ পৰ্যবেক্ষণ কৰে। ব্যয় পৰ্যবেক্ষক ৰাজেশ কুমাৰে স্থানীয় ৰাইজৰ স'তেও মত বিনিময় কৰে। একেদৰে বিষয়াজনে ফ্লায়িং স্কোৱাড টিম চমুকৈ এফ এছ টি আৰু ষ্টেটিছটিকেল ছাৰ্ভিলেঞ্চ টিম চমুকৈ এছ এছ টি-ৰ কাম-কাজৰো খতিয়ান লয়। মৰিয়নি সমষ্টিৰ উপ-নিৰ্বাচন যাতে সকলো দিশৰ পৰাই সুকলমে সম্পন্ন হৈ যায় তাৰ প্ৰতি বিশেষ তৎপৰ হৈ পৰিছে নিৰ্বাচনী বিভাগ।

# দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ত ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ কলেজ গোট গঠন

**দেৰগাঁও, ২৬ অক্টোবৰ ঃ** দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয় ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ কলেজ গোট যোৱা ২৫ অক্টোবৰত গঠন কৰা হয়। মহাবিদ্যালয়খনৰ প্ৰেক্ষাগৃহত তিনি শতাধিক ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত গঠন কৰা সমিতিখনত গোলাঘাট জিলা ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ সাধাৰণ সম্পাদক জ্যোতিষ্মান বৰা, কাৰ্যকৰী সভাপতি বিচিত্ৰ বৰা, উপ-সভাপতি বিপ্লৱ বৰা, দেৰগাঁও আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক ঋতুৰাজ বৰুৱা প্ৰমুখ্যে বহু কেইজন বিষয়ববীয়া উপস্থিত থাকে। ৰাজহুৱা সভাখনত মৌচুম নীল হাজৰিকাক, সভাপতি, উপ-সভাপতি দেৱব্ৰত দত্ত, চামিম আখটাৰ, জিতুপন বৰাক সাধাৰণ সম্পাদকৰূপে লৈ ১৫১ জনীয়া কলেজ গোট সমিতিখন গঠন কৰা হয়।

# টিহুত ইলোৱা বিজ্ঞান মঞ্চৰ পূৰ্ণাংগ সমিতি গঠন

■ আজীৱন সভ্যৰ স্বীকৃতি পত্ৰ বিতৰণ

**অগ্ৰদূত বাৰ্তা**
**টিহু, ২৬ অক্টোবৰ ঃ** ইলোৱা বিজ্ঞান মঞ্চ, টিহু শাখাৰ তদৰ্থ সমিতিখন ৰাজ্যিক পৰ্যবেক্ষকৰ উপস্থিতিত যোৱা ২৪ অক্টোবৰত টিহুৰ সৰ্বেশ্বৰ দাস জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ত তদৰ্থ সমিতিৰ সভাপতি তথা অৱসৰপ্ৰাপ্ত অভিযন্তা কুলেশ চন্দ্ৰ শৰ্মাৰ পৌৰোহিত্যত অনুষ্ঠিত সাধাৰণ সভাত পূৰ্ণাংগ ৰূপত গঠন কৰা হয়। তদৰ্থ সমিতিৰ সম্পাদক তথা শিক্ষক সঞ্জীৱ কুমাৰ দাসে উদ্দেশ্য ব্যাখ্যা কৰা আৰু আঁত ধৰা সভাখনত পৰ্যবেক্ষক হিচাপে উপস্থিত থকা ইলোৱা বিজ্ঞান মঞ্চৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক স্বপ্না চৌধুৰী আৰু কুলেশ ডেকাই ইলোৱা বিজ্ঞান মঞ্চৰ নীতি-আদৰ্শ, লক্ষ্য-উদ্দেশ্যৰ বিষয়ে ব্যাখ্যা কৰে। উক্ত সভাতে সৰ্বসন্মতিক্ৰমে কুলেশ চন্দ্ৰ শৰ্মাক সভাপতি, অজিত কুমাৰ শৰ্মাক কাৰ্যকৰী সভাপতি, লুটফুৰ ৰহমান আৰু দ্বীজেন পাঠকক উপ-সভাপতি, সঞ্জীৱ কুমাৰ দাসক সাধাৰণ সম্পাদক, হেমন্ত তালুকদাৰ আৰু সুভাষ ঠাকুৰীয়াক সহকাৰী সম্পাদক, কুলেন্দ্ৰ পাটোৱাৰীক কোষাধ্যক্ষ হিচাপে লৈ ইলোৱা বিজ্ঞান মঞ্চৰ টিহু শাখাৰ পূৰ্ণাংগ সমিতিখন গঠন কৰা হয়। লগতে ইলোৱা বিজ্ঞান মঞ্চৰ আজীৱন সভ্যৰ স্বীকৃতি পত্ৰ সভাপতি, কাৰ্যকৰী সভাপতি, সম্পাদকক প্ৰমুখ্যে ২২ গৰাকী সদস্যক প্ৰদান কৰা হয়।

# বৃহত্তৰ লাহোৱালৰ বকুল মাজগাঁৱত বিষ্ণুজ্যোতি কনিষ্ঠ মহাবিদ্যালয়ৰ পাঠদান আৰম্ভ

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ২৬ অক্টোবৰ ঃ** ডিব্ৰুগড় জিলা লাহোৱাল বিধানসভা সমষ্টিৰ অন্তৰ্গত বৃহত্তৰ লাহোৱাল অঞ্চলৰ অন্তৰ্গত বকুল মাজগাঁৱত নতুনকৈ প্ৰতিষ্ঠা হোৱা বিষ্ণুজ্যোতি কনিষ্ঠ মহাবিদ্যালয়ত কালিৰে পৰা একাদশ শ্ৰেণীৰ পাঠদান আৰম্ভ কৰা হয়। বিষ্ণুজ্যোতি কনিষ্ঠ মহাবিদ্যালয়খনৰ পাঠদানৰ আৰম্ভণি অনুষ্ঠানৰ বন্তি প্ৰজ্বলনেৰে মুকুলি কৰে যুৱ লেখক, জ্যেষ্ঠ সাংবাদিক যাদৱ গগৈয়ে। মহাবিদ্যালয়খনৰ পাঠদান উপলক্ষে অনুষ্ঠিত আৰম্ভণি অনুষ্ঠানত সাংবাদিক গগৈয়ে অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধা হ'ব আৰু ভৱিষ্যতে বাণিজ্য আৰু বিজ্ঞান শাখা মুকলি কৰি অঞ্চলটোৰ শিক্ষাৰ্থীসকলৰ বহুদিনৰ অভাৱ পুৰ হ'ব বুলি কোৱাৰ লগতে মহাবিদ্যালয়খনৰ স'তে জড়িত সকলোৰে প্ৰতি অভিনন্দন আৰু শুভেচ্ছা জনায়। বৃহত্তৰ লাহোৱাল অঞ্চলৰ শিক্ষাৰ উন্নয়নৰ ক্ষেত্ৰত এই শিক্ষানুষ্ঠানখনে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি আশা প্ৰকাশ কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক কঠোৰ অধ্যয়নত ব্ৰতী হ'বলৈ আহ্বান জনায়। বিষ্ণুজ্যোতি মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক দ্বীপেন্দ্ৰ নাথ ফুকনে শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়। একাদশ শ্ৰেণীৰ প্ৰথমটো পাঠদান আৰম্ভ কৰে সহ অধ্যাপিকা বন্তি গোহাঁয়ে। এই উদ্বোধনী অনুষ্ঠানত লাহোৱাল প্ৰেছ ক্লাবৰ সভাপতি মুক্তামণি হাজৰিকা, শিক্ষক জিতুল গগৈ, দিগন্ত চেতিয়া, মহেন্দ্ৰ গগৈ, প্ৰীতিৰেখা খনিকৰ, বকুল গাঁও পঞ্চায়তৰ উপ-সভাপতি গহীন দত্তকে ধৰি বহু সংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানটো পৰিচালনা কৰে উপাধ্যক্ষ নিপৰ দুৱৰাই আৰু শলাগ জ্ঞাপন কৰাৰ লগতে মহাবিদ্যালয়খনৰ জৰিয়তে অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীসকল উপকৃত হ'ব বুলি মত প্ৰকাশ কৰে বিষ্ণুজ্যোতি কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষ কনৌজ শইকীয়াই।

# কাব্য সংকলন 'দেৱদাৰু নগৰী অভয়াপুৰী' উন্মোচনৰ প্ৰস্তুতি

**অগ্ৰদূত বাৰ্তা**
**অভয়াপুৰী, ২৬ অক্টোবৰ ঃ** বঙাইগাঁও জিলা সাহিত্য সভাই প্ৰকাশ কৰা লেখক তথা বঙাইগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক, অভয়াপুৰী নিৱাসী উপেন বৰুৱাৰ 'দেৱদাৰু নগৰী অভয়াপুৰী' নামৰ কাব্য সংকলনখন অহা দুই নৱেম্বৰত উন্মোচন কৰা হ'ব। অভয়াপুৰী কচমচ ক্লাবত সন্ধিয়া এই উপলক্ষে আয়োজন কৰা উন্মোচনী অনুষ্ঠানত সাহিত্যানুৰাগী তথা জিলা সাহিত্য সভাৰ বিষয়ববীয়াসকলক উপস্থিত থাকিবলৈ জিলা সাহিত্য সভাৰ সম্পাদক বিনোদ কুমাৰ বৰ্মনে আহ্বান জনাইছে।

# গোলাপ শইকীয়াৰ মৃত্যুত শোক

**অগ্ৰদূত বাৰ্তা**
**চিনামৰা, ২৬ অক্টোবৰ ঃ** নগৰৰ উপকণ্ঠ নাওবৈচা গাঁও নিৱাসী, ডাক বিভাগৰ প্ৰাক্তন কৰ্মচাৰী তথা এজন জনপ্ৰিয় ফটোগ্ৰাফাৰ গোলাপ শইকীয়া (৭৯)ৰ যোৱা ২২ অক্টোবৰত শাৰীৰিক অসুস্থতাৰ বাবে পৰলোক প্ৰাপ্তি হয়। ধৰ্মপ্ৰাণ ব্যক্তিজনে মৃত্যুৰ সময়ত পত্নীসহ এগৰাকী জী আৰু এজন পুত্ৰসহ বহু আত্মীয়ক এৰি যায়। অঞ্চলটোৰ বিভিন্ন অনুষ্ঠানৰ স'তে জড়িত সৰবৰহী ব্যক্তিগৰাকীৰ মৃত্যুত শোকৰ ছাঁ পৰিছে।

# তেজপুৰৰ গণেশঘাটত মৃতদেহ উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**
**তেজপুৰ, ২৬ অক্টোবৰ ঃ** তেজপুৰৰ গণেশ ঘাটত কালি পুৱা প্ৰায় আঠ বজাত সমীৰ হুছেইন (১৬) নামৰ এজন কিশোৰ মৃতদেহ ব্ৰহ্মপুত্ৰৰ পানীত উদ্ধাৰ হয়। উল্লেখ্য যে চহৰখনৰ ছয় নম্বৰ ৱাৰ্ডৰ কবৰখানা পথৰ কাদিৰ হুছেইনৰ পুত্ৰ সমীৰ পুৱা ছয় বজাৰ পৰা সন্ধানহীন হৈ আছিল। পাছত কিশোৰজনৰ মৃতদেহ পানীত ওপঙি থকা দেখি প্ৰত্যক্ষদৰ্শীয়ে আৰক্ষীক জনোৱাত নদী আৰক্ষীয়ে মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে তেজপুৰ কনকলতা অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

# হোজাইত পথৰ দাঁতিত উদ্ধাৰ নৱজাতক

**অগ্ৰদূত বাৰ্তা**
**হোজাই, ২৬ অক্টোবৰ ঃ** হোজাইত পথৰ দাঁতিত নৱজাতক উদ্ধাৰ হোৱাক লৈ সৃষ্টি হৈছে প্ৰতিক্ৰিয়া। কালি পুৱা পলিথিনত মেৰিয়াই পিছফালৰ জাৰৰ দমত পৰি থকা দেৱশিশুটোৰ কান্দোনৰ শব্দ শুনিবলৈ পায় দুগৰাকী স্থানীয় মহিলাই। মহিলা দুগৰাকীয়ে নৱজাতকটোক উদ্ধাৰ কৰি হোজাই থানালৈ লৈ আহে। শিশুটোক হোজাই আৰক্ষীৰ সহায়ত ততাতৈয়াকৈ স্বাস্থ্য পৰীক্ষা কৰোৱাৰ অন্তত চাইল্ড লাইনক গতাই দিয়া হয়। উদ্ধাৰ হোৱা শিশুটোৰ বয়স এদিন বুলি অনুমান কৰিছে উদ্ধাৰ কৰা মহিলাই। কোনো পাষাণ মাতৃয়ে নৱজাতকটোক পথৰ দাঁতিত পেলাই থৈ যোৱা এনে অমানৱীয় ঘটনাই হোজাইত সৃষ্টি হৈছে প্ৰতিক্ৰিয়াৰ আৰু এই কাণ্ডক ধিক্কাৰ দিছে অঞ্চলবাসী।

# বোকাখাতত মন্ত্ৰী অতুল বৰাই একেদিনাই দুটি চৰকাৰী অনুষ্ঠানত বিলালে সামগ্ৰী

**অগ্ৰদূত বাৰ্তা**
**বোকাখাত, ২৬ অক্টোবৰ ঃ** বোকাখাত সমষ্টিৰ বিধায়ক তথা কেবিনেট মন্ত্ৰী অতুল বৰাই যোৱা ২৫ অক্টোবৰত বোকাখাত নাট্য মন্দিৰত হোৱা এক সভাত ৰাষ্ট্ৰীয় গকুল মিছনৰ অধীনত গোলাঘাট আৰু যোৰহাট জিলাৰ কৃত্ৰিম গো-প্ৰজনন সহায়কসকলক 'টেবলেট' বিতৰণ কৰে। পশুপালন বিভাগৰ গোলাঘাট জিলা বিষয়া ডাঃ সত্য দত্ত চৌধুৰী, অসম পশুধন উন্নয়ন নিগমৰ পৰিচালন সঞ্চালক ডাঃ ৰূপজ্যোতি গোহাঁই উপস্থিত থাকে। মন্ত্ৰী বৰাই কয় যে পশুপালন বিভাগৰ বিভিন্ন আঁচনি লোৱা হৈছে। আনহাতে, পশ্চিম গোলাঘাট উন্নয়ন খণ্ড চৌহদত মন্ত্ৰী বৰাই এক অনুষ্ঠানত অসম গ্ৰামীণ এক্সপ্ৰেছ আঁচনিত দুটি মহিলা আত্ম সহায়ক গোটক এখন মেজিক আৰু এখন যাত্ৰীবাহী টেম্প' প্ৰদান কৰে। তদুপৰি ১৪২ গৰাকী চাহ বাগিচাৰ লাইন চকীদাৰক চাইকেল বিতৰণ কৰে। মহকুমাধিপতি ডাঃ নেহা যাদৱ, হেমচন্দ্ৰ পাণিকা, চৰকাৰী বিষয়াসকল উপস্থিত থাকে।

# দেৰগাঁৱৰ ব্ৰহ্মপুত্ৰ অঞ্চলৰ নতুন চাপৰিত গঁড়ৰ আতংক

**দেৰগাঁও, ২৬ অক্টোবৰ ঃ** দেৰগাঁৱৰ নদীকাষৰীয়া ব্ৰহ্মপুত্ৰ অঞ্চলৰ নতুন চাপৰিত যোৱা ২৫ অক্টোবৰৰ পুৱাৰে পৰা দুটা গঁড়ৰ মুক্ত বিচৰণে অঞ্চলবাসীক আতংকিত কৰি তুলিছে। প্ৰাপ্ত তথ্য মতে, কাজিৰঙাৰ পৰা ওলাই অহা গঁড় দুটাই অঞ্চলটোৰ কে'বাডৰাও কুঁহিয়াৰ খেতি মহটিয়াই তহিলং কৰিছে। ইতিমধ্যে অঞ্চলটোত দেৰগাঁও, মাজুলী আৰু কাজিৰঙাৰ বন বিভাগৰ লোক উপস্থিত হৈছে। বাতৰি লিখা পৰলৈকে এডৰা কুঁহিয়াৰ খেতিত আশ্ৰয় লৈ থকা গঁড় দুটাক কাজিৰঙালৈ ওভতাই নিবৰ বাবে বন বিভাগৰ লোকে চেষ্টা অব্যাহত ৰাখিছে।

**দুটা গঁড়ৰ মুক্ত বিচৰণ**

# বাণীপুৰৰ শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ মায়ামৰা নামঘৰৰ তোৰণ উদ্বোধন

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ২৬ অক্টোবৰ ঃ** ডিব্ৰুগড় নগৰৰ বাণীপুৰত থকা শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ মায়ামৰা বৈষ্ণৱ নামঘৰৰ নৱনিৰ্মিত তোৰণখন প্ৰাক্তন বিধায়ক ঋতুপৰ্ণ বৰুৱাই যোৱা ২৫ অক্টোবৰত উদ্বোধন কৰে। অসম চৰকাৰৰ অনিৰ্ধাৰিত পুঁজিৰ দুই লাখ ৫০ হেজাৰ টকাৰে নিৰ্মিত তোৰণখন উদ্বোধন কৰি প্ৰাক্তন বিধায়ক বৰুৱাই মহাপুৰুষ শ্ৰীশ্ৰী অনিৰুদ্ধদেৱৰ সমাজ সংস্কাৰ আৰু উদাৰতাবাদী ধৰ্মীয় ধ্যান-ধাৰণা বৰ্তমান সময়ত গুৰুত্ব সম্পৰ্কে উল্লেখ কৰে। লগতে তেওঁৰ অমূল্য সৃষ্টিৰাজি প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ দায়িত্ব ল'বৰ বাবে গুণা-জ্ঞানী সমাজৰ প্ৰতি আহ্বান জনায়। বাণীপুৰ শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ মায়ামৰা নামঘৰৰ সভাপতি অজয় দত্তই আদৰণি ভাষণ আগবঢ়োৱা তোৰণ উদ্বোধনী অনুষ্ঠানত পূৰৱী গগৈয়ে মংগলাচৰণ কৰাৰ লগতে গাঁওবুঢ়াদ্বয় নিৰ্মল দত্ত আৰু বীৰেন দুৱৰাই বন্তি প্ৰজ্বলন কৰে। শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ মায়ামৰা নামঘৰৰ পৰিচালনা সমিতিৰ সম্পাদক জীৱন গোহাঁই সহিতে সম্বৰ্ধনা জনোৱা অনুষ্ঠানত মানকটা গাঁও পঞ্চায়তৰ সভানেত্ৰী দীপা হাজৰিকা, ৱাৰ্ড সদস্য দিপু দাস, লোহিত দত্ত, সাংবাদিক যাদৱ গগৈক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। মায়ামৰা ধৰ্মীয় সমাজত ৰীতি-নীতি-পৰম্পৰা, গায়ন-বায়নৰ ঘাট মাৰি তোৰণ উদ্বোধনৰ পাছত প্ৰাক্তন বিধায়ক বৰুৱাকে প্ৰমুখ্যে উপস্থিত বিশিষ্ট ব্যক্তিসকলক গায়ন-বায়নেৰে নামঘৰলৈ আদৰি নিয়ে আৰু সমজুৱা সেৱাৰে তোৰণ উদ্বোধনী অনুষ্ঠান সামৰা হয়। শিক্ষক জয়ন্ত দত্তই আঁত ধৰা অনুষ্ঠানত বাণীপুৰৰ শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ মায়ামৰা নামঘৰৰ সেৱকীসকলৰ লগতে অঞ্চলটোৰ বহু সংখ্যক লোক উপস্থিত থাকে।

# সাহিত্য অকাডেমীৰ যুৱ পুৰস্কাৰেৰে সন্মানিত চতিয়াৰ অঞ্জন বাচকোটা

**অগ্ৰদূত বাৰ্তা**
**চতিয়া, ২৬ অক্টোবৰ ঃ** চতিয়াৰ সাহিত্যিক, সাংবাদিক তথা স্থানীয় দক্ষিণ নাগশংকৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক অঞ্জন বাচকোটাক যোৱা ১৭ অক্টোবৰত কৰ্ণাটকৰ ৰাজধানী বাংগালুৰু চহৰ ভাৰতীয় বিদ্যা ভৱনৰ খিঞ্চা প্ৰেক্ষাগৃহত অনুষ্ঠিত এক অনুষ্ঠানত দেশৰ বিভিন্ন প্ৰান্তৰ চৌবিশগৰাকী যুৱ লেখকৰ স'তে সাহিত্য অকাডেমীৰ যুৱ পুৰস্কাৰ ২০২০ প্ৰদান কৰা হয়।এটি ভক্তিমূলক গীতেৰে আৰম্ভ হোৱা পুৰস্কাৰ প্ৰদান সভাৰ ১৭ অক্টোবৰৰ কাৰ্যসূচীত সভাপতিত্ব কৰে সাহিত্য অকাডেমীৰ অধ্যক্ষ চন্দ্ৰ শেখৰ কম্বৰে। হিন্দী ভাষাৰ বিশিষ্ট সাহিত্যিক অৰুণ কমল মুখ্য উপস্থিত থকা সভাত মুখ্য অতিথিজনে প্ৰতিগৰাকী পুৰস্কৃত সাহিত্যিকক ফুলৰ মালা পিন্ধায়। ইয়াৰ পাছতেই সাহিত্য অকাডেমীৰ অধ্যক্ষ চন্দ্ৰ শেখৰ কম্বৰে তাম্ৰ খোদিত মানপত্ৰ আৰু পঞ্চাশ হেজাৰ টকাৰ চেক প্ৰদান কৰে। সাহিত্য অকাডেমীৰ দ্বাৰা স্বীকৃত চৌব্বিশটা ভাষাৰ চৌব্বিশগৰাকী লেখকক উক্ত মঞ্চতেই বঁটাসমূহ প্ৰদান কৰা হয়। সাহিত্য অকাডেমীৰ সচিব কে শ্ৰীনিবাস ৰাওয়ে সভাৰ আৰম্ভণিতে আদৰণি ভাষণ প্ৰদান কৰাৰ লগতে লেখকসকলৰ পৰিচয় দাঙি ধৰে। অকাডেমীৰ অধ্যক্ষ কম্বৰে অধ্যক্ষৰ

# শান্তিপূৰ্ণ নিৰ্বাচনী প্ৰক্ৰিয়াৰ উদ্দেশ্যে শালবাৰীত আৰক্ষী-চিআৰপিএফৰ ফ্লেগ মাৰ্চ



**অগ্ৰদূত বাৰ্তা**
**শালবাৰী, ২৬ অক্টোবৰ ঃ** অহা ৩০ অক্টোবৰত ৰাজ্যৰ পাঁচ সমষ্টিত হ'ব উপ-নিৰ্বাচন। এই উপ-নিৰ্বাচনী প্ৰক্ৰিয়া যাতে শান্তিপূৰ্ণভাৱে সমাপন হয়, ৰাইজে যাতে শংকামুক্তভাৱে ভোটদান কৰিব পাৰে সেই উদ্দেশ্যে যোৱা ২৫ অক্টোবৰত ভৱানীপুৰ সমষ্টিৰ শালবাৰী থানাৰ অন্তৰ্গত ভোটগ্ৰহণ কেন্দ্ৰ থকা অঞ্চলসমূহত শালবাৰী আৰক্ষী আৰু চিআৰপিএফে ফ্লেগ মাৰ্চ কৰে। শালবাৰী আৰক্ষীয়ে নিৰ্বাচনী প্ৰক্ৰিয়াত মোতায়েন কৰা চিআৰপিএফ বাহিনীক লগত লৈ শালবাৰীৰ পৰা ধুমাৰপথাৰ-চেংলীমাৰীলৈকে পথৰে সমদল কৰি ফ্লেগ মাৰ্চ কৰে। এই ফ্লেগ মাৰ্চত ভাগ লয় আৰক্ষী-চিআৰপিএফৰ বিষয়াকে ধৰি প্ৰায় ডেৰ শতাধিক জোৱানে। মহকুমা আৰক্ষী বিষয়া সমীৰণ বৈশ্যই ইয়াত অংশগ্ৰহণ কৰে। আৰক্ষী অধীক্ষকৰ নিৰ্দেশ মৰ্মে আমি নিৰ্বাচন হ'বলগীয়া অঞ্চলত চিআৰপিএফক লগত লৈ দিনে-ৰাতিয়ে ফ্লেগ মাৰ্চ কৰিছে বুলি তেওঁ কয়।

■ বৃহত্তৰ তেজপুৰৰ অৱসৰপ্ৰাপ্ত শিক্ষক ঐক্যমঞ্চৰ প্ৰথম দ্বি-বাৰ্ষিক অধিবেশন সম্পন্ন

# শিক্ষক হৈ মৰিব পৰাতকৈ গৌৰৱ একো নাই

**অগ্ৰদূত বাৰ্তা**
**তেজপুৰ, ২৬ অক্টোবৰ ঃ** 'শিক্ষক হৈ মৰিব পৰাতকৈ গৌৰৱ একো নাই! 'সুদীৰ্ঘকাল শিক্ষাগুৰু হিচাপে অগণিত ছাত্ৰ-ছাত্ৰীৰ আদৰ আৰু সন্মান অৰ্জন কৰা দৰং মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক পূৰ্ণেশ্বৰ নাথে যোৱা ২৫ অক্টোবৰত এইদৰে কয়। বৃহত্তৰ তেজপুৰ অৱসৰপ্ৰাপ্ত শিক্ষক ঐক্যমঞ্চৰ প্ৰথম দ্বি-বাৰ্ষিক অধিবেশনত তেওঁ আৰু কয় যে শিক্ষকসকল অন্তৰেৰে ঐশ্বৰ্যশালী। শিক্ষকতা কৰি থকা আৰু অৱসৰ গ্ৰহণ কৰা কাল সমানেই গুৰুত্বপূৰ্ণ। যিসকলে শিক্ষকৰ দায়িত্ব পালন কৰিব নোৱাৰে তেওঁলোক দুৰ্ভগীয়া। শিক্ষক এটা সত্তা, যাক সমাজে সন্মান কৰে আৰু মহাশয় বুলি সম্বোধন কৰে। আনহাতে, বৰ্তমান মানুহে যিসমূহ বিষয়ত সংগঠিত হ'ব লাগে তেনেবোৰ সময়ত সংগঠিত নহয় আৰু য'ত সংগঠিত হ'ব নালাগে তাত সংগঠিত হয় বুলি আক্ষেপ প্ৰকাশ কৰে। তেজপুৰৰ ঐতিহ্যমণ্ডিত অসমীয়া ক্লাবৰ বালিৰাম লহকৰ সভাগৃহত অনুষ্ঠিত এই অধিবেশন উপলক্ষে ঐক্যমঞ্চৰ পতাকা উত্তোলন কৰে সভাপতি গিৰিবালা ভূঞাই। ইয়াৰ পাছতে অনুষ্ঠিত স্মৃতি তৰ্পণ অনুষ্ঠানত অৱসৰপ্ৰাপ্ত শিক্ষক সংস্থাটোৰ সমূহ সদস্যই অংশগ্ৰহণ কৰে। সুলেখিকা ৰাজু বৰুৱাৰ ৰচিত আৰু অনুজ বৰুৱাৰ সুৰাৰোপিত 'আবেলি কিৰণে জীৱন জগালে 'ঐক্যমঞ্চৰ প্ৰতীকী গীতেৰে আৰম্ভ হোৱা মুকলি সভাত সভাপতিত্ব কৰে গিৰিবালা ভূঞাই। প্ৰভা বৰাৰ আদৰণি ভাষণ আৰু ৰাজু বৰুৱাৰ উদ্দেশ্য ব্যাখ্যা তথা প্ৰতিবেদন পাঠৰ পাছত ঐক্যমঞ্চৰ স্মৰণিকা 'প্ৰেৰণা' উন্মোচন কৰে পূৰ্ণেশ্ব নাথে। তেওঁ লেখিকা শশীপ্ৰভা দেৱীৰ কবিতা পুথি 'পৃথিৱীৰ প্ৰেম আৰু ক্ৰোধ' উন্মোচন কৰে। অনুষ্ঠানত বিশিষ্ট লেখিকা মৃণালী চেতিয়া, শিক্ষয়িত্ৰী কৰুণা বৰা ভূঞা, প্ৰগতিশীল লেখক, সমাজকৰ্মী ৰুবুল শৰ্মাই বক্তব্য দাঙি ধৰাৰ লগতে বিভিন্ন সাংস্কৃতিক কাৰ্যসূচীত অংশগ্ৰহণ কৰে ক্ৰমে নীলিমা বৰুৱা, ৰুণু বৰা, শশীপ্ৰভা দেৱীয়ে। সভাত পৰৱৰ্তী বৰ্ষৰ বাবে লাৱণ্য দেৱীক সভাপতি, প্ৰভা বৰাক কাৰ্যকৰী সভাপতি, ৰাজু বৰুৱাৰ সম্পাদক, সন্ধ্যা দাস গুপ্তাক আৰু কমল দেৱীক সহকাৰী সম্পাদক, কৰুণা বৰা ভূঞাক কোষাধ্যক্ষ হিচাপে লৈ ১৫ জনীয়া কাৰ্যকৰী সমিতি গঠনৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয়।



■ বৰমাত অসম গ্ৰামীণ বিকাশ বেংকৰ গ্ৰাহকৰ হাৰাশাস্তি

# পুৱা চাৰি বজাৰ পৰা শাৰী পাতিব লাগে ধন উলিয়াবলৈ

**বৰমা, ২৬ অক্টোবৰ ঃ** নিজৰ জমাধন বেংকৰ পৰা উলিয়াবলৈ পুৱতি নিশাৰ পৰাই বেংকৰ দুৱাৰডলিত শাৰী পাতে অসম গ্ৰামীণ বিকাশ বেংকৰ বৰমা শাখাৰ গ্ৰাহকে। তথ্য অনুসৰি, কালি কে'বামাহ ধৰি এনে কাণ্ড চলি আছে সম্প্ৰতি পাঞ্জাৱ নেশ্বনেল বেংকৰ স'তে চামিল হোৱা অসম গ্ৰামীণ বিকাশ বেংকৰ বৰমা শাখাত। সম্প্ৰতি মূল্যবৃদ্ধিয়ে জুৰুলা কৰা সাধাৰণ লোকে দুৰ-দুৰণিৰ পৰা গাঁঠিৰ ধন ভাঙি জমা থোৱা টকা উলিয়াবলৈ আহে বেংকত। টকা উলিয়াবলৈ এদিনত মাত্ৰ ৭০টা টোকেন দিয়া শাখাটোৱে টোকেন ভাগত নোপোৱাসকলক দুৰ্ব্যৱহাৰ কৰি খেদি পঠাই বুলিও গুৰুতৰ অভিযোগ উঠিছে। এনেকৈ চাৰিদিন, পাঁচদিনলৈ গ্ৰাহক আহিব লাগে শাখাটোলৈ। ভাগ্যত টোকেন মিলিলে টকা পায়, নিমিলিলে ঘৰলৈ উভতি যাব লগা হয়। পিছদিনা আকৌ চাৰি-পাছ বজাতে আহি বেংকৰ দুৱাৰমুখত শাৰী পাতে। ৬০, ৭০ বয়সৰ বৃদ্ধইও টকা নিবলৈ আহি চাৰি-পাঁচ ঘণ্টা অপেক্ষা কৰিব লগা হয়। শাখা পৰিচালক ভানুমতী ব্ৰহ্মৰ অৱহেলাৰ বাবে এনে কাৰ্য হৈ থকা বুলি অভিযোগ উত্থাপন কৰিছে গ্ৰাহকে। প্ৰায়ে কৰ্তৃপক্ষই ইণ্টাৰনেটৰ সমস্যা দেখুৱাই গ্ৰাহকক ঘুৰাই পঠায়। কেতিয়া গ্ৰাহকক ভাল ব্যৱহাৰ কৰে কেতিয়া দুৰ্ব্যৱহাৰ কৰে তাৰ কোনো ঠিকনা নাই বুলিও অভিযোগ কৰে ভুক্তভোগী গ্ৰাহকে। তদুপৰি বেংক বহী আপডেট নকৰা বাবে গ্ৰাহকে নাজানে নিজৰ একাউণ্টত কিমান টকা আছে। আজি বহুমাহ ধৰি বেংক বহীসমূহ আপডেট নৰৰাৰো অভিযোগ উঠিছে। আনহাতে, পুৱা আগতীয়াকৈ শাৰী পাতিবলৈ হ'লেও হোনো কোনোবা দালালক লগ কৰিব লাগে বুলিও অভিযোগ কৰে গ্ৰাহকে। মুঠৰ ওপৰত গ্ৰামীণ বিকাশ বেংকৰ বৰমা শাখাই গ্ৰাহকক কোনো ফালে হাৰাশাস্তি কৰিবলৈ এৰা নাই বুলি ক্ষোভ প্ৰকাশ কৰে গ্ৰাহকে। নিজৰ জমা ধন উলিয়াবলৈ যদি ইমান কষ্ট কৰিব লগা হয় তেন্তে তেনে বেংক নথকাই ভাল বুলি কয় গ্ৰাহকে। ইয়াৰ উপৰি নতুনকৈ অহা দুগৰাকী বেংক বিষয়াই ৰাইজক যথেষ্ট হাৰাশাস্তি আৰু বেয়া ব্যৱহাৰ কৰে বুলিও গুৰুতৰ অভিযোগ কৰে।


*বৰমাত আয়োজিত জ্যেষ্ঠ নাগৰিকৰ চিকিৎসা শিবিৰৰ দৃশ্য।*

## ষষ্ঠ অনুসূচীৰ দাবীত কামৰূপ জিলা ৰাভা ছাত্ৰ সন্থাৰ ডিজিটেল প্ৰতিবাদ

■ চাইকেল ৰেলীৰে প্ৰতিবাদৰ হুংকাৰ ■ সামাজিক মাধ্যমৰ জৰিয়তে ভাৰতৰ প্ৰধানমন্ত্ৰী আৰু অসমৰ মুখ্যমন্ত্ৰীলৈ এই দাবী

অগ্ৰদূত বাৰ্তা
**বকো, ২৬ অক্টোবৰ ঃ** কামৰূপ জিলাৰ ৰাণীৰ পৰা গোৱালপাৰা জিলাৰ জয়ৰামকুছিলৈ ৭৭৯খন ৰাজহ গাঁও সাঙুৰি ২০১৩ত গঠন হৈছিল ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদ। ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদখন ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীৰ অন্তৰ্ভুক্তিৰ দাবীত ৰাভা হাছং যৌথ সংগ্ৰাম সমিতিয়ে দীৰ্ঘদিন ধৰি গণতান্ত্ৰিক আন্দোলন অব্যাহত ৰাখিছে। বিগত নিৰ্বাচনত বিজেপিক ৰাভা হাছং যৌথ সংগ্ৰাম সমিতিয়ে সহায়-সহযোগিতা আগবঢ়াই আহিছে যদিও বৰ্তমানলৈ ষষ্ঠ অনুসূচীৰ অন্তৰ্ভুক্তিৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে কোনো ধৰণৰ পদক্ষেপ গ্ৰহণ নাই। ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদখন ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীৰ অন্তৰ্ভুক্তিৰ দাবীত কালি কামৰূপ জিলা ৰাভা ছাত্ৰ সন্থা, কামৰূপ জিলা ৰাভা মহিলা পৰিষদ, ৰাভা সাহিত্য সভা, কৰ্মচাৰী পৰিষদ, কৃষ্টি সন্মিলনৰ সহযোগত কামৰূপ জিলাৰ পাঁচ সহস্ৰাধিক আৰছু কৰ্মী তথা সমৰ্থকে ডিজিটেল প্ৰতিবাদ সাব্যস্ত কৰে। সামাজিক মাধ্যম ফেচবুকৰ জৰিয়তে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদখন ভাৰতীয় সংবিধানখন ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্তৰ দাবী জনায়। পুৱা ১০ বজাৰ পৰা দিনৰ দুই বজালৈ সাব্যস্ত কৰে ডিজিটেল প্ৰতিবাদ। সামাজিক মাধ্যমৰ জৰিয়তে ভাৰতৰ প্ৰধানমন্ত্ৰী আৰু অসমৰ মুখ্যমন্ত্ৰীলৈ এই দাবী আৰছু তথা কামৰূপ জিলা তিনি ৰাভা জাতীয় সংগঠনৰ।



প্ৰতিবাদ সাব্যস্ত কৰি কামৰূপ জিলা ৰাভা ছাত্ৰ সন্থাৰ উপদেষ্টা সঞ্জীৱ কুমাৰ ৰাভা, সম্পাদক নমল কুমাৰ ৰাভা, ষষ্ঠ অনুসূচী দাবী সমিতিৰ সভাপতি বিদ্যা ৰাভা, মুখ্য সম্পাদক ননীগোপাল ৰাভা, নিখিল ৰাভা মহিলা পৰিষদৰ উপ-সভানেত্ৰী ললিতা ৰাভা, কামৰূপ জিলা ৰাভা মহিলা পৰিষদৰ সভানেত্ৰী সাধনা ৰাভা, বকো আঞ্চলিক ৰাভ ছাত্ৰ সন্থাৰ সভাপতি সুজিত ৰাভা, সম্পাদক দিব্য ৰাভাৰ উপস্থিতিত কামৰূপ জিলা ৰাভা ছাত্ৰ সন্থাৰ সভাপতি অজিত ৰাভাই কয় যে ষষ্ঠ অনুসূচীৰ দাবী দীৰ্ঘদিনীয়া। নিখিল ৰাভা ছাত্ৰ সন্থাৰ উপৰি ৰাভা হাছং যৌথ সংগ্ৰাম সমিতিৰ স'তে ৰাজ্য চৰকাৰে বাৰম্বাৰ আলোচনাত বহাৰ পাছতো ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদখন ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীৰ অন্তৰ্ভুক্তিৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ নকৰে তেন্তে কামৰূপ জিলা ৰাভা ছাত্ৰ সন্থাই সাংগঠনিক স্থিতি প্ৰবল কৰাৰ বাবে অতি সোনকালে চাইকেল ৰেলীৰে প্ৰতিবাদ সাব্যস্ত কৰিব বুলি তেওঁ সকীয়াই দিয়ে।

উল্লেখ্য যে ৰাভা জাতীয় সংগঠনৰ ঐক্য মঞ্চ ৰাভা হাছং যৌথ সংগ্ৰাম সমিতিৰ দীৰ্ঘদিনীয়া দাবী, গণতান্ত্ৰিক আন্দোলনৰ ফলশ্ৰুতিত পৰিষদখন গঠন হৈছিল। পৰিষদখনৰ জৰিয়তে ৰাভা হাছঙত বসবাস কৰা প্ৰতিটো জাতি-জনগোষ্ঠীৰ উন্নয়নৰ স্বাৰ্থত বিভিন্ন কাম কাজ কৰি আহিছে। তৎসত্ত্বেও ৰাভা হাছঙত বসবাস কৰা ৰাভা জনগোষ্ঠীৰ বাহিৰেও বিভিন্ন জাতি-জনগোষ্ঠীৰ সৰ্বাংগীণ উন্নয়নৰ স্বাৰ্থত ৰাভা হাছং যৌথ সংগ্ৰাম সমিতিয়ে দীৰ্ঘদিন ধৰি পৰিষদখন ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীৰ অন্তৰ্ভুক্তিৰ দাবী উত্থাপন কৰি আহিছে।

## পথালি পাহাৰত কলিতা জনগোষ্ঠীৰ প্ৰতিষ্ঠা দিৱস পালন

অগ্ৰদূত বাৰ্তা
**বান্দৰদেৱা, ২৬ অক্টোবৰ ঃ** লখিমপুৰ জিলাৰ পথালি পাহাৰত যোৱা ২৫ অক্টোবৰত বৃহত্তৰ কলিতা জনগোষ্ঠীয় সন্মিলনীয়ে ৩৪ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন কৰে। বৰ্ণাঢ্য কাৰ্যসূচীৰে পথালি পাহাৰ স্থায়ী ৰংগমঞ্চত অনুষ্ঠিত কলিতা জনগোষ্ঠীৰ প্ৰতিষ্ঠা দিৱসত কলিতা জনগোষ্ঠীক প্ৰতিখন চৰকাৰে মাহী আইৰ দৃষ্টিৰে চাই আহিছে বুলি অভিযোগ তুলি অসম চৰকাৰক তীব্ৰ সমালোচনা কৰে লখিমপুৰ জিলা শাখা সমিতিখনে। কলিতা জনগোষ্ঠীয় সন্মিলনীৰ লখিমপুৰ জিলা সমিতিৰ সভাপতি চন্দ্ৰ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত প্ৰতিষ্ঠা দিৱসত উপস্থিত থাকে ৰাজ্যিক উপ-সভাপতি কনেশ্বৰ বৰা, শংকৰদেৱ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সোণাৰাম কলিতা, ছাত্ৰনেতা দেৱজিৎ হাজৰিকাৰ লগতে লখিমপুৰ জিলাৰ কলিতা জনগোষ্ঠীৰ ভালে কেইগৰাকী ব্যক্তিয়ে অংশগ্ৰহণ কৰে। সভাত সদৌ অসম কলিতা জাতি ছাত্ৰ সন্থাৰ সদস্য দেৱজিৎ কলিতাই কয় যে ৰাজ্যত বৰ্তমান প্ৰায় এক কোটি কলিতা জনগোষ্ঠীৰ লোকে বসবাস কৰে। সেই জনগোষ্ঠীটোক চৰকাৰে সকলো দিশৰ পৰা প্ৰতাৰিত, বঞ্চিত আৰু শোষিত কৰি আহিছে। মুখ্যমন্ত্ৰীক ৰাইজে বৃহৎ কলিতা জনগোষ্ঠীৰ সৰ্বাংগীণ বিকাশৰ ক্ষেত্ৰত গুৰুত্ব দিবলৈ আহ্বান জনায়।

## আটাছু দিকচু আঞ্চলিক সমিতিৰ প্ৰতিনিধি সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা
**নামতি, ২৬ অক্টোবৰ ঃ** সদৌ তাই আহোম ছাত্ৰ সন্থা (আটাছু)ৰ শিৱসাগৰ জিলা সমিতিৰ অন্তৰ্গত দিকচু আঞ্চলিক সমিতিৰ প্ৰতিনিধি সভাখন ২৫ অক্টোবৰত খঁৰাগড় আঞ্চলিক কলা-কৃষ্টি কেন্দ্ৰৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। আটাছু শিৱসাগৰ জিলা সমিতিৰ সভাপতি ধমেন গগৈৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত মুখ্য অতিথিৰূপে উপস্থিত থাকি সংগঠনটোৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি তথা তাই আহোম উন্নয়ন পৰিষদৰ অধ্যক্ষ লিটুল বুঢ়াগোহাঁয়ে ভাষণত বহুকেইটা গুৰুত্বপূৰ্ণ বক্তব্য প্ৰদান কৰে। তদুপৰি বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি আটাছু কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি বসন্ত গগৈ, কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদক জয়ন্ত সন্দিকৈ, সাংগঠনিক সম্পাদক ভাস্কৰ বৰগোহাঁই, আটাছু শিৱসাগৰ জিলা সমিতিৰ উপ-সভাপতি ক্ৰমে নিপু শইকীয়া, অখিল আহোম, তপন চেতিয়া, দেৱজিৎ চেতিয়া আৰু মহকুমা সমিতিৰ প্ৰাক্তন সম্পাদক দীনেশ গগৈ উপস্থিত থাকি মন্তব্য আগবঢ়ায়। শতাধিক প্ৰতিনিধি উপস্থিত থকা উক্ত সভাতেই প্ৰসেনজিৎ বৰাক সভাপতি, সীমান্ত গগৈক কাৰ্যকৰী সভাপতি আৰু সীমান্ত দুৱৰা আৰু অনুপম গগৈক যুটীয়া সম্পাদকৰূপে লৈ এখন শক্তিশালী আঞ্চলিক সমিতি গঠন কৰা হয়।

## বিধানসভাৰ উপ-নিৰ্বাচনত বিজেপি-ইউপিপিএলক মুকলি সমৰ্থন প্ৰাক্তন এনডিএফবি ৰঞ্জন গোটৰ

অগ্ৰদূত বাৰ্তা
**শ্ৰীৰামপুৰ, ২৬ অক্টোবৰ ঃ** পাঁচটা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনলৈ মাজতে মাত্ৰ কেইদিন বাকী থকা সময়তে মিত্ৰজোঁটৰ সহযোগী দল ইউপিএলক মুকলি সমৰ্থন জনাইছে প্ৰাক্তন এনডিএফবি ৰঞ্জন গোটে। কালি শিমলটাপুত এক সংবাদ মেল যোগে এই কথা ঘোষণা কৰিছে সংগঠনটোৰ সাধাৰণ সম্পাদক অভিৰাম বসুমতাৰী ওৰফে ডি অঞ্জালুৱে। সেই মতে, গোসাঁইগাঁও, তামুলপুৰত ইউপিপিএলক আৰু ভৱানীপুৰত বিজেপিক এনডিএফবি (আৰ)য়ে মুকলি সমৰ্থন আগবঢ়াব বুলি প্ৰকাশ কৰে। সংবাদমেলত সাধাৰণ সম্পাদকজনে কয় যে সংগঠনৰ পূৰ্বৰ সিদ্ধান্ত মতে ক্ষমতাত থকা দলক সমৰ্থন কৰিছে বুলি তেওঁ প্ৰকাশ কৰে। সংবাদ মেলত প্ৰচাৰ সম্পাদক বি ৰিমিলাংসহ কে'বাগৰাকী নেতা-কৰ্মী উপস্থিত থাকে।

## শিঙৰাজানত বগীৰাম কলিতাৰ সম্বৰ্ধনা অনুষ্ঠান

অগ্ৰদূত বাৰ্তা
**বৰুৱাবামুণগাঁও, ২৬ অক্টোবৰ ঃ** শংকৰী সংস্কৃতিৰ সাধক তথা সামাজিক ক্ষেত্ৰখনৰ পুৰোধা ব্যক্তি গোলাঘাট জিলাৰ শিঙৰাজান গাঁও নামঘৰত পুৱা সেউজী ধৰণী ধুনীয়াৰ উপদেষ্টা শিৱপ্ৰসাদ শৰ্মা ঠাকুৰে গছপুলি ৰোপণেৰে কাৰ্যসূচীৰ মুকলি কৰে। ইয়াৰ পাছতেই শিঙৰাজান গানিকা দলৰ দ্বাৰা গায়ন-বায়ন প্ৰদৰ্শনৰ পাছতেই নাম-প্ৰসংগ অনুষ্ঠিত হয়। দুপৰীয়া জুৰি শইকীয়াৰ বৰগীতেৰে মুকলি সভা আৰম্ভ হয়। মুকলি সভাত সভাপতিত্ব কৰে সেউজী ধৰণী ধুনীয়াৰ প্ৰকল্প সঞ্চালক ড° ৰাতুল চন্দ্ৰ বৰাই। সেউজী ধৰণী ধুনীয়াৰ সচিব দেৱজিৎ কলিতাই আঁত ধৰা মুকলি সভাৰ উদ্বোধক বৰুৱাবামুণগাঁও প্ৰেছ ক্লাবৰ সভাপতি অৰুণ বিকাশ বৰুৱাই এয়া যোগ্যজনৰ প্ৰতি কৰা যোগ্য সন্মান বুলি উল্লেখ কৰি নৱপ্ৰজন্মক এইসকল ব্যক্তিৰ কৰ্মৰাজিৰে অনুপ্ৰাণিত হ'বলৈ আহ্বান জনায়। অভিনন্দন গ্ৰন্থখন উন্মোচন কৰে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ গোলাঘাট জিলা শাখাৰ সভাপতি চন্দ্ৰ হাজৰিকাই। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ মূলৰ সংস্কৃতি শাখাৰ প্ৰাক্তন সভাপতি তথা লোক সংস্কৃতিৰ সাধক পবিত্ৰ প্ৰাণ বৰা, কমাৰগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষা বীণা দত্ত, অসম চৰকাৰৰ জ্যেষ্ঠ বিত্ত আৰু গাণনিক বিষয়া সঞ্জীৱ কুমাৰ কলিতা, শৰণ সদস্য গোলাপ শইকীয়া, গোলাঘাট জিলা সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি পুৰঞ্জয় গোস্বামী, কবি দিলোৱাৰ হুছেইন, বাহনা কলেজৰ প্ৰাক্তন অধ্যক্ষা প্ৰীতি বৰদলৈ বৰা আদি উপস্থিত থাকে।

অভিনন্দন গ্ৰন্থ উন্মোচন

## হোৱাটছ্এপ গ্ৰুপে জন্ম দিলে নতুন সাংস্কৃতিক অনুষ্ঠান 'বহ্নিমান সাংস্কৃতিক মঞ্চ'

**দেৰগাঁও, ২৬ অক্টোবৰ ঃ** দেৰগাঁৱৰ কেইগৰাকীমান উদ্যমী যুৱক-যুৱতীয়ে জীৱন মিউজিক পাৰ্টি নামৰ এটা হোৱাটছ্এপ গ্ৰুপৰ জৰিয়তে কিছুদিন ধৰি বিভিন্ন সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ণ কৰি আহিছিল। যোৱা ২৫ অক্টোবৰত জীৱন মিউজিক পাৰ্টিৰ কৰ্মকৰ্তাসকলে দেৰগাঁও গড়কাপ্টানী বিভাগৰ পৰিদৰ্শন বঙলাৰ প্ৰাংগণত একগোট হৈ জন্ম দিলে 'বহ্নিমান সাংস্কৃতিক মঞ্চ' নামৰ এক নতুন সাংস্কৃতিক অনুষ্ঠানৰ। এই উপলক্ষে অনুষ্ঠিত সভাত সভাপতিত্ব কৰে প্ৰাণ গোপাল বৰঠাকুৰে। এই সভাতে ৰাজু গগৈক সভাপতি, বাসৱ বৰবৰাক উপ-সভাপতি, গায়ত্ৰী দেৱীক সম্পাদিকা, ৰিঞ্জু হাজৰিকা আৰু সৌৰভ হাজৰিকাক যুটীয়া সম্পাদক, জীৱন দাস আৰু ৰূপম ভূঞাক সাংস্কৃতিক সম্পাদক, কুমুদ বৰাক প্ৰচাৰ সম্পাদক আৰু লুকুমনি হাজৰিকাক কোষাধ্যক্ষ হিচাপে লৈ বহ্নিমান সাংস্কৃতিক মঞ্চৰ নতুন সমিতি গঠন কৰা হয়। মঞ্চই পৰৱৰ্তী সময়ত বিভিন্ন সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ণ কৰিব বুলি জানিবলৈ দিয়ে।

## নতুন প্ৰজন্মৰ মাজত বুৰঞ্জীৰ জ্ঞান প্ৰসাৰৰ প্ৰচেষ্টা যুৱ ছাত্ৰ পৰিষদৰ

বিশেষ সংবাদদাতা
**নগাঁও, ২৬ অক্টোবৰ ঃ** নতুন প্ৰজন্মৰ মাজত বুৰঞ্জীৰ জ্ঞান প্ৰসাৰৰ লক্ষ্যৰে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ উদ্যোগত আৰু মেট্ৰিক্স কনিষ্ঠ মহাবিদ্যালয়ৰ সহযোগত ত্ৰয়োদশ বাৰ্ষিক ধ্ৰুৱজ্যোতি বৰা সোঁৱৰণী অসম বুৰঞ্জী বিষয়ত সদৌ অসম মুকলি কুইজ প্ৰতিযোগিতাখন অহা ২৮ অক্টোবৰত নগাঁও মহাবিদ্যালয়ত উদ্বোধন কৰিব পৰিষদৰ সভাপতি ৰাণা প্ৰতাপ বৰুৱাই। নগাঁও জিলা সমিতিৰ সভাপতি দীপমণি বড়া আৰু সাধাৰণ সম্পাদক প্ৰাগজ্যোতিষ বণিয়াই এক বিবৃতিত উল্লেখ কৰে যে ত্ৰয়োদশ বৰ্ষত ভৰি দিয়া কুইজখনৰ লগত সংগতি ৰাখি এইবেলি পৰিষদৰ প্ৰাক্তন মুখ্য উপদেষ্টা ৰমেন্দ্ৰ মল্ল বুজৰবৰুৱাক সম্বৰ্ধনা জনোৱা হ'ব। লগতে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব শংকৰদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হিতেশ ডেকা, নগাঁও মহাবিদ্যালয়ৰ (স্বতন্ত্ৰ)ৰ অধ্যক্ষ ড° শৰৎ বৰকটকী, আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুৰজিৎ কুমাৰ ভাগৱতী, নগাঁও জিলা সাহিত্য সভাৰ সভাপতি পৰাণ কুমাৰ বৰুৱা। পৰিষদে জানিবলৈ দিয়া মতে, কেৱল অসম বুৰঞ্জীৰ ওপৰতহে কুইজ প্ৰতিযোগিতাখন অনুষ্ঠিত হ'ব। প্ৰতিযোগিতা সকলোৰে বাবে মুকলি থাকিব।

নগাঁৱত যুৱ-ছাত্ৰ পৰিষদৰ অসম বুৰঞ্জীৰ ওপৰত মুকলি কুইজ আৰম্ভ কৰিব সভাপতি ৰাণা প্ৰতাপ বৰুৱাই

## ফুলবাৰীত বিশেষ শিক্ষা কেন্দ্ৰ মুকলি

অগ্ৰদূত বাৰ্তা
**গৰুভাষা, ২৬ অক্টোবৰ ঃ** সীমান্তৱৰ্তী অনুন্নত অঞ্চলৰ উন্নয়নৰ প্ৰতি লক্ষ্য ৰাখি অসমৰ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ অনুসৰি অলপতে চিৰাং জিলা উপায়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহে চিৰাং জিলাৰ ভাৰত-ভূটান সীমান্তৰ দেউশ্ৰী ভিচিডিচিৰ অন্তৰ্গত অনুন্নত ফুলবাৰী অঞ্চলৰ বিদ্যালয়ত নামভৰ্তি নোহোৱা আৰু বাদ পৰা ছাত্ৰ-ছাত্ৰীৰ বাবে বিশেষ শিক্ষা কেন্দ্ৰ মুকলি কৰে। ইতিমধ্যে উক্ত কেন্দ্ৰত মুঠ ৫৭ জন শিক্ষাৰ্থীয়ে নিজৰ নাম ভৰ্তি কৰিছে। এই পৰ্যন্ত এণ্ট নামৰ বেচৰকাৰী সংস্থাই চিৰাং জিলা এছ এছ এৰ সহযোগত মুঠ পাঁচটা কেন্দ্ৰ চলাই আছে। অনুষ্ঠানত চিৰাং জিলা স্কুল পৰিদৰ্শক তথা জিলা প্ৰাথমিক শিক্ষা বিষয়া বিজয় বৈষ্ণৱ আৰু এণ্টৰ বিষয়ববীয়া উপস্থিত থাকে।

## তামুলপুৰত বিপিএফ কৰ্মীসহ বিভিন্ন দল-সংগঠনৰ ডেৰ শতাধিকৰ বিজেপিত যোগদান

অগ্ৰদূত বাৰ্তা
**তামুলপুৰ, ২৬ অক্টোবৰ ঃ** ৫৮ নম্বৰ তামুলপুৰ বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনক কেন্দ্ৰ কৰি মিত্ৰজোঁটৰ লগতে কংগ্ৰেছ, জি এছ পিৰ প্ৰাৰ্থী, নিৰ্দলীয় প্ৰাৰ্থীসকলৰ নিৰ্বাচনী প্ৰচাৰ কাৰ্য তুংগত উঠিছে। ইয়াৰ মাজতে আজি তামুলপুৰৰ গয়বাৰী মণ্ডল বিজেপিৰ কাৰ্যালয়ত ডেৰ শতাধিক লোকে বিপিএফৰ লগতে বিভিন্ন দলত্যাগ কৰি বিজেপিত যোগদান কৰে। বিটিচিৰ চৰকাৰী মনোনীত সদস্য হেমন্ত কুমাৰ ৰাভাৰ সঞ্চালনাত অনুষ্ঠিত সভাত উপস্থিত থাকে কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতা, তামুলপুৰ জিলা বিজেপিৰ সভাপতি ভিক্টৰ দাস, ৰাজেশ বড়ো, বিজেপিৰ মহিলা মৰ্চাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক অৰ্চনা চৌধুৰী আদিয়ে অংশ গ্ৰহণ কৰে।

■ বৰাকক লৈ চলি থকা বিতৰ্কক লৈও মন্তব্য ড০ পীতাম্বৰ দেৱ গোস্বামীৰ

## ভাওনাৰ লোকৰঞ্জনক সস্তীয়া নকৰিবলৈ আহ্বান সত্ৰাধিকাৰৰ

অগ্ৰদূত বাৰ্তা
**ধিং, ২৬ অক্টোবৰ ঃ** তিনিদিনীয়া ভ্ৰমণ কাৰ্যসূচী লৈ ধিঙৰ আউনীআটী শাখা সত্ৰত উপস্থিত হৈছে মাজুলীৰ আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামী। ধিং আউনীআটী শাখা সত্ৰৰ নামঘৰৰ মণিকূট পুনৰ প্ৰতিষ্ঠাৰ বাবে শাখা সত্ৰখনত উপস্থিত হয় সত্ৰাধিকাৰ দেৱ গোস্বামী। সত্ৰাধিকাৰজনে ধিং আউনীআটী শাখা সত্ৰৰ নামঘৰৰ নৱনিৰ্মিত মণিকূটৰ আৰম্ভ কৰি আগন্তুক মাজুলীৰ ৰাস উৎসৱক লৈ মাজুলীবাসী ৰাইজে কৰ'না মহামাৰীৰ পৰা পৰিত্ৰাণ পাবৰ বাবে সকলোৱে স্বাস্থ্য বিভাগৰ নীতি-নিয়ম মানি প্ৰতিষেধক গ্ৰহণ কৰিবলৈ আহ্বান জনায়। মাজুলীৰ ৰাস উৎসৱৰ সময়ত ক'ভিড যাতে অধিক হাৰত সংক্ৰমিত নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি তেওঁ এইদৰে আহ্বান জনায়। বৰাকত অসমীয়া ভাষাক অপমান কৰা বিষয়ত চলি থকা বিতৰ্ক সন্দৰ্ভত সত্ৰাধিকাৰ দেৱ গোস্বামী জাতি-উপজাতি, নানা জনগোষ্ঠীয় পৰিপূৰ্ণ আমাৰ ৰাজ্যখন যাতে পুনৰ ভাগ ভাগ নহয় তাৰ প্ৰতিও সকলো পক্ষলৈ আহ্বান জনাই। তেওঁ কয় যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অনবদ্য সৃষ্টি ভাওনা আধ্যাত্মিকতাৰ নিদৰ্শন। এই ভাওনা সংস্কৃতিত সস্তীয়া বহুৱালী উপস্থাপন কৰি আধ্যাত্মিকতাৰ পৰিৱেশ বিনষ্ট নকৰিবলৈকো তেওঁ আহ্বান জনায়।

## হাজোৰ সাংবাদিক-সাহিত্যানুৰাগী দীপাংক নাৰায়ণ ঠাকুৰীয়াৰ স্মৃতিচাৰণ সভাৰ আয়োজন

অগ্ৰদূত বাৰ্তা
**হাজো, ২৬ অক্টোবৰ ঃ** মণিকূট সাহিত্য সমাজ আৰু হাজো সাংবাদিক সন্থাৰ যুটীয়া উদ্যোগত সুৰেন দাস মহাবিদ্যালয় হাজোৰ প্ৰাক্তন ছাত্ৰ সন্মিলনৰ সহযোগত হাজো সাংবাদিক সন্থাৰ প্ৰতিস্থাপক উপ-সভাপতি তথা মণিকূট সাহিত্য সমাজৰ সম্পাদক প্ৰয়াত দীপাংক নাৰায়ণ ঠাকুৰীয়াৰ স্মৃতিচাৰণ সভা অহা ৩০ অক্টোবৰত অনুষ্ঠিত হ'ব। সেইদিনা পুৱা অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰিব মণিকূট সাহিত্য সমাজৰ সভাপতি প্ৰকাশ দাসে আৰু হাজো সাংবাদিক সন্থাৰ পতাকা উত্তোলন কৰিব সন্থাৰ সভাপতি গোবিন্দ দাসে। বন্তি প্ৰজ্বলন কৰিব প্ৰয়াত দীপাংক নাৰায়ণ ঠাকুৰীয়াৰ সহধৰ্মিণী মেঘালী ঠাকুৰীয়া আৰু পৰিয়ালবৰ্গই। ইয়াৰ পাছত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হ'ব। বৃক্ষৰোপণত অংশগ্ৰহণ কৰিব ক্ৰমে হাজো ৰাইজ সমিতিৰ সম্পাদক গৌতম শইকীয়া, সমাজৰকৰ্মী মনোৰঞ্জন মেধি, প্ৰাক্তন ছাত্ৰ সন্মিলনীৰ সভাপতি মনোজ মেধি, হাজো আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া বাবুল কুমাৰ মেধি, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ উপ-পঞ্জীয়ক বিচিত্ৰ নাৰায়ণ ঠাকুৰীয়া আৰু অৱসৰপ্ৰাপ্ত শিক্ষক বিজয় কুমাৰ দাসে। তাৰ পাছতে স্মৃতিচাৰণ সভা অনুষ্ঠিত হ'ব। কামৰূপ জিলা সাহিত্য সভাৰ সভাপতি নৃপেন্দ্ৰ কুমাৰ ভাগৱতীৰ সভাপতিত্বত অনুষ্ঠিত সভাত আদৰণী ভাষণ আগবঢ়াব হাজো সুৰেন দাস মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হিৰণ্য কুমাৰ শৰ্মাই। সভাত অংশগ্ৰহণ কৰিব অসম সাহিত্য সভাৰ মুখপাত্ৰ ড° সঞ্জীৱ কুমাৰ শৰ্মা, সদৌ অসম ছাত্ৰ সন্থাৰ উপদেষ্টা প্ৰকাশ চন্দ্ৰ দাস আৰু 'অসমীয়া প্ৰতিদিনি'ৰ জ্যেষ্ঠ সহকাৰী সম্পাদক ফণীধৰ দাসে। সভাত স্মৃতিগ্ৰন্থ উন্মোচন কৰিব এমট্ৰনৰ উপ-প্ৰৱন্ধক দীনমণি ভাগুাৰ কায়স্থই। হাজোৰ সুৰেন দাস মহাবিদ্যালয়ৰ মাধৱদেৱ ৰংগমঞ্চত অনুষ্ঠিত হ'বলগীয়া সভাত সমূহ ৰাইজৰ উপস্থিতি স্মৃতিচাৰণ উদ্‌যাপন সমিতিৰ সভাপতি নৃপেন্দ্ৰ কুমাৰ ভাগৱতী আৰু সম্পাদকদ্বয় ৰাজীৱ বৰুৱা আৰু জিতেন্দ্ৰ চন্দ্ৰ শইকীয়াই কামনা কৰিছে।

## টিহুত 'গামোচা'ৰ বোৱা-কটা প্ৰশিক্ষণৰ সামৰণি অনুষ্ঠান সম্পন্ন



অগ্ৰদূত বাৰ্তা
**টিহু, ২৬ অক্টোবৰ ঃ** মহিলা সবলীকৰণ আৰু থলুৱা বস্ত্ৰৰ ব্যৱহাৰৰ ক্ষেত্ৰত বিশেষ ভূমিকা লোৱা টিহুৰ স্বেচ্ছাসেৱী সংগঠন 'গামোচা'ৰ উদ্যোগত আৰু নাবাৰ্ডৰ সহযোগত অনুষ্ঠিত বোৱা-কটা আৰু ফুল তোলা প্ৰশিক্ষণৰ সামৰণি অনুষ্ঠান সম্পন্ন কৰা হয়। এই উপলক্ষে টিহু ৰাজহুৱা পুথিভড়ালত 'গামোচা' সংগঠনৰ সভানেত্ৰী ভতিমা দেৱীৰ পৌৰোহিত্যত অনুষ্ঠিত আৰু সম্পাদিকা ববিতা দাসে উদ্দেশ্য ব্যাখ্যা কৰা-আঁতধৰা সভাত নাবাৰ্ডৰ ডি ডি এম ৰাজেন্দ্ৰ পেৰেনাই বিশিষ্ট অতিথি হিচাপে ভাষণ দি শিপিনীসকলক প্ৰশিক্ষণত শিকা বিভিন্ন পদ্ধতি উপযুক্তভাৱে কামত খটুৱাবলৈ পৰামৰ্শ দিয়ে। তেওঁ বেংকৰ ঋণ যি কামৰ বাবে লোৱা হয় সেই কামহে কৰিবলৈ আৰু সময়মতে ঋণ পৰিশোধ কৰা উচিত, যাতে বেংকে পিছলৈ পুনৰ ঋণ দিবলৈ আগ্ৰহ কৰে তাৰ বাবে সচেতন হ'ব লাগে বুলি মন্তব্য কৰে। সভাত আমন্ত্ৰিত অতিথি টিহু ইউকো বেংকৰ শাখা প্ৰৱন্ধক কংকন বৰ্মন, টিহু গ্ৰামীণ বিকাশ বেংকৰ শাখা প্ৰৱন্ধক সন্তোষ শৰ্মা, নাথকুছি গ্ৰামীণ বিকাশ বেংকৰ শাখা প্ৰৱন্ধক পূৰৱী দাস, টিহু ৰাজহুৱা পুথিভড়াল সমিতিৰ সম্পাদক শংকৰ কুমাৰ দাস আদিয়ে 'গামোচা'ই লোৱা পদক্ষেপৰ বাবে সন্তোষ প্ৰকাশ কৰাৰ লগতে শিপিনীসকলক অধিক উন্নতিৰ বাবে প্ৰচেষ্টা ৰাখি প্ৰশিক্ষণত শিকা বিদ্যাৰ সদ্ব্যৱহাৰ কৰিবলৈ আহ্বান জনায়। সভাত সাংবাদিক অজিত কুমাৰ শৰ্মা আৰু কুমুদ বৰ্মনেও শুভেচ্ছামূলক বক্তব্য ৰাখে। 'গামোচা'ৰ মুখ্য পৰামৰ্শদাতা চন্দ্ৰমোহন দাসে আদৰণি ভাষণ দিয়া সভাখনত ৩০ গৰাকী প্ৰশিক্ষণপ্ৰাপ্ত শিপিনীক প্ৰমাণ পত্ৰ প্ৰদান কৰা হয়।

## নলবাৰী মহাবিদ্যালয়ত চলচ্চিত্ৰৰ ৰসাস্বাদন

■ তত্ত্ব আৰু অনুশীলন কৰ্মশালা সম্পন্ন

অগ্ৰদূত বাৰ্তা
**নলবাৰী, ২৬ অক্টোবৰ ঃ** নলবাৰী মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ 'সীমা বিশ্বাস চেণ্টাৰ ফৰ ফিল্ম এণ্ড পাৰ্ফৰ্মিং আৰ্টছ'ৰ উদ্যোগত আৰু 'আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষ'ৰ সহযোগত যোৱা ২৩ ছেপ্টেম্বৰত 'চলচ্চিত্ৰৰ ৰসাস্বাদন ঃ তত্ত্ব আৰু অনুশীলন' শীৰ্ষক এখন এদিনীয়া কৰ্মশালা অনুষ্ঠিত হৈ যায়। বিশিষ্ট চলচ্চিত্ৰ সমালোচক আৰু চলচ্চিত্ৰ নিৰ্মাতা উৎপল দত্তই এই কৰ্মশালাৰ সমল ব্যক্তি হিচাপে উপস্থিত থাকি চলচ্চিত্ৰ অধ্যয়ন বিষয়টোৰ বৰ্ধিত গুৰুত্বৰ বিষয়ে কয়। লগতে ছাত্ৰ-ছাত্ৰীসকলৰ সমুখত ছবি প্ৰদৰ্শন কৰি সেইসমূহৰ ওপৰত মন্তব্য লিখিবলৈ দিয়ে। চলচ্চিত্ৰৰ বিভিন্ন উপাদান আৰু চলচ্চিত্ৰ নিৰ্মাণ সম্বন্ধীয় বহু বিষয় ছবি নিৰ্মাতাজনে উল্লেখ কৰে। কবি আৰু লেখিকা স্বপ্না দত্ত ডেকায়ো ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশি অনুপ্ৰেৰণাদায়ী বক্তব্য ৰাখে। ড° দৰ্শনা গোস্বামীয়ে আঁতধৰা কৰ্মশালাখন নলবাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমল নয়ন পাটোৱাৰীয়ে উদ্বোধন কৰে। তাৰ পাছতে ইংৰাজী বিভাগৰ মুৰব্বী ড° কাকলি দত্তই আদৰণি ভাষণ ৰাখে। এই কৰ্মশালাৰ সমন্বয়ক আছিল ড° ৰতন ডেকা।

## মঙলদৈত কলিতা জনগোষ্ঠী সন্মিলনৰ কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস সম্পন্ন

বিশেষ সংবাদদাতা
**মঙলদৈ, ২৬ অক্টোবৰ ঃ** অবিভক্ত কলিতা জনগোষ্ঠী সন্মিলনৰ উদ্যোগত যোৱা ২৫ অক্টোবৰত মঙলদৈৰ জিলা সন্মিলনৰ কাৰ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে কেন্দ্ৰীয় সমিতিৰ ৩৪ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰা হয়। কাৰ্যসূচী প্ৰজ্বলন কৰে ৰাজ্যিক সমিতিৰ উপ-সভাপতি ড° শশীন চহৰীয়াই। ন বজাত ৰাজ্যিক সভাপতি ৰমনীকান্ত চহৰীয়াই সন্মিলনৰ পতাকা উত্তোলন কৰাৰ পাছতেই অবিভক্ত দৰং জিলা সমিতিৰ পতাকা উত্তোলন কৰে সভাপতি খিতেশ্বৰ কলিতাই। ৰাজ্যিক সম্পাদক দেৱ কুমাৰ ডেকাই স্মৃতি তৰ্পণ কৰাৰ পাছত আৰম্ভ হয় মুকলি সভা। ৰাজ্যিক সভাপতি ৰমনীকান্ত চহৰীয়াৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভা উদ্বোধন কৰে কলিতা উন্নয়ন পৰিষদৰ অধ্যক্ষ ডাঃ ৰাজেন্দ্ৰ চন্দ্ৰ কলিতাই। কলিতা জনগোষ্ঠী সন্মিলন অসমৰ কাৰ্যকৰী সভাপতি ডাঃ জগন্নাথ পাটগিৰি নিৰ্দিষ্ট বক্তা হিচাপে থকা সভাত কলিতা জনগোষ্ঠী সন্মিলন, অসমৰ উপদেষ্টা প্ৰবীণ চন্দ্ৰ কলিতা, উপেন্দ্ৰ নাথ ডেকা, কিৰণ চন্দ্ৰ চহৰীয়া, শুভাৰাম হাজৰিকা, কৰুণাকান্ত বৰ্মন, মহিলা মঞ্চৰ সভাপতি বনলতা দাসৰ লগতে মঙলদৈ প্ৰেছ ক্লাবৰ সভাপতি মদন চন্দ্ৰ বৰুৱায়ো অংশগ্ৰহণ কৰে। ৰাজ্যিক সম্পাদক দেৱ কুমাৰ ডেকা আৰু অবিভক্ত দৰং জিলা কলিতা জনগোষ্ঠী সন্মিলনৰ সম্পাদক অজিত কুমাৰ ডেকাই আঁত ধৰা সভাত একাংশই ক্ষোভ প্ৰকাশ কৰি কয় যে ৰাজ্য চৰকাৰে কলিতা উন্নয়ন পৰিষধ গঠন কৰিলে যদিও কোনো ধৰণৰ ধন আৱণ্টন দিয়া নাই। গতিকে ৰাজ্য চৰকাৰক অতি শীঘ্ৰে পৰিষদখনক ধন মোকলাই দিবলৈ অনুৰোধ জনায়।

■ যিকোনো মুহূৰ্ততে খহি যাব পাৰে পুৰণি পকীবেৰ ■ শীঘ্ৰে জৰাজীৰ্ণ বিদ্যালয়ৰ পুনৰ্নিৰ্মাণৰ দাবী আছুৰ

# শতবৰ্ষ গৰকা বিদ্যালয়ত আজিও আন্তঃগাঁথনিৰ অভাৱ



অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপৰ, ২৬ অক্টোবৰ ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰস্থিত বড়িগোগ বনভাগ শিক্ষা খণ্ডৰ অন্তৰ্গত প্ৰাথইমক আৰু মধ্য ইংৰাজী বিদ্যালয় একাংশত আন্তঃগাঁথনিৰ অভাৱকে ধৰি ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষকৰ অভাৱ হোৱাৰ অভিযোগ উঠিছে। একোখন বিদ্যালয়ৰ আন্তঃগাঁথনি ইমানে দুৰ্বল হৈ পৰিছে যে পুৰণি বিদ্যালয়গৃহৰ পকী বেৰ, টিনপাত আদি খহি কণ কণ ছাত্ৰ-ছাত্ৰীসকলক বিপদ পেলোৱাৰ উপক্ৰম হৈছে। আনহাতে, একোখন বিদ্যালয়ত ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষক নিযুক্তি নোহোৱাত শৈক্ষিক পৰিৱেশ বিনষ্ট হোৱাৰ অভিযোগ উঠিছে। তেনে এক উদাহৰণ হ'ল বড়িগোগ বনভাগ প্ৰাথমিক শিক্ষা খণ্ডটোৰ অন্তৰ্গত ভিঠা প্ৰাথমিক বিদ্যালয়। ১৯২১ তে স্থাপিত শতবৰ্ষ গৰকা বিদ্যালয়খনৰ আন্তঃগাঁথনি অতি দুৰ্বল হৈ পৰিছে। এই শিক্ষানুষ্ঠানৰ আওপুৰণি গৃহত কণ কণ ছাত্ৰ-ছাত্ৰীসকল পাঠদান নিদি ইয়াৰে সমীপতে থকা দুটা কোঠালি যুক্ত গৃহত ছয়টাকৈ শ্ৰেণীৰ প্ৰায় ৯০ গৰাকী শিক্ষাৰ্থীসকলক কোনো মতে পাঠদান দি আহিছে বুলি বিদ্যালয়খনৰ প্ৰধান শিক্ষকে সংবাদ মাধ্যমৰ আগত সদৰী কৰিছে। ইফালে, পুৰণি জৰাজীৰ্ণ গৃহটো যিকোনো মুহূৰ্ততে ফাট মেলাবেৰ আৰু কাঠ, টিনপাত খহি পৰি হঠাৎ অঘটন যে ঘটিব পাৰে তাৰ দৃশ্য প্ৰত্যক্ষ কৰিলে অনুমান কৰিব পাৰি।

শিক্ষানুষ্ঠানখনৰ বিদ্যালয় গৃহৰ এনে অৱস্থা দেখাৰ পাছতো শিক্ষা বিভাগে চকু মুদা কুলিৰ ভাও লোৱাত স্থানীয় ৰাইজ ক্ষোভিত হৈ পৰিছে। উল্লেখ্য যে ১৯২১ তে স্থাপিত শিক্ষানুষ্ঠানখনত প্ৰতিটো নিৰ্বাচনত ভোট কেন্দ্ৰ স্থাপন কৰি আহিছে যদিও আজি পৰ্যন্ত পুনৰ নিৰ্মাণতো দূৰৈৰে কথা প্ৰয়োজনীয় আন্তঃগাঁথনি, বিজ্ঞানসন্মত শৌচাগাৰ ধৰি অন্যান্য সমস্যাত পৰিছে যদিও শিক্ষা বিভাগে বিদ্যালয়খনৰ এই সমস্যাসমূহ সমাধানত মুঠেও গুৰুত্ব প্ৰদান নকৰাত স্থানীয় দল-সংগঠনকে ধৰি বৰাজোল আঞ্চলিক ছাত্ৰ সন্থাই বিদ্যালয়খনৰ সমস্যাসমূহ শীঘ্ৰে পূৰণ কৰাৰ বাবে চৰকাৰক দাবী জনাইছে। এই ক্ষেত্ৰত সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ ক্ৰীড়া সম্পাদক কংকন কলিতাই তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে। লগতে চৰকাৰী অসমীয়া মাধ্যমৰ অতি পুৰণি শিক্ষানুষ্ঠানৰ বিদ্যালয়সমূহৰ সমস্যা দূৰ কৰিবলৈ অসম চৰকাৰ তথা শিক্ষা বিভাগৰ বিভাগীয় কৰ্তৃপক্ষক দাবী জনাইছে।

## হাজোৰ বৰ্ণি ন-পাৰা প্ৰাথমিক বিদ্যালয়ত চুৰিকাণ্ডৰ ঘটনা

■ চোৰে তলা ভাঙি উঠাই লৈ গ'ল মটৰ পাম্পৰ লগতে বিদ্যালয় গৃহৰ টিনপাত

অগ্ৰদূত বাৰ্তা

**হাজো, ২৬ অক্টোবৰ ঃ** কামৰূপ জিলাৰ হাজোত এইবাৰ চোৰৰ টাৰ্গেট হৈ পৰিছে বিদ্যালয়। হাজোৰ বৰ্ণিৰ ন-পাৰা প্ৰাথমিক বিদ্যালয়ত চোৰে সংঘটিত কৰিছে চুৰিকাণ্ডৰ ঘটনা। নিশা বিদ্যালয়খনৰ তলা ভাঙি চোৰে লৈ গ'ল মটৰ পাম্পৰ লগতে বিদ্যালয় গৃহৰ টিনপাত। হাজো আৰক্ষী থানাৰ নীৰৱ ভূমিকাৰ ফলতেই হাজোত দৈনিক সংঘটিত হৈছে এটাৰ পাছত আনটো চুৰিকাণ্ডৰ ঘটনা। এইবাৰ এইখন বৰ্ণি ন-পাৰা প্ৰাথমিক বিদ্যালয়ৰ তলা ভাঙি গভাইত চোৰৰ দলে লৈ গ'ল এটা মটৰ পাম্পৰ লগতে বিদ্যালয় গৃহৰ কে'বাখনো টিনপাত। নিশা সংঘটিত এই চুৰিকাণ্ডৰ ঘটনাৰ পাছতে পুৱাৰ ভাগত বিদ্যালয়খনত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলৰ মাজত সৃষ্টি হয় হাহাকাৰময় পৰিৱেশৰ। কেৱল যোৱা নিশাই নহয়, ইয়াৰ পূৰ্বেও কে'বাবাৰো এই বিদ্যালয়খনত সংঘটিত হৈছে চুৰিকাণ্ডৰ ঘটনা। যোৱা নিশা সংঘটিত এই চুৰিকাণ্ডৰ সন্দৰ্ভত বিদ্যালয় কৰ্তৃপক্ষই আজি হাজো থানাত দাখিল কৰিছে এখন এজাহাৰ। বাতৰি লিখা সময়লৈকে হাজো আৰক্ষীয়ে চুৰি কাৰ্যৰ লগত জড়িত লোকৰ সন্ধান উলিয়াব পৰা নাই।

## কলগাছিয়াৰ বৰপেটা অসামৰিক চিকিৎসালয়ৰ চিকিৎসকৰ ধৰ্ণা

■ ৰোগীৰ মাজত হাহাকাৰ

**কলগাছিয়া, ২৬ অক্টোবৰ ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰৰ লগতে কলগাছিয়াস্থিত বৰপেটা অসামৰিক চিকিৎসালয়ৰ চিকিৎসকসকলে আজি পুৱা আঠ বজাৰ পৰা দুই বজালৈ এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। চিকিৎসকসকলে চিকিৎসা প্ৰদানৰ পৰা বিৰত থাকি প্ৰতিবাদ সাব্যস্ত কৰে। অৱশ্যে জৰুৰীকালীন চিকিৎসা সেৱাৰ লগতে লেবৰেট'ৰী আৰু ক'ভিড হাস্পতালৰ সেৱাসমূহ চলাই যায় বিভাগীয় চিকিৎসকে। বিভিন্ন ক্ষেত্ৰত চৰকাৰৰ পৰা বঞ্চিত হোৱাৰ প্ৰতিবাদত চিকিৎসকসকলে সাব্যস্ত কৰে এই প্ৰতিবাদ। চিকিৎসকসকলৰ বিভিন্ন দাবীসমূহ যদি চৰকাৰে মানি নলয় তেনেহ'লে আগন্তুক দিনত আৰু প্ৰতিবাদী কাৰ্যসূচী হাতত ল'ব বুলি মন্তব্য কৰে চিকিৎসকসকলে। চিকিৎসা গ্ৰহণৰ বাবে চিকিৎসালয়ত অহা ৰোগীৰ অভিভাৱকসকলে অতি শীঘ্ৰে আলোচনাৰ মাধ্যমত সমস্যা সমাধান কৰাৰ বাবে চৰকাৰক অনুৰোধ জনাইছে।

## নগাঁৱৰ কেন্দুগুৰিৰ পৰা গাঞ্জা সৰবৰাহকাৰী গ্ৰেপ্তাৰ

■ আঠ কিলোগ্ৰামৰো অধিক গাঞ্জা জব্দ

বিশেষ সংবাদদাতা

**নগাঁও, ২৬ অক্টোবৰ ঃ** নগাঁও চহৰৰ হয়বৰগাঁও আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া তৰংগ পাটৰৰ নেতৃত্বত আৰক্ষীয়ে চলোৱা এক অভিযানত চহৰৰ পাৰ্শ্বৱৰ্তী কেন্দুগুৰিৰ পৰা বৃহৎ সংখ্যক গাঞ্জা জব্দ কৰিবলৈ সক্ষম হয়। বিশেষ খবৰৰ ভিত্তিত আৰক্ষীয়ে চলোৱা অভিযানত কেন্দুগুৰিৰ ছৰিদুল ইছলাম নামৰ লোকজনৰ ঘৰৰ পৰা আৰক্ষীয়ে আঠ কিলোগ্ৰামৰো অধিক গাঞ্জা জব্দ কৰে। আৰক্ষীয়ে ছৰিফুল ইছলামকো আটক কৰে। আৰক্ষী বিষয়া পাটোৱাৰীয়ে জনোৱা মতে, ধৃত লোকজনে নগাঁও জিলাত গাঞ্জা সৰবৰাহৰ অন্যতম মূল ব্যক্তি হিচাপে দায়িত্ব পালন কৰি আছিল।

## ড° ৰবীন দেৱ চৌধুৰীৰ মৃত্যুত পাটাছাৰকুছিত শোক

**পাটাছাৰকুছি, ২৬ অক্টোবৰ ঃ** বজালী জিলাৰ পাটাছাৰকুছিৰ সু-সন্তান তথা সম্প্ৰতি গুৱাহাটী নিবাসী নতুন দিল্লীৰ ৰাষ্ট্ৰীয় সংগ্ৰহালয়ৰ অৱসৰপ্ৰাপ্ত সঞ্চালক প্ৰধান, সাহিত্যিক, অতি কৰ্মঠ তথা ন ন পৰিকল্পনাৰে বিশেষকৈ সংগ্ৰহালয়ৰ ক্ষেত্ৰত বহু নতুন কাম কৰা এগৰাকী সঁচা অসমপ্ৰেমী ড° ৰবীন দেৱ চৌধুৰীৰ মৃত্যুত পাটাছাৰকুছি অঞ্চলতো গভীৰ শোকৰ ছাঁ পৰিছে। বৰেণ্য ব্যক্তিজনৰ মৃত্যুত পাটাছাৰকুছি প্ৰেছ ক্লাৱ, প্ৰাগজ্যোতি ক্লাৱ, পাটাছাৰকুছি উন্নয়ন সমিতি, পাটাছাৰকুছি আঞ্চলিক নাগৰিক মঞ্চ, পাটাছাৰকুছি শাখা সাহিত্য সভা, ৰূপান্তৰ সংঘ আদিয়ে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰিছে।

## গোৱালপাৰা কৃষি বিভাগৰ বিৰুদ্ধে তথ্য জনাৰ অধিকাৰ আইনক ধোঁৱাচাঙত তোলাৰ অভিযোগ

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২৬ অক্টোবৰ ঃ** দুৰ্নীতিমুক্ত আৰু স্বচ্ছ প্ৰশাসনৰ বাবে চৰকাৰে তথ্য জনাৰ অধিকাৰ আইন ২০০৫ৰ প্ৰণয়ন কৰিছে। কিন্তু বাস্তৱ ক্ষেত্ৰত দুৰ্নীতি ফাদিল হোৱাৰ ভয়তে গোৱালপাৰা জিলা কৃষি বিভাগৰ কাৰ্যালয়ে আইনখনক ধোঁৱাচাঙত তোলাৰ অভিযোগ উঠিছে। প্ৰাপ্ত অভিযোগ অনুসৰি, যোৱা ২৮ জুলাইত জিলাখনৰ আৰটিআই কৰ্মী এগৰাকীয়ে জিলা কৃষি বিষয়াৰ কাৰ্যালয়ত চৰকাৰৰ পৰা ৰাজসাহায্যযুক্ত সাৰৰ বিষয়ে কেতবোৰ তথ্য বিচাৰি আবেদন কৰিছিল। কিন্তু নিৰ্দিষ্ট সময়ৰ ভিতৰত আবেদনকাৰীক কোনো ধৰণৰ তথ্য যোগান নধৰাৰ লগতে পত্ৰ এখনো প্ৰেৰণ কৰা নাই। সেয়ে আৰটিআই কৰ্মীগৰাকীয়ে যোৱা ১৪ ছেপ্টেম্বৰত জিলা কৃষি বিষয়াক অতি শীঘ্ৰে তথ্যখিনি যোগান ধৰিবলৈ আপীল কৰে। আপীলৰ পাছতো বৰ্তমানলৈকে আবেদনকাৰীয়ে কোনো ধৰণৰ সুফল লাভ নকৰা বুলি এক গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। অতি শীঘ্ৰে যদি বিচৰা ধৰণে তথ্যখিনি যোগান নধৰে তেন্তে আইনৰ কাষ চাপিবলৈ বাধ্য হ'ব বুলি আবেদনকাৰীয়ে জানিবলৈ দিয়ে। এতিয়া কৃষি বিষয়াই কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া লক্ষ্যণীয় হ'ব।

## মঙলদৈ মহাবিদ্যালয়ৰ এনচিচিৰ চাফাই অভিযান



অগ্ৰদূত বাৰ্তা

**মঙলদৈ, ২৬ অক্টোবৰ ঃ** দেশজুৰি চলি থকা 'আজাদী কা অমৃত মহোৎসৱ' উপলক্ষে আজি মঙলদৈ মহাবিদ্যালয়ৰ ৭৩ নম্বৰ এনচিচিৰ ছোৱালী শাখাৰ অধীনত মঙলদৈৰ বিভিন্ন স্থানৰ উপৰি ভেবাৰঘাট বেচৰকাৰী বাছ আস্থানত চাফাই অভিযান চলায়। প্ৰায় ৩০গৰাকী ছাত্ৰীৰ উপস্থিতিত এনচিচিৰ কেপ্টেইন লীনা শইকীয়াৰ নেতৃত্বত হোৱা এই কাৰ্যসূচীত অংশগ্ৰহণ কৰি মঙলদৈ চহৰৰ প্লাষ্টিক জাতীয় সামগ্ৰী পৰ্যমানে পৰিহাৰ কৰিবলৈ আৰু ৰাজহুৱা স্থান পৰিষ্কাৰ কৰি ৰাখিবলৈ আহ্বান জনায়।

## গোলাঘাটৰ দ-চুকত বন্যহস্তীৰ উপদ্ৰৱ ঃ চাহ বাগিচাত বিস্তৰ ক্ষতি

অগ্ৰদূত বাৰ্তা

**ফৰকাটিং, ২৬ অক্টোবৰ ঃ** যোৱা নিশা প্ৰায় ১০ বজাত গোলাঘাট বন সংমণ্ডলৰ ৰাটিং পঞ্চায়তৰ অন্তৰ্গত দ-চুক অঞ্চলত এটা ২০-২৫ জনীয়া বন্যহস্তীৰ জাকে প্ৰৱেশ কৰি কে'বা বিঘা মাটিৰ চাহ গছ উভালি পেলোৱাৰ উপৰি কে'বাবিঘা মাটিৰ ধান খাই তহিলং কৰে। প্ৰাপ্ত তথ্য মতে, অঞ্চলটোৰ নাতিদূৰৰ নামবৰ বনাঞ্চলৰ পৰা দৈয়াং নদী পাৰ হৈ খাদ্যৰ সন্ধানত দ'-চুকত প্ৰৱেশ কৰি ভালেকেইঘৰ কৃষকৰ চাহখেতি আৰু ধানখেতি নষ্ট কৰাত কৃষকসকল বিস্তৰ ক্ষতিৰ সন্মুখীন হয়। উল্লেখ্য যে পূৰ্বৰ পৰা বৃহত্তৰ অঞ্চলটোত বন্যহস্তীয়ে ধাৰাবাহিকভাৱে উপদ্ৰৱ চলাই আহিছে যদিও চৰকাৰৰ কৰ্তৃত্বশীল কৰ্তৃপক্ষই কৃষক ৰাইজক অনিষ্ট কৰা কৃষিকাৰ্যৰ ক্ষতিপূৰণ দিয়া নাই বুলি অভিযোগ উঠিছে।

## নগাঁৱত ছাত্ৰ সন্থাৰ বিক্ষোভ কাৰ্যসূচী

বিশেষ সংবাদদাতা

**নগাঁও, ২৬ অক্টোবৰ ঃ** সদৌ নগাঁও জিলা ছাত্ৰ সন্থাৰ মুখ্য কাৰ্যালয়ৰ সন্মুখত নামনি সোঁৱণশিৰি জলবিদ্যুৎ প্ৰকল্পকে ধৰি বৃহৎ নদীবান্ধ বন্ধৰ দাবীত আজি সংগঠনটোৰ সদস্যসকলে বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। এই কাৰ্যসূচীত জিলা ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি নিতুল বণিয়া, সম্পাদক অমৰজ্যোতি ফুকন, সদৌ নগাঁও জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি শৰৎ শৰ্মা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ সম্পাদক তথা সদৌ নগাঁও জিলা ছাত্ৰ সন্থাৰ তথা সম্পাদক ঋত্বিক কাশ্যপ, সদৌ নগাঁও জিলা ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক সঞ্জয় কাকতি, সদৌ নগাঁও জিলা ছাত্ৰ সন্থাৰ মুখ্য সাংগঠনিক সম্পাদক মনোজ দাস, নগাঁও মহকুমা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক তুলেন্দ্ৰ পাটৰ উপস্থিত থাকে। প্ৰতিবাদকাৰী ছাত্ৰ সন্থাৰ সদস্যসকলে এনএইছপিচি হায় হায়, বিজেপি চৰকাৰ হায় হায় আদি শ্ল'গান দি পৰিস্থিতি উত্তাল কৰি তোলে। তেওঁলোকে কোনো কাৰণতে বৃহৎ নদীবান্ধ নিৰ্মাণ কৰিবলৈ দিয়া নহ'ব বুলি চৰকাৰক সকীয়নি দিয়ে।

## দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ত ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ কলেজ গোট গঠন

**দেৰগাঁও, ২৬ অক্টোবৰ ঃ** দেৰগাঁৱৰ কমল দুৱৰা মহাবিদ্যালয় ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ কলেজ গোট কালি গঠন কৰা হয়। মহাবিদ্যালয়খনৰ প্ৰেক্ষাগৃহত তিনি শতাধিক ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত গঠন কৰা এই সমিতিখনত গোলাঘাট জিলা ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ সাধাৰণ সম্পাদক জ্যোতিষ্মান বৰা, কাৰ্যকৰী সভাপতি বিচিত্ৰ বৰা, উপ-সভাপতি বিপ্লৱ বৰা, দেৰগাঁও আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক খুৰাজ বৰুৱা প্ৰমুখ্যে বহুকেইজন বিষয়ববীয়া উপস্থিত থাকে। ৰাজহুৱা সভাখনত মৌচুম নীল হাজৰিকাক সভাপতি, উপ-সভাপতি দেৱব্ৰত দত্ত, চামিম আখটাৰ, জিতুপন বৰাক সাধাৰণ সম্পাদকৰূপে লৈ ১৫১ জনীয়া কলেজ গোট সমিতিখন গঠন কৰা হয়।

## নিমাতীঘাটৰ নাও দুৰ্ঘটনাৰ পৰিণতি

■ লখিমপুৰ জিলাৰ ধুনাগুৰি ঘাটত বন্ধ নাও চলাচল ■ বন্ধ হৈ পৰিছে ১০ খনকৈ বিদ্যালয়ৰ পাঠদান ■ শীঘ্ৰে ব্যৱস্থা গ্ৰহণৰ দাবী ৰাইজৰ

অগ্ৰদূত বাৰ্তা

**লালুক, ২৬ অক্টোবৰ ঃ** নিমাতীঘাটৰ নাও দুৰ্ঘটনাৰ পৰা অসম চৰকাৰ তথা প্ৰশাসনে এটা যন্ত্ৰৰে চালিত নাৱৰ চলাচল বন্ধ কৰাৰ পাছত লখিমপুৰ জিলাৰ ধুনাগুৰিৰ ঘাটৰ পৰা মাজুলিলৈ চলি থকা এখন যন্ত্ৰৰে চালিত নাৱৰ চলাচলো বন্ধ হৈছে। ধুনাগুৰি ঘাটৰ পৰা সোৱণশিৰিৰ বুকুৰেদি মাজুলীলৈ অহা-যোৱাৰ বাবে থকা এটা যন্ত্ৰচালিত নাৱৰ চলাচল চলি আছিল যদিও যোৱা ২২ অক্টোবৰত মাজুলীৰ পৰা ধুনাগুৰিৰ ঘাটলৈ চলাচল কৰি থকা এখন এটা যন্ত্ৰৰে চালিত নাও সোৱণশিৰিৰ বুকুত আবদ্ধ হৈ পৰিছিল। মাজুলীৰ পৰা লখিমপুৰলৈ অহা বহু যাত্ৰীৰ বহু সময় ধৰি নদীৰ বুকুত আবদ্ধ হৈ থাকিব লগা হৈছিল। তেতিয়াৰ পৰা প্ৰশাসনে উক্ত ঘাটটোত এটা যন্ত্ৰৰে চালিত নাৱৰ চলাচল বন্ধ কৰে। নাৱৰ চলাচল বন্ধ হৈ পৰাত লখিমপুৰ জিলাৰ বিহপুৰীয়া শিক্ষাখণ্ডৰ বহু বিদ্যালয়ত কালি পাঠ গ্ৰহণৰ পৰা ছাত্ৰ-ছাত্ৰীসকল বিৰত থাকিবলগীয়া হৈছে। বিহপুৰীয়া শিক্ষা খণ্ডৰ বাঁহগড়া ধুনাগুৰি বৰ্দ্ধিত দুই মণ্ডল সমল কেন্দ্ৰৰ চিআৰচিচি আলোক প্ৰসাদ দত্তই সদৰী কৰা মতে, ধুনাগুৰিৰ পৰা মাজুলীলৈ সোৱণশিৰিৰ বুকুত চলা এটা যন্ত্ৰৰে চালিত নাৱৰ চলাচল যোৱা ২২ অক্টোবৰৰ পৰা প্ৰশাসনে বন্ধ কৰি দিয়াত সম্প্ৰতি লখিমপুৰ জিলাৰ ধুনাগুৰি হৈ মাজুলীলৈ অহা-যোৱা কৰাৰ ব্যৱস্থা বন্ধ হৈ পৰে। ফলত কালিৰ দিনটোত শিক্ষা খণ্ডটোৰ অধীনৰ মাজুলীত থকা নিজৰ কৰ্মস্থলীৰ বিদ্যালয়সমূহলৈ শিক্ষক-শিক্ষয়িত্ৰীসকল যাব নোৱাৰিলে। শিক্ষক-শিক্ষয়িত্ৰীসকলে পুৱা কৰ্মস্থলীলৈ ওলাই গৈ ধুনাগুৰি ঘাটৰ পৰা ঘূৰি আহিব লগা হয়। চিআৰচিচি দত্তই জানিবলৈ দিয়া মতে, বিহপুৰীয়া শিক্ষা খণ্ডৰ ১০খন বিদ্যালয়লৈ শিক্ষক-শিক্ষয়িত্ৰীসকলে ধুনাগুৰি ঘাট পাৰ হৈ নিজৰ কৰ্মস্থলীলৈ দৈনিক অহা-যোৱা কৰিব লাগে। ইয়াৰে এখন বিদ্যালয়তে স্থানীয় শিক্ষকৰ ব্যৱস্থা আছে। বিহপুৰীয়া শিক্ষা খণ্ডৰ বাঁহগড়া ধুনাগুৰি বৰ্দ্ধিত দুই মণ্ডল সমল কেন্দ্ৰৰ অধীনত মাজুলীত এক নম্বৰ আউনী বাৰী প্ৰাথমিক বিদ্যালয়, দুই নম্বৰ আউনী বাৰী প্ৰাথমিক বিদ্যালয়, পাভ ভেকেলি প্ৰাথমিক বিদ্যালয়, পাভ ভেকাইলি প্ৰাথমিক বিদ্যালয়, কানিয়াজান প্ৰাথমিক বিদ্যালয়, খানিয়াজান প্ৰাথমিক বিদ্যালয়, কানিয়াজান বালিচাপৰি প্ৰাথমিক বিদ্যালয়, দুই নম্বৰ কংকুৰ প্ৰাথমিক বিদ্যালয়, লোহিতপাৰ জে জে এম ই স্কুল আৰু কে কে বি মিচিং হাইস্কুল আছে। এই বিদ্যালয়সমূহত শিক্ষকতা কৰা শিক্ষক-শিক্ষয়িত্ৰীসকল কালি নিজ নিজ বিদ্যালয়লৈ যাব নোৱাৰাৰ বাবে বিদ্যালয়সমূহৰ শ শ ছাত্ৰ-ছাত্ৰী পাঠ গ্ৰহণৰ পৰা বিৰত থাকিব লগা হৈছে। এইক্ষেত্ৰত স্থানীয় ৰাইজ, শিক্ষক-শিক্ষয়িত্ৰীসকলে ধুনাগুৰি ঘাটত উন্নত আৰু আধুনিক প্ৰযুক্তিৰ নাও চলাচলৰ সুবিধা কৰি বিদ্যালয়সমূহৰ শ শ কণ কণ ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতৰ কথা চিন্তা কৰি অচিৰে যাতায়াত ব্যৱস্থা সুগম কৰি দিবলৈ প্ৰশাসন তথা চৰকাৰক দাবী জনাইছে।

## বিশিষ্ট সমাজকৰ্মী-শংকৰী সাধক প্ৰয়াত গোবিন বৰাৰ স্মৃতিচাৰণ অনুষ্ঠান

■ অনুষ্ঠানত অংশগ্ৰহণ ভক্তপ্ৰাণ ৰাইজৰ



অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ২৬ অক্টোবৰ ঃ** জামুগুৰিহাটৰ শলগুৰি গাঁৱৰ প্ৰয়াত সমাজকৰ্মী, শংকৰী সাধক, সমাজ সংগঠক গোবিন বৰাৰ প্ৰথম মৃত্যু বাৰ্ষিকী উপলক্ষে এখন স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। প্ৰয়াত বৰাৰ বাসগৃহত আজি অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, দল-সংগঠনৰ বিষয়ববীয়া সদস্যই গোবিন বৰাৰ স্মৃতিচাৰণ কৰাৰ লগতে তেওঁৰ প্ৰতিচ্ছৱিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। প্ৰয়াত বৰাৰ স্মৃতিচাৰণ কৰি শলগুৰি গাঁৱৰ শিক্ষক-সমাজকৰ্মী প্ৰমোদ বৰাই কয়, গোবিন বৰা এই অঞ্চলৰ পথ প্ৰদৰ্শক। চেউনী বটদ্ৰৱা থান, শলগুৰি বিহুমেলা, চেউনী বটদ্ৰৱা সত্ৰৰ উপৰি জামুগুৰিহাটৰ বিভিন্ন সামাজিক, ধৰ্মীয়, সাংস্কৃতিক অনুষ্ঠানেৰে জড়িত বৰা প্ৰকৃতাৰ্থত এগৰাকী সমাজ গঢ়া ব্যক্তি আছিল। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অংশগ্ৰহণ কৰি প্ৰয়াত বৰাৰ স্মৃতিচাৰণ কৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নামধৰ্ম সমাজৰ জিলাৰ সভাপতি-সম্পাদক, জামুগুৰি আঞ্চলিকৰ সভাপতি-সম্পাদক, চেউনী বটদ্ৰৱা সত্ৰ আৰু থানৰ বিষয়ববীয়াসকলে। দুপৰীয়া প্ৰয়াত বৰাৰ বাসগৃহত মহাপুৰুষ শ্ৰীমন্ত নামধৰ্ম সমাজৰ ভকত বৈষ্ণৱসকলে নাম প্ৰসংগ অনুষ্ঠিত কৰে।

## যোৰহাট জিলা সেৱা বাহিনীৰ ৰাইজলৈ আহ্বান

অগ্ৰদূত বাৰ্তা

**লাহদৈগড়, ২৬ অক্টোবৰ ঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘৰ যোৰহাট জিলা শাখাৰ সেৱা বাহিনীয়ে ৰাইজক পোহৰৰ উৎসৱ দীপান্বিতাৰ বাবে পৰিৱেশৰ প্ৰতি লক্ষ্য ৰাখি উদ্‌যাপন কৰিবলৈ আহ্বান জনাইছে। বোমা-ফটকা আৰু ফুলজাৰি ব্যৱহাৰ নকৰি মাটিৰ চাকি জ্বলাই উৎসৱ পালন কৰি আমাৰ প্ৰাকৃতিক পৰিৱেশ সুৰক্ষিত কৰাৰ লগতে উঠি অহা প্ৰজন্মৰ কথা চিন্তা কৰিবলৈ বাহিনীয়ে আহ্বান জনাইছে।

## হোজাই জিলা প্ৰশাসনৰ সতৰ্কতা সজাগতা সপ্তাহ পালন

অগ্ৰদূত বাৰ্তা

**যমুনামুখ, ২৬ অক্টোবৰ ঃ** সমগ্ৰ দেশৰ লগতে হোজাই জিলাতো জিলা প্ৰশাসনৰ উদ্যোগত আজিৰে পৰা পহিলা নৱেম্বৰলৈকে সতৰ্কতা সজাগতা সপ্তাহ, ২০২১ পালন কৰা হৈছে। এই উপলক্ষে উপায়ুক্তৰ কাৰ্যালয় সভাকক্ষত সমবেত হোৱা বিষয়া-কৰ্মচাৰীক উপায়ুক্ত অনুপম চৌধুৰীয়ে সতৰ্কতা সজাগতা সপ্তাহৰ উদ্দেশ্য ব্যাখ্যা কৰি সকলোকে জনসাধাৰণৰ স্বাৰ্থত সততা, নিষ্ঠা আৰু একাগ্ৰতাৰে নিজৰ দায়িত্ব আৰু কৰ্তব্য পালন কৰি যাবলৈ আহ্বান জনায়। এই সতৰ্কতা সজাগতা সপ্তাহৰ স'তে সংগতি ৰাখি উপায়ুক্ত কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰীসকলে এক শপতবাক্য গ্ৰহণ কৰে।

## বৰমাৰ বৰজাৰত আইন সজাগতা সভা



**বৰমা, ২৬ অক্টোবৰ ঃ** বৰমাৰ ওচৰৰ বৰজাৰত আজি এখন আইন সজাগতা সভা অনুষ্ঠিত হয়। ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকৰণৰ পৃষ্ঠপোষকতাত আৰু নলবাৰী জিলা আইন সেৱা প্ৰাধিকাৰীৰ উদ্যোগত পেন ইণ্ডিয়া সজাগতা আৰু প্ৰচাৰৰ অংশস্বৰূপে হোৱা আইন সজাগতা সভাত সভাপতিত্ব কৰে বৰজাৰ গাঁওবুঢ়া প্ৰফুল্ল চন্দ্ৰ কলিতাই। সভাত অধিবক্তা ত্ৰিবেণী দেৱীয়ে গাঁৱৰ দুখীয়া মানুহ বা গাৰ্হস্থ্য হিংসাৰ বলি হোৱা মহিলাই কেনেকৈ বিনামূলীয়াকৈ আইনী সাহায্য পোৱাৰ ব্যৱস্থা আছে তাক বিৱৰি কয়। স্থানীয় উদ্যমী যুৱক উপেন কলিতাৰ উদ্যোগত হোৱা সভাখনত নলবাৰী জিলা আইন সেৱা প্ৰাধিকাৰীৰ মুখ্য সহায়ক বাপুকন শৰ্মাই বাৰ্ষিক দুই লাখ টকাৰ উপাৰ্জনৰ গৰাকীক মাটি-বাৰী, খৰাকী আদি সমস্যাৰ সমাধানৰ বাবে বিনামূলীয়া আইন সাহায্য গ্ৰহণ কৰিবলৈ আহ্বান জনায়। আইন সজাগতা সভাখনত বৰজাৰ গাঁৱৰ প্ৰাণেশ্বৰ কলিতা, মাধৱ কলিতা, বসন্ত হালৈ, বসন্ত কলিতাকে ধৰি বহু পুৰুষ-মহিলা উপস্থিত থাকে।

## বিমানকোঠ সংযোগী পথত চাফাই অভিযান

■ জাবৰ-জোঁথৰ পেলালে আইনগত ব্যৱস্থা ল'ব পঞ্চায়তে

অগ্ৰদূত বাৰ্তা

**আজাৰা, ২৬ অক্টোবৰ ঃ** গুৱাহাটী বৰঝাৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানকোঠ সংযোগী ভিআইপি পথটোৰ দাঁতিত একাংশ অসচেতন লোকে জাবৰ-জোঁথৰ পেলাই পৰিৱেশটো অস্বাস্থ্যকৰ কৰাৰ লগতে দুৰ্গন্ধময় কৰি তুলিছে। অতি গুৰুত্বপূৰ্ণ উক্ত পথটোৰ এনে দুৰৱস্থাৰ বাবে শেহতীয়াকৈ যোৱা ২৪ অক্টোবৰৰ পৰা কাঁহিকুছি গাঁও পঞ্চায়তৰ উদ্যোগত চাফাই অভিযান আৰম্ভ কৰা হয়। অঞ্চলটোৰ গুৱাহাটী বৰঝাৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানকোঠ সংযোগী ভিআইপি পথটোৰ জাগৰণৰ সন্মুখত থকা পথছোৱাৰ দাঁতিত জাবৰ-জোঁথৰ এক্সকাভেটৰৰে চাফাই কৰা হয়। পথটোৰ বিমানকোঠৰ পৰা ভিআইপি, ৰাণীগেট, আজাৰা, ধাৰাপুৰলৈ পথৰ কাষে কাষে অ'ত-ত'ত জাবৰ-জোঁথৰ সিঁচৰতি হৈ আছে। ইতিমধ্যে কাঁহিকুছি গাঁও পঞ্চায়তৰ তৰফৰ পৰা অঞ্চলটোৰ ঠায়ে ঠায়ে বেনাৰ আঁৰি জাবৰ-জোঁথৰ নেপেলাবলৈ জনসাধাৰণক অনুৰোধ জনাইছে। এই ক্ষেত্ৰত কাঁহিকুছি গাঁও পঞ্চায়তৰ সভাপতি জগন্নাথ ঠাকুৰীয়াই উল্লেখ কৰি কয় যে গুৱাহাটী বৰঝাৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানকোঠলৈ দেশী-বিদেশী পৰ্যটকৰ লগতে ভিভিআইপিসকল নিতৌ অহা-যোৱা কৰি থাকে। এনে অৱস্থাত উক্ত পথছোৱা সুন্দৰ কৰি ৰখাৰ সকলোৰে দায়িত্ব আছে। এই ক্ষেত্ৰত উক্ত পথছোৱাত জাবৰ-জোঁথৰ পেলোৱা লোকৰ বিৰুদ্ধে আইনগত ব্যৱস্থা লোৱা হ'ব বুলি উল্লেখ কৰে।

## বিশ্বনাথৰ মিজিকাজানৰ পৰা বৃহৎ পৰিমাণৰ দেশীয় অৰুণাচলী সুৰা জব্দ

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ২৬ অক্টোবৰ ঃ** যোৱা নিশা বিশ্বনাথৰ মিজিকাজানৰ হাটখোলা লাইনৰ পৰা বৃহৎ পৰিমাণৰ দেশীয় আৰু অৰুণাচলী সুৰা জব্দ কৰে। বিশেষ সূত্ৰৰ পম খেদি উক্ত অঞ্চলৰ পৰা প্ৰায় ৭০ কাৰ্টুন সুৰা জব্দ কৰিবলৈ সক্ষম হয় বিশ্বনাথ আৰক্ষীৰ বিশেষ দলটোৱে। বহু দিনৰ পৰা সুৰাৰ ৰমৰমীয়া ব্যৱসায় চলি অহা উক্ত অঞ্চলৰ পৰা তিনি ঘৰৰ পৰা তিনিজনকৈ ব্যক্তিক আটক কৰাৰ লগতে সমগ্ৰ তদন্ত প্ৰক্ৰিয়া অব্যাহত ৰাখিছে বিশ্বনাথ আৰক্ষীয়ে।

■ জনপ্ৰতিনিধি-চৰকাৰৰ বিৰুদ্ধে ক্ষোভ খহনীয়াত আক্ৰান্তৰ

## বৰপেটাৰ কাছুমাৰাত কাতিমহীয়া বানত গৃহহীন কে'বাটাও পৰিয়াল



**আলোপতি, ২৬ অক্টোবৰ ঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তৰ্গত বৃহত্তৰ কাছুমাৰাত পুনৰ আৰম্ভ হৈছে ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ তাণ্ডৱ। চলিত সপ্তাহত হঠাৎ ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহৰ পানী অস্বাভাৱিকভাৱে বাঢ়িবলৈ আৰম্ভ কৰাত পুনৰ বৃদ্ধি পাইছে জলস্তৰ। কাতিমহীয়া আৰতৰীয়া বানত বৰপেটা জিলাৰ চেঙা সমষ্টিৰ বিভিন্ন প্ৰান্তৰ লগতে বৃহত্তৰ কাছুমাৰাত ব্ৰহ্মপুত্ৰৰ খহনীয়াই ভয়ংকৰ ৰূপ ধাৰণ কৰাত ত্ৰস্তমান হৈ পৰিছে প্ৰায় অৰ্ধশতাধিক পৰিয়াল। বিগত চাৰি-পাঁচ দিনত খহনীয়াই কাছুমাৰাত সংহাৰী ৰূপ ধাৰণ কৰাত গৃহহীন হৈছে কে'বাটাও পৰিয়াল। আৰতৰীয়া বানত সৃষ্ট খহনীয়াত আতংকিত হৈ পৰিছে অঞ্চলবাসীয়ে। ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ কবলত পৰি ইতিমধ্যে কাছুমাৰাৰ পৰা কে'বাটাও পৰিয়াল অইন ঠাইলৈ স্থানান্তৰিত হোৱাৰ উপৰি আন বহু পৰিয়ালে নিজৰ ঘৰ-দুৱাৰ ভঙাত ব্যস্ত হৈ পৰিছে। নিজৰ অৱশিষ্ট সম্পদখিনি লৈ নিৰাপদ স্থানলৈ স্থানান্তৰিত হৈছে এটাৰ পাছত আনটো পৰিয়াল। দীৰ্ঘদিন অঞ্চলটোত ব্ৰহ্মপুত্ৰৰ খহনীয়াই ভয়াৱহ তাণ্ডৱ চলাই শতাধিক পৰিয়ালক গৃহহীন কৰাৰ পাছতো খহনীয়া প্ৰতিৰোধৰ বাবে জনপ্ৰতিনিধি তথা ৰাজ্য চৰকাৰে কোনো ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ উত্থাপন কৰিছে ভুক্তভোগী লোকসকল। শীঘ্ৰে অঞ্চলটোৰ খহনীয়া প্ৰতিৰোধ কৰাৰ ব্যৱস্থা ল'বলৈ সমষ্টিৰ বিধায়ক আশ্ৰাফুল হুছেইনক দাবী জনাইছে ভুক্তভোগী লোকসকলে।






# ৱেষ্টইণ্ডিজৰ বিপক্ষে সহজ জয় দঃ আফ্ৰিকাৰ

## ক্ৰমাগত পৰাজয়েৰে সমস্যাত পৰিল কেৰিবিয়ান দল ঃ পুনৰ ডুবালে বেটিং বিভাগে



*লেণ্ডল ছিমন্সক আউট কৰি দক্ষিণ আফ্ৰিকাৰ কাছিগ' ৰাবাডাৰ উল্লাস।*

**নিউজ ব্যুৰ'**

**ডুবাই, ২৬ অক্টোবৰ ঃ** বেটে-বলে উজ্জীৱিত প্ৰদৰ্শন আগবঢ়াই চলিত টি-২০ বিশ্বকাপত প্ৰত্যাৱৰ্তন ঘটালে দক্ষিণ আফ্ৰিকাই। প্ৰথম মেচত অষ্ট্ৰেলিয়াৰ বিপক্ষে পৰাজিত হোৱা দলটোৱে আজি গ্ৰুপ 'এক'ত নিজৰ দ্বিতীয়খন খেলত ৱেষ্টইণ্ডিজক আঠ উইকেটত সহজে পৰাজিত কৰে। ক্ৰমাগত দুখন মেচত পৰাজিত হৈ যোৱাবাৰৰ চেম্পিয়ন কেৰিবিয়ান দলটো সমস্যাৰ সন্মুখীন হৈছে।

ডুবাইত অনুষ্ঠিত আজিৰ প্ৰথমখন খেলত ৱেষ্টইণ্ডিজে প্ৰথমে বেটিং কৰি আঠ উইকেটৰ বিনিময়ত ১৪৩ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকাই দুটা উইকেট হেৰুৱাই ১০টা বল বাকী থকা অৱস্থাত জয়ৰ লক্ষ্যত উপনীত হয়। সহজ লক্ষ্য আগত লৈ দক্ষিণ আফ্ৰিকাই দলীয় চাৰি ৰাণতে অধিনায়ক টেম্বা বাভুমা (২)ৰ উইকেট হেৰুৱাইছিল। অৱশ্যে ৰীজা হেণ্ড্ৰিক্স (৩৯) আৰু ৰেছী ভান ডাৰ ডুছেন (৪৩ অপঃ)ৰ দৃঢ়তাত দ্বিতীয় উইকেটৰ যুটিত ৫৭ ৰাণ সংগ্ৰহ হয়। ইয়াৰ পাছত এইডেন মাৰ্কৰামে এক বিস্ফোৰক অৰ্ধশতৰাণ অৰ্জন কৰি দললৈ জয় কঢ়িয়াই আনে। মাৰ্কৰামে মাত্ৰ ২৬টা বলত দুটা বাউণ্ডেৰী আৰু চাৰিটা ছিক্সাৰৰ সহায়ত ৫১ ৰাণ কৰি অপৰাজিত হৈ ৰয়।

ইয়াৰ পূৰ্বে দক্ষিণ আফ্ৰিকাৰ বলিং বিভাগৰ দৃঢ়তাত অপেনাৰ এৱিন লিৱিছৰ বাহিৰে আন কোনো কেৰিবিয়ান বেটাৰে স্বভাৱসিদ্ধ বেটিং কৰিব নোৱাৰিলে। লিৱিছে ৩৫টা বলত তিনিটা বাউণ্ডেৰী আৰু ছটা ছিক্সাৰৰ সহায়ত ৫৬ ৰাণ কৰে। ইয়াৰ বাহিৰে অধিনায়ক কেইৰ'ন প'লাৰ্ডে ২৬ ৰাণৰ বৰঙণি আগবঢ়ায়। দক্ষিণ আফ্ৰিকাৰ ডুৱাইন প্ৰিট'ৰিয়াছে তিনিটা আৰু কেশৱ মহাৰাজে দুটা উইকেট পায়। অৱশ্যে এটা উইকেট পালেও অতি কৃপণ বলিঙেৰে চাৰি অভাৰত মাত্ৰ ১৪ ৰাণ খৰচ কৰি কেৰিবিয়ান বেটাৰক বান্ধি ৰখা এনৰিখ ন'ৰ্খেই 'মেন অৱ দ্য মেচ'ৰ সন্মান লাভ কৰে।



# ৰাজহুৱা পুখুৰীত অনুশীলন কৰিয়ে ৰাষ্ট্ৰীয় সাঁতোৰত স্বৰ্ণজয় জনঞ্জয়ৰ

## বিশেষ কৃতিত্ব গোলাঘাটৰ প্ৰতিভাৱান সাঁতোৰবিদৰ

**কমাৰবন্ধা, ২৬ অক্টোবৰ ঃ** ৰাজহুৱা পুখৰীত অনুশীলন কৰিয়েই ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতাত স্বৰ্ণপদক অৰ্জন কৰিলে গোলাঘাটৰ এজন প্ৰতিভাৱান সাঁতোৰবিদে। এই কৃতিত্ব অৰ্জন কৰা উদীয়মান সাঁতোৰবিদজন হৈছে গোলাঘাট জ্যোতিনগৰৰ নিবাসী জনঞ্জয় শইকীয়া। উল্লেখ্য যে ক'ভিড পৰিস্থিতিত ছুইমিং পুলসমূহ বন্ধ থকাৰ বাবে জনঞ্জয়ে অনুশীলন কৰিব পৰা নাছিল। যাৰ বাবে পিতৃয়ে জ্যোতিনগৰত এটা ৰাজহুৱা পুখুৰী খন্দাই পুত্ৰৰ অনুশীলনৰ ব্যৱস্থা কৰিছিল। উক্ত পুখুৰীত অনুশীলন কৰিয়ে জনঞ্জয়ে বাংগালুৰুত ভাৰতীয় ক্ৰীড়া সংস্থাই অনুষ্ঠিত কৰা ৩৭ সংখ্যক ছাব জুনিয়ৰ আৰু ৪৭ সংখ্যক জুনিয়ৰ ৰাষ্ট্ৰীয় সাঁতোৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি ৫০ মিটাৰ বাটাৰফ্লাইত স্বৰ্ণপদক জয় কৰে। আনকি মাত্ৰ ৫১ ছেকেণ্ডৰ বাবে তেওঁ ৰাষ্ট্ৰীয় অভিলেখ গঢ়াৰ পৰাও থমকি ৰ'বলগীয়া হয়।



# পানীবিল ফাইনেলত

**অগ্ৰদূত বাৰ্তা**

**নাজিৰা, ২৬ অক্টোবৰ ঃ** আয়োজক দল নাজিৰা মহকুমাৰ পানীবিল ক্ৰীড়া সন্থাই দৰিকা নগৰ খেলপথাৰত চলি থকা মহেন্দ্ৰ নাথ চেতিয়া আৰু হৰেন্দ্ৰ নাথ কোঁৱৰ সোংৱৰণী প্ৰাইজমানি ফুটবলৰ ফাইনেলত প্ৰৱেশ কৰিছে। আজিৰ দ্বিতীয়খন ছেমিফাইনেলত পানীবিলে কালুগাঁও ফুটবল দলক ১-০ গ'লত পৰাজিত কৰে। দলৰ হৈ জয়সূচক গ'লটো দিয়ে বিকি লাচিতে। খেল পৰিচালনাত ৰেফাৰী পৰিমল বুঢ়াগোঁহাইক সহায় কৰে বেদান্ত গগৈ, ঋতুৰাজ বৰুৱা আৰু ছামছুদ জামানে।

# দুই স্পীনাৰৰ বিক্ৰমেৰে প্ৰথম মেচত আফগানিস্তানৰ দুৰ্দান্ত জয়

## মাত্ৰ ৬০ ৰাণতে সীমাবদ্ধ থাকিল স্কটলেণ্ড

**নিউজ ব্যুৰ'**

**শ্বাৰজাহ, ২৬ অক্টোবৰ ঃ** দেশৰ পৰিস্থিতিৰ প্ৰভাৱ পৰিবলৈ নিদিয়াকৈ টি-২০ বিশ্বকাপত দুৰ্দান্ত আৰম্ভণি ঘটালে আফগানিস্তানে। যোৱা নিশাৰ গ্ৰুপ 'দুই'ৰ খেলত আফগান দলটোৱে নৱাগত দল স্কটলেণ্ডক ১৩০ ৰাণৰ বিশাল ব্যৱধানত পৰাজিত কৰে। ১৯১ ৰাণৰ কঠিন জয়ৰ লক্ষ্য আগত লৈ স্কটলেণ্ড দলটোৱে ৬০ ৰাণতে ইনিংছ সামৰিবলৈ বাধ্য হয়। আফগান দলৰ এই দুৰ্দান্ত জয়ৰ মূলতে আছিল দুই স্পীনাৰ মুজিব উৰ ৰহমান আৰু ৰছিদ খানৰ অসাধাৰণ বলিং। মুজিবে পাঁচটা আৰু ৰছিদে চাৰিটা উইকেট দখল কৰে। স্কটলেণ্ডৰ হৈ জৰ্জ মুন্সীয়ে সৰ্বাধিক ২৫ ৰাণ কৰে।

ইয়াৰ পূৰ্বে প্ৰথমে বেটিং কৰি আফগানিস্তানে চাৰি উইকেটৰ বিনিময়ত ১৯০ ৰাণ সংগ্ৰহ কৰে। দলৰ হৈ সৰ্বাধিক ৫৯ ৰাণ কৰে নাজিবুল্লাহ জাড্ৰানে। তেওঁ ৩৪টা বল খেলি পাঁচটা বাউণ্ডেৰী আৰু তিনিটা ছিক্সাৰ মাৰে। ইয়াৰ উপৰি অপেনাৰ হাজৰাতুল্লা জাজাইয়ে ৩০টা বলত ৪৪ আৰু ৰহমানুল্লাহ গুৰবাজে ৩৭টা বলত ৪৬ ৰাণৰ বৰঙণি আগবঢ়ায়।

## আইবা বিশ্ব বক্সিং প্ৰতিযোগিতাত ভাৰতৰ সুন্দৰ আৰম্ভণি

# প্ৰথম যুঁজত দৰ্শনীয় জয় শিৱ থাপাৰ


**নিউজ ব্যুৰ'**

**বেলগ্ৰেড, ২৬ অক্টোবৰ ঃ** আইবা বিশ্ব বক্সিং প্ৰতিযোগিতাত সুন্দৰ আৰম্ভণি ঘটালে ভাৰতৰ বক্সাৰে। পুৰুষৰ প্ৰতিযোগিতাখনৰ আজিৰ খেলত পূৰ্বৰ ব্ৰঞ্জ বিজয়ী অসমৰ শিৱ থাপায়ো জয়লাভ কৰে। আজি অসমৰ বক্সাৰজনে ৬৩.৫ কেজি শাখাৰ যুঁজখনত কেনিয়াৰ ভিক্টৰ নিয়াডেৰাক ৫-০ ব্যৱধানত পৰাজিত কৰে। শিৱই দ্বিতীয় ৰাউণ্ডত ছিয়েৰে লিয়নেৰ বক্সাৰ জন ব্ৰাউনৰ বিপক্ষে খেলিব।

ভাৰতৰ আকাশ ছাংৱানে ৬৭ কেজি শাখাত তুৰ্কীৰ ফুৰকান এডেমক ৫-০ ব্যৱধানত হৰুৱাই দ্বিতীয় ৰাউণ্ডলৈ অগ্ৰসৰ হয়। বৰ্তমানৰ ৰাষ্ট্ৰীয় চেম্পিয়ন আকাশৰ পৰৱৰ্তী প্ৰতিদ্বন্দ্বী হ'ব জাৰ্মানীৰ ডেনিয়েল ক্ৰ'টাৰ। ভাৰতৰ হৈ আজি প্ৰতিযোগিতাত জয়ৰ ধাৰা সূচনা কৰে ৰোহিত ম'ৰে। তেওঁ ৫৭ কেজি শাখাত ইকুৱেড'ৰৰ জাঁ কাইচেড'ক ৫-০ ব্যৱধানত পৰাজিত কৰে। আনহাতে, এছিয়ান চেম্পিয়ন সঞ্জিতে ৯২ কেজি শাখাৰ প্ৰথম ৰাউণ্ডত 'বাই' লাভ কৰে।



# ৰেংকিঙত ক্ৰমাৎ অৱনতি ফেডেৰাৰৰ



**নিউজ ব্যুৰ'**

**জেনেভা, ২৬ অক্টোবৰ ঃ** পুৰুষ টেনিছৰ বিশ্ব ৰেংকিঙত ক্ৰমাৎ অৱনতি ঘটিছে একালৰ শীৰ্ষ খেলুৱৈ ৰজাৰ ফেডেৰাৰৰ। এটিপিৰ তৰফৰ পৰা কালি প্ৰকাশ কৰা নতুন ৰেংকিং তালিকাত প্ৰাক্তন এক নম্বৰ খেলুৱৈজনে চাৰিটা স্থান হেৰুৱালে। ফলত তেওঁ লাভ কৰিছে পঞ্চদশ স্থান।যোৱা সপ্তাহত তেওঁ শীৰ্ষ ১০টা স্থানৰ বাহিৰ হৈছিল। উল্লেখ্য যে উইম্বলডনৰ কোৱাৰ্টাৰ ফাইনেলত পৰাজিত হোৱাৰ পাছৰে পৰা ৪০ বছৰীয়া ছুইজাৰলেণ্ডৰ মহাতাৰকাজনে আঁঠুৰ আঘাতৰ বাবে কোনো প্ৰতিযোগিতাত খেলা নাই। নতুন ৰেংকিং তালিকাৰ প্ৰথম পাঁচটা স্থানত আছে ক্ৰমে ছাৰ্বিয়াৰ ন'ভাক ড'ক'ভিচ, ৰাছিয়াৰ ডানিল মেডভেডেভ, গ্ৰীচৰ ষ্টেফান'ছ ছিটছিপাছ, আলেকজেণ্ডাৰ জেৰেভ আৰু ৰাফেল নাডাল।

# কাছমাৰী ফুটবলৰ কোৱাৰ্টাৰত চকলাঘাট

**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ২৬ অক্টোবৰ ঃ** চকলাঘাট ফুটবল ক্লাবে নগাঁও জিলাৰ কাছমাৰী আঞ্চলিক ক্ৰীড়া সংঘৰ সৌজন্যত আয়োজিত প্ৰাইজমানি ফুটবলৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। আজি অনুষ্ঠিত প্ৰি-কোৱাৰ্টাৰ ফাইনেলত চকলাঘাটে মৰিগাঁও জিলাৰ গা খজুৱা ফুটবল ক্লাবক ১-০ গ'লত পৰাজিত কৰে। তুমুল প্ৰতিদ্বন্দ্বিতাপূৰ্ণ খেলখনৰ ৪২ মিনিটত চকলাঘাটৰ হৈ জয়সূচক গ'লটো দিয়ে ৰাজা আমছিয়ে। খেল পৰিচালনা কৰাত ৰেফাৰী বিপ্লৱ কোঁৱৰক সহায় কৰে বিষ্ণু বৰদলৈ, সমীৰ বৰদলৈ আৰু কণ্ঠী ৰাজাই। কাইলৈ কাছমাৰী কোচিং চেণ্টাৰ দলে মৰিগাঁও জিলাৰ চাৰিপুনীয়া এফ চিৰ বিপক্ষে খেলিব।

# শিৱসাগৰ জিলা আন্তঃবিদ্যালয় ফুটবল

## নামতি মণ্ডলৰ খেল আৰম্ভ

**অগ্ৰদূত বাৰ্তা**

**নামতি, ২৬ অক্টোবৰ ঃ** শিৱসাগৰ জিলা আন্তঃবিদ্যালয় ফুটবলৰ নামতি মণ্ডলৰ খেলসমূহ আজি কৰুণাকান্ত গগৈ সোঁৱৰণী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত আৰম্ভ হয়। আজিৰ উদ্বোধনী খেলখনত জয়লাভ কৰে বৰছিলা উচ্চ মাধ্যমিক বিদ্যালয় দলে। খেলখনত বৰছিলাই কৰুণাকান্ত গগৈ উচ্চতৰ মাধ্যমিক বিদ্যালয় দলক টাইব্ৰেকাৰ পদ্ধতিৰে ৩-২ গ'লৰ ব্যৱধানত পৰাজিত কৰে। আনহাতে, ছোৱালীৰ ফুটবলত নামতি হাইস্কুল দলে দিকচু হাইস্কুল দলক ২-০ গ'লত আৰু দোপদৰ হাইস্কুল দলে নামতি চাৰিআলি ছোৱালী হাইস্কুল দলক ৪-৩ গ'লত পৰাজিত কৰে। আজি নামতি মণ্ডলৰ প্ৰতিযোগিতা উদ্বোধন কৰে অধিবিদ্যা পৰিষদৰ ৰাজ্যিক সম্পাদক পৰিব্ৰপ্ৰাণ ভট্টাচাৰ্যই। উদ্বোধনী অনুষ্ঠানত শিৱসাগৰ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক কমলজ্যোতি গগৈ, অৱসৰপ্ৰাপ্ত অধ্যক্ষ ৰাজেন বৰা, বাণী গগৈ আদি উপস্থিত থাকে। উক্ত অনুষ্ঠানতে আয়োজিত ফিট ইণ্ডিয়াৰ কুইজ প্ৰতিযোগিতা পৰিচালনা কৰে শিক্ষক দিলীপ শইকীয়া আৰু প্ৰদ্যুৎ বল্লভ শইকীয়াই।

# কিৱিৰ বিপক্ষে জয় পাকিস্তানৰ

**নিউজ ব্যুৰ'**

**শ্বাৰজাহ, ২৬ অক্টোবৰ ঃ** টি-২০ বিশ্বকাপত একেৰাহে দ্বিতীয় বিজয় অৰ্জন কৰিলে পাকিস্তানে। আজি নিশাৰ গ্ৰুপ 'দুই'ৰ খেলত পাকিস্তানে নিউজিলেণ্ডক পাঁচ উইকেটত পৰাজিত কৰে। জয়ৰ বাবে প্ৰয়োজন হোৱা ১৩৫ ৰাণ পাক দলে ১৮.৪ অভাৰতে সংগ্ৰহ কৰে। মহম্মদ ৰিজৱানে সৰ্বাধিক ৩৩ ৰাণ কৰাৰ বিপৰীতে ২৭ ৰাণকৈ সংগ্ৰহ কৰি অপৰাজিত হৈ থাকে ছোৱেইব মালিক আৰু আছিফ আলী। ইয়াৰ পূৰ্বে প্ৰথমে বেটিং কৰি আঠ উইকেটত ১৩৪ ৰাণহে সংগ্ৰহ কৰিবলৈ সক্ষম হয়। পাকিস্তানৰ নিখুঁত বলিঙৰ বাবে কোনো এজন কিৱি বেটাৰে বিস্ফোৰণ ঘটাব নোৱাৰিলে। নিউজিলেণ্ডৰ হৈ সৰ্বাধিক ২৭ ৰাণকৈ আহে ডাৰিল মিচেল আৰু ডেভিদ ক'নৱেৰ বেটৰ পৰা। অধিনায়ক কেন উইলিয়ামছনে ২৫ ৰাণ কৰে। পাক বলাৰ হেৰিছ ৰৌফে ২২ ৰাণৰ বিনিময়ত চাৰিটা উইকেট দখল কৰে।



*আফগানিস্তানৰ জয়ৰ দুই নায়ক ৰছিদ খান আৰু মুজিব উৰ ৰহমান।*

# জি এলৰ অগ্ৰগতি

**অগ্ৰদূত বাৰ্তা**

**বহলপুৰ, ২৬ অক্টোবৰ ঃ** জি এল ক্লাবে বহলপুৰৰ ৰঙামাটি হাইস্কুল খেলপথাৰত চলি থকা মেহেৰ জামাল-ইজৰাইল হক সোঁৱৰণী ফুটবলৰ পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰিছে। আজিৰ খেলত জি এল ক্লাবে পাৰোউৰা ফুটবল দলক ২-১ গ'লত পৰাজিত কৰে। কাইলৈ কোকৰাঝাৰৰ ডালোৱাবাৰী চাহ বাগিচা দলে ঢোলমাৰা ফুটবল একাদশৰ বিপক্ষে খেলিব।

# বজালীত জিলাভিত্তিক কাৰাটে প্ৰশিক্ষণ

**পাটাছাৰকুছি, ২৬ অক্টোবৰ ঃ** বজালীত কাৰাটে ড'ৰ উদ্যোগত আৰু বৰপেটা জিলা কাৰাটে জিলা কাৰাটে সন্থাৰ সৌজন্যত জিলা ভিত্তিক প্ৰশিক্ষণ দুদিনীয়া প্ৰশিক্ষণ ২৩ আৰু ২৪ অক্টোবৰত পাঠশালাৰ বজালীত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেল পথাৰত অনুষ্ঠিত হয়। প্ৰথম দিনা এই উপলক্ষে পতাকা উত্তোলন কৰে বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ সঞ্জীৱ কুমাৰ তালুকদাৰে। ইয়াৰ পাছতে গছপুলি ৰোপণ কৰে জ্যেষ্ঠ অধিবক্তা গিৰিধৰ চৌধুৰীয়ে। প্ৰশিক্ষাৰ্থীসকলৰ নাম পঞ্জীয়নৰ পাছতে আবেলি প্ৰশিক্ষণৰ আৰম্ভণি মুকলি কৰে ৬ ডান ব্লেক বেল্ট তথা নবাৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ পদক পোৱা চেচান সমীৰ দাসে। প্ৰশিক্ষণৰ ৱাৰ্ম আপ কৰে ২ ডান ব্লেক বেল্ট পোৱা ঈশানী দেউৰীয়ে। এই প্ৰশিক্ষণত প্ৰথম দিনা বজালী কাৰাটে দোৰ প্ৰশিক্ষাৰ্থীসকলৰ উপৰি বিভিনন ঠাইৰ পৰা অহা প্ৰায় ৭৫ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে।

প্ৰশিক্ষণত অংশগ্ৰহণ কৰা প্ৰশিক্ষকসকল হ'ল ক্ৰমে শৈলেন্দ্ৰ দাস বৰপোট জিলা কাৰাটে সন্থাৰ সাধাৰণ সম্পাদক, কৃষ্ণ কান্ত দাস সভাপতি বৰপেটা জিলা কাৰাটে সন্থা, সঞ্জীৱ, দেউৰী, কাৰ্যকৰী সভাপতি, অৰ্ণবজান শৰ্মা, কন্দৰ্প কুমাৰ দাস, ভাস্কৰ শৰ্মা, ঈশানী দেউৰী, ৰাতুল দাস, পংকজ পাঠক, অসীম তালুকদাৰ আৰু দীপক কুমাৰ দাসে। আদৰণি সমিতিৰ সভাপতি তুতুল মানব আৰু উপদেষ্টা নৱ তালুকদাৰে প্ৰশিক্ষাৰ্থীসকলক ধন্যবাদ জ্ঞাপন কৰিছে। অন্তিম দিনা প্ৰাক্তন বিধায়িকা ড° মলয়া বৰ্মণ আৰু কেবিনেট মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস আদিয়ে প্ৰশিক্ষণ থলীত উপস্থিত থাকি প্ৰশিক্ষাৰ্থীসকলক উৎসাহ প্ৰদান কৰে। আনহাতে, অসম কাৰাটে সন্থাৰ সম্পাদক আদৰ্শ চৌধুৰী, এচিয়ান কাৰাটেৰ প্ৰশিক্ষক ৰমেন পাল আদি উপস্থিত থাকে।



# ছাউথ এছিয়ান গেমছৰ ভাৰতীয় ভলীবল দলত স্থান বটদ্ৰৱাৰ আজমল



**অগ্ৰদূত বাৰ্তা**

**ধিং, ২৬ অক্টোবৰ ঃ** হিমা দাসৰ পাছত নগাঁও জিলাৰ বটদ্ৰৱাৰ আলিটাঙনীয়ে লাভ কৰিলে আন এজন আন্তৰ্জাতিক পৰ্যায়ৰ খেলুৱৈ। তেওঁ হৈছে প্ৰতিভাৱান ভলীবল খেলুৱৈ আজমল কবিৰ। তেওঁ ৩০ অক্টোবৰৰ পৰা নেপালত অনুষ্ঠিত হ'বলগীয়া ছাউথ এছিয়ান গেমছৰ বাবে ভাৰতীয় ভলীবল দলত স্থান লাভ কৰিছে। ক্ষুদ্ৰ ব্যৱসায়ীৰূপে জীৱিকা অৰ্জন কৰিও নিজৰ ক্ৰীড়া প্ৰতিভা বিকাশৰ বাবে কঠোৰ পৰিশ্ৰম কৰা আজমলে আজি ভাৰতীয় দলত যোগ দিয়াৰ বাবে ৰাওনা হৈছে। তেওঁ আলিটাঙনীৰ অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰয়াত মৌলানা আবুল শ্বাহিদৰ কনিষ্ঠ পুত্ৰ। প্ৰতিভাৱান খেলুৱৈজনক আজি আলিটাঙনী চাৰিআলিত স্থানীয় ব্যৱসায়ী সন্থা, বটদ্ৰৱা সাংবাদিক সন্থা, আলিটাঙনী আঞ্চলিক আমছু আদিয়ে সম্বৰ্ধনা জ্ঞাপন কৰে।

# ড্ৰিম ইলেভেন ফাইনেলত

**অগ্ৰদূত বাৰ্তা**

**মঙলদৈ, ২৬ অক্টোবৰ ঃ** ওদালগুৰিৰ ড্ৰিম ইলেভেন ফুটবল ক্লাবে দৰঙৰ ভকতপাৰাত চলি থকা পঞ্চম বাৰ্ষিক বড়োলেণ্ড গেলেণ্ট ফুটবলৰ ফাইনেলত প্ৰৱেশ কৰিছে। আজ অনুষ্ঠিত ছেমিফাইনেলত ড্ৰিম ইলেভেনে ভকতপাৰাৰ ৰিভেঞ্জাৰ ফুটবল ক্লাবক ৩-১ গ'লত পৰাজিত কৰে। খেলৰ ১২ মিনিটতে ড্ৰিম ইলেভেনৰ ৰোহন বসুতাৰীয়ে দলক আগুৱাই নিছিল যদিও ইৰাক খাখলাৰীয়ে ৰিভেঞ্জাৰৰ হৈ সমতা স্থাপন কৰে। অৱশ্যে দ্বিতীয়াৰ্ধ্বত মাইকেল আৰ কে দৈমাৰীয়ে দুটা গ'ল দি দলৰ বিজয় নিশ্চিত কৰে।

## টি-২০ বিশ্বকাপত বৰ্ণ বিদ্বেষৰ বিৰুদ্ধে প্ৰতিবাদত অসন্মতি!

# খেলৰ পৰা নাম প্ৰত্যাহাৰ ডি ক'কৰ

**নিউজ ব্যুৰ'**

**ডুবাই, ২৬ অক্টোবৰ ঃ** আজি ৱেষ্টইণ্ডিজৰ বিপক্ষে খেলত অৱতীৰ্ণ হোৱাৰ পূৰ্বে বিতৰ্কৰ সূত্ৰপাত ঘটিল দক্ষিণ আফ্ৰিকাৰ শিবিৰত। অন্তিম সময়ত খেলখনৰ পৰা নাম প্ৰত্যাহাৰ কৰিলে তাৰকা খেলুৱৈ কুইণ্টন ডি ক'কে। বৰ্ণ বিদ্বেষৰ বিৰুদ্ধে প্ৰতিবাদ জনাবলৈ দক্ষিণ আফ্ৰিকা ক্ৰিকেট ব'ৰ্ডৰ তৰফৰ পৰা দিয়া নিৰ্দেশনাত অসন্তুষ্ট হৈছে উইকেট কীপাৰ-বেটাৰজনে এই সিদ্ধান্ত লোৱা বুলি ধাৰণা কৰা হৈছে। অৱশ্যে টছৰ সময়ত দক্ষিণ আফ্ৰিকাৰ অধিনায়ক টেম্বা বাভুমাই জনায় যে সম্পূৰ্ণ ব্যক্তিগত কাৰণত ডি ক'কে নাম প্ৰত্যাহাৰ কৰিছে।

উল্লেখ্য যে চলিত বিশ্বকাপত প্ৰতিটো দলেই বৰ্ণ বিদ্বেষৰ বিৰুদ্ধে প্ৰতীকী প্ৰতিবাদ সাব্যস্ত কৰিছে। প্ৰতিটো দলৰ ক্ৰিকেটাৰে ভিন্ন পদ্ধতিৰে এই প্ৰতিবাদ সাব্যস্ত কৰিছে। যোৱা বছৰৰ ২৫ নৱেম্বৰত দক্ষিণ আফ্ৰিকা ক্ৰিকেট ব'ৰ্ডে জনাইছিল যে বৰ্ণ বিদ্বেষৰ বিপক্ষে তেওঁলোকৰ খেলুৱৈসকলে তিনি ধৰণে প্ৰতিবাদ জনাব পাৰিব। আঁঠু কাঢ়ি বহি, থিয় হৈ বুকুত হাত দি বা সাৱধান ভংগীৰে থিয় হৈ। আজি খেলৰ প্ৰায় পাঁচ ঘণ্টাৰ পূৰ্বে দক্ষিণ আফ্ৰিকা ক্ৰিকেট ব'ৰ্ডে নিৰ্দেশ দিয়ে যে প্ৰত্যেক খেলুৱৈয়ে ভিন্ন ভংগীৰে প্ৰতিবাদ সাব্যস্ত কৰিলে দলৰ মাজত একতাৰ অভাৱ বুলি বহুতে ধাৰণা কৰিব পাৰে। সেয়ে চলিত বিশ্বকাপত দলৰ সকলো খেলুৱৈয়ে আঁঠু কাঢ়ি প্ৰতিবাদ জনাব। ইয়াৰ কিছু সময়ৰ পাছতে ডি ক'কে খেলখনৰ পৰা নাম প্ৰত্যাহাৰ কৰে।

উল্লেখ্য যে বিগত জুনত ৱেষ্টইণ্ডিজ ভ্ৰমণতো দক্ষিণ আফ্ৰিকাৰ খেলুৱৈসকলে আঁঠু কাঢ়ি প্ৰতিবাদ জনাইছিল যদিও সেই সময়ত ডি ক'ক থিয় হৈ আছিল। পাছত সাংবাদিকৰ আগত তাৰকা ক্ৰিকেটাৰজনে কৈছিল, 'এয়া মোৰ ব্যক্তিগত সিদ্ধান্ত। কাৰোবাক বলপূৰ্বক কিবা এটা কৰিবলৈ বাধ্য কৰোৱা উচিত নহয়। সকলো কথা মই সেইদৰেই ভাবো।'




ইপিনে, আজিৰ ঘটনাৰ সন্দৰ্ভত দক্ষিণ আফ্ৰিকা দলৰ মিডিয়া মেনেজাৰে জনায় যে ডি ক'কে ব্যক্তিগত কাৰণ দৰ্শাই নাম প্ৰত্যাহাৰ কৰিছে। অৱশ্যে এই বিষয়ত তদন্ত কৰি প্ৰতিবেদন দাখিল কৰিবলৈ ব'ৰ্ডে মিডিয়া মেনেজাৰক নিৰ্দেশ দিছে।

## বিলাসনন্দন চ'ৰা



# শিয়ালৰ হাৰ্ট

**মানুহৰ** দেহত গাহৰিৰ কিড্‌নী লগোৱাৰ খবৰটো শুনাৰ পাছত প্ৰতিখন জংঘলতে হাহাকাৰ লাগি গৈছে। দাঁত, ছাল, খৰ্গ... এইবোৰ বিভিন্ন কামত লাগে কাৰণে জন্তুবোৰক মাৰি চাফা কৰা হৈছে। এতিয়া যদি মানুহক জন্তুৰ হাৰ্ট-কিড্‌নী-লিভাৰ সেইবোৰ লগা হয়, তেতিয়া দেখোন সৰ্বনাশেই হ'ব। ডাক্তৰে ক'ব — এখেতক বাঘৰ হাৰ্ট লাগিব। লগালগ বাঘ এটা মাৰি হাৰ্ট এটা লৈ অহা হ'ল। ডাক্তৰে ক'ব— এখেতক হাতীৰ লিভাৰ লাগিব। লগালগ হাতী মাৰি লিভাৰ লৈ অহা হ'ল। আৰু মানুহবোৰৰ একো বিশ্বাস নাইতো! সিহঁতক কেতিয়া কি লগা হয় তাৰ একো ঠিকনা নাই।

আতংকত কঁপি থকা জংঘলৰ জন্তুবোৰে জংঘলতে এখন বিশাল সমাবেশ পাতিলে। সমাবেশত সভাপতিত্ব কৰি এটা বুঢ়া সিংহই ক'লে, 'খবৰটো বৰ ডেঞ্জেৰাছ! আমাৰ কাৰণে বিপজ্জনক!' সমাবেশত উপস্থিত থকা আটাইবোৰ জন্তুৱে সঁহাৰি জনালে, 'হয়, বৰ ভয় লগা খবৰ!' হাতীটোৱে শুঁৰডাল দাঙি দাঙি গাহৰি এটাক সান্ত্বনা দি ক'লে, 'বেজাৰ নকৰিবি চোৰৰ কা বাচ্চা। কিবা এটা উপায় ওলাবতো!' সেইখিনিতে জংঘলৰ নিউজ চেনেলত কাম কৰা ৰিপ'ৰ্টাৰ নিগনি এটাই মাত দিলে, 'বহুদিন আগেয়ে এচামিজ ডাক্তৰ এটাই মানুহৰ দেহত গাহৰিৰ হাৰ্ট লগাইছিল। তাকে লৈ সাংঘাতিক হাংগামা হৈছিল। এতিয়া আমেৰিকাৰ ডাক্তৰক কিয় বাঃ বাঃ দিয়া হৈছে?'

কাষতে ৰৈ থকা গঁড় এটাই ক'লে, 'জন্মতে এচামিজ মানুহৰ দেহাত কেঁকোৰাৰ অংগ-প্ৰত্যংগবোৰ লাগি আহে। সেই কাৰণে সিহঁত তেনেকুৱা হয়।' আটাইবোৰ জন্তুৱে আশংকা প্ৰকাশ কৰিলে যে মানুহে এতিয়া হাৰ্ট, লিভাৰ, কিড্‌নী বিচাৰি সিহঁতক মাৰি ফুৰিব। অলপ আগেয়ে গোটে গোটে পহু এটা হজম কৰি অনবৰতে উগাৰি থকা বাঘ এটাই ক'লে, 'বাকীবোৰ নিয়ক। হাৰ্টটো নিনিলে হয়। হাৰ্টটো চলি থাকিলে আমি কমচে কম জীয়াই থাকিম। সকলোৱে কথাটোত হয়ভৰ দিও ক'লে যে সিহঁতৰ মতে মানুহবোৰে নচলে। মানুহবোৰক যি লাগে, সেয়া সিহঁতে নিবই। এন্দুৰ-নিগনিবোৰে সুধিলে— 'আমাৰো নিব নেকি?' বাকীবোৰে ক'লে— 'নিবতো!'

ঃ আমাৰ অংগ মানুহৰ দেহত খাপ খাব জানো?



ঃ খাবতো!

ঃ কাৰ দেহত খাপ খাব?

ঃ যিবোৰে ইলেকছনত হাৰি গাঁতত সোমাব খুজিব, বেমাৰ হ'লে সিহঁতকে লগা হ'ব।

ঃ আৰু যিয়ে জিকিব, তাক কাৰ অংগ লাগিব?

ঃ বাঘ বা সিংহৰ! সৰতে সন্ত্ৰাস বিয়পাই ফুৰিব লাগিব নহয়।

ঃ আৰু হাতীৰ অংগ কাক লাগিব?

হাতীয়ে নিজেই মাত দিলে, 'চৰবোৰত যিসকলে উচ্ছেদ চলাব, সিহঁতকে লাগিব। এফালৰ পৰা সৰ মহটিয়াই নিব লাগিব নহয়।'

হৰিণাবোৰে চকু দুটা পিৰিক-পাৰাক কৰি সুধিলে—'আমাৰ অংগও কাৰোবাক লাগিব নেকি?'

ঃ লাগিবতো!

ঃ কাক?

ঃ হিৰ'ইনবোৰক! আজিকালিৰ বহু নেতাৰ তিৰীবোৰকো লাগিব পাৰে। ফেচবুক ষ্টেটাচবোৰ চাই চাই গম পোৱা যায় নহয়।

সমাবেশত ভাগ লোৱা সব জন্তুৱে টেনছন। কিন্তু এটা চুকত বহি তামাম ৰিলাক্সড, মুডত বহি থকা দেখা গ'ল এজাক শিয়ালক। কথাটো সভাপতি সিংহ মহাৰাজেৰো চকুত পৰিল। শিয়ালবোৰলৈ চাই সুধিলে— 'অ'ই কে কে হোৱা পাৰ্টি!'

জাকটোৰ পৰাই কে কে হোৱা দি এটা শিয়ালে সঁহাৰি জনালে— 'কওক মিষ্টাৰ প্ৰেচিডেণ্ট!'

ঃ তহঁতৰ ভয় লগা নাই?

ঃ নাই লগা।

ঃ কিয় ভয় লগা নাই?

ঃ কাৰণ আমি নিশ্চিত যে আমাৰ বাকী অংগ নিলেও হাৰ্টটো কোনেও নিনিয়ে। গতিকে আমি নমৰো।

ঃ কেনেকৈ গম পালি?

ঃ আমাৰ অংগবোৰ নেতা-মন্ত্ৰীবোৰৰ দেহাতহে খাপ খাব।

ঃ সেইটো হয়।

ঃ কিন্তু সিহঁতৰতো হাৰ্ট নাথাকেই। অন্তৰ নাথাকেই। গতিকে আমাৰ পৰা হাৰ্ট নিয়াৰো দৰকাৰ নপৰে।

বাকী জন্তুবোৰেও কথাটোত হয়ভৰ দিলে।

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*




## পুনৰ ৩৮ জন আক্ৰান্ত কৰ'নাত
# তলাবন্ধ হ'ল চীনৰ সম্পূৰ্ণ চহৰ

কৰ'না ভাইৰাছৰ নতুন সংক্ৰমণক বাধা দিবলৈ পুনৰ সৰ্বাত্মক তলাবন্ধৰ পথ গ্ৰহণ কৰিলে চীনৰ ইজিন প্ৰদেশে। প্ৰশাসনে ইতিমধ্যে ইজিন চহৰৰ বাসিন্দাসকলক সম্পূৰ্ণৰূপে গৃহবন্দী কৰিলে। স্থানীয় সংবাদ মাধ্যমৰ সূত্ৰৰ বাতৰি অনুসৰি, কৰ'নাৰ 'ডেল্টা' প্ৰজাতিৰ নতুন ভাইৰাছৰ পৰিণতিতে চীনত ক'ভিডৰ সংক্ৰমণ ঊৰ্ধ্বমুখী হ'বলৈ ধৰিছে।



**নিউজ ব্যুৰ'**
**বেইজিং, ২৬ অক্টোবৰ ঃ** ক'ভিড-১৯ৰ সংক্ৰমণ পুনৰ বৃদ্ধি পাইছে চীনত। কৰ'না ভাইৰাছৰ নতুন সংক্ৰমণক বাধা দিবলৈ পুনৰ সৰ্বাত্মক তলাবন্ধৰ পথ গ্ৰহণ কৰিলে চীনৰ ইজিন প্ৰদেশে। প্ৰশাসনে ইতিমধ্যে ইজিন চহৰৰ বাসিন্দাসকলক সম্পূৰ্ণৰূপে গৃহবন্দী কৰিলে। স্থানীয় সংবাদ মাধ্যমৰ সূত্ৰৰ বাতৰি অনুসৰি, কৰ'নাৰ 'ডেল্টা' প্ৰজাতিৰ নতুন ভাইৰাছৰ পৰিণতিতে চীনত ক'ভিডৰ সংক্ৰমণ ঊৰ্ধ্বমুখী হ'বলৈ ধৰিছে। অৱশ্যে আন দেশৰ তুলনাত চীনত শেহতীয়াভাৱে ক'ভিড আক্ৰান্তৰ সংখ্যা যথেষ্ট সীমিত হৈ আছে। সোমবাৰে দেশখনত নতুনকৈ ৩৮ জন ক'ভিড ৰোগীক চিনাক্ত কৰা হৈছিল। নতুনকৈ কমসংখ্যক হ'লেও ক'ভিড ৰোগীক চিনাক্ত কৰাৰ পাছতে কৰ'না প্ৰতিৰোধৰ বাবে তৎপৰ হৈ উঠিল চীন চৰকাৰ। লগে লগে আক্ৰান্ত চিনাক্ত হোৱা ইজিন প্ৰদেশত প্ৰশাসনে সৰ্বাত্মক তলাবন্ধ ঘোষণা কৰিলে। উল্লেখ্য যে চীনৰ 'ইনাৰ মংগোলীয়া' অৰ্থাৎ আভ্যন্তৰীণ মংগোলীয়াত ইজিন চহৰ আছে। সম্প্ৰতি এই চহৰত বাস কৰা ৩৫,৭০০ বাসিন্দাক চীন চৰকাৰে গৃহবন্দী কৰি ৰাখিছে। চহৰৰ বাসিন্দাসকলক প্ৰশাসনে ঘোষণা কৰি কৈছে যে তলাবন্ধ অমান্য কৰি কোনো ব্যক্তিয়ে ঘৰৰ বাহিৰত ভৰি দিলেই আইনী শাস্তি বিহা হ'ব। সামাজিক অপৰাধ হিচাপে গণ্য কৰা হ'ব চৰকাৰী নিৰ্দেশ উলংঘনক। এই মুহূৰ্তত ইজিন চহৰক কৰ'নাৰ 'হটস্পট' হিচাপে চিহ্নিত কৰিছে চীন চৰকাৰে। চৰকাৰে প্ৰকাশ কৰা অনুসৰি, বিগত সপ্তাহত সমগ্ৰ দেশত যিসংখ্যক ক'ভিড ৰোগীক চিনাক্ত কৰা হৈছিল তেওঁলোকৰ এক-তৃতীয়াংশ ইজিনৰ বাসিন্দাৰ জৰিয়তে ক'ভিডত আক্ৰান্ত হৈছিল। এই বিষয়ত চীনৰ স্বাস্থ্য আয়োগে কালি এক সতৰ্কবাৰ্তা প্ৰেৰণ কৰিছিল। স্বাস্থ্য আয়োগে সকীয়নি দি কৈছে যে দেশখনৰ ১১খন প্ৰদেশত ক'ভিড পৰিস্থিতি উদ্বেগজনক হৈছে। আক্ৰান্তৰ সংখ্যা যথেষ্ট সীমিত হ'লেও চীন চৰকাৰে এই মাৰাত্মক ভাইৰাছৰ পুনৰ সংক্ৰমণক সৰ্বতোপ্ৰকাৰে বাধা দিবলৈ সৰ্বাত্মক তলাবন্ধ ঘোষণা কৰিছে।

চীনৰ ৰাষ্ট্ৰীয় স্বাস্থ্য আয়োগৰ বিষয়া উ লিয়ানগিউৱে আজি এই কথা প্ৰকাশ কৰি এইদৰে কয়, 'ৰাজধানী বেইজিঙত নতুনকৈ সংক্ৰমণ ধৰা পৰিছে। দেশৰ যিকোনো অঞ্চলত ক'ভিড সংক্ৰমণ আছে, উক্ত অঞ্চলৰ বাসিন্দা কোনো ব্যক্তিকে বেইজিঙত প্ৰৱেশ কৰিব দিয়া হোৱা নাই। যিসকলে বেইজিঙত আন অঞ্চলৰ পৰা প্ৰৱেশ কৰিব বিচাৰিছে, তেওঁলোকে ক'ভিডৰ 'নিগেটিভ' প্ৰতিবেদন প্ৰদৰ্শন কৰিব লাগিব। তদুপৰি বেইজিঙত প্ৰৱেশৰ পাছত দুসপ্তাহ উক্ত ব্যক্তিয়ে নিৰীক্ষণত থাকিব লাগিব।' সমগ্ৰ বিশ্বই যেতিয়া এই মহামাৰী ক্ৰমশ স্থানীয় ৰোগ (এণ্ডেমিক)ত পৰিণত হ'ব বুলি মত প্ৰকাশ কৰিছে, সেই সময়তো চীনে ক'ভিডৰ স্থানীয় সংক্ৰমণক বাধা দিবলৈ তৎপৰতা প্ৰদৰ্শন অব্যাহত ৰাখিছে। ছিংগাপুৰৰ পৰা অষ্ট্ৰেলিয়া, আমেৰিকা, ইউৰোপ সকলোৱে ক্ৰমে অৰ্থনৈতিক পৰিস্থিতি স্বাভাৱিক কৰিবলৈ প্ৰচেষ্টা গ্ৰহণ কৰিছে।

এইসমূহ দেশৰ বক্তব্য অনুসৰি, কৰ'না ভাইৰাছ এই বিশ্বত থাকি যাব। অৰ্থাৎ ক'ভিড-১৯ক ধ্বংস কৰাটো বিশ্ববাসীৰ বাবে সম্ভৱ নহ'ব বুলি বিশ্বৰ প্ৰায়সংখ্যক দেশে মত পোষণ কৰিছে। অৱশ্যে সৰহসংখ্যক দেশৰ মতে, ক'ভিডৰ অস্তিত্ব এই বিশ্বত থাকিলেও ই ক্ৰমশঃ শক্তি হেৰুৱাই এক স্থানীয় ৰোগত পৰিণত হ'ব। কিন্তু চীনে এতিয়াও ক'ভিডক অতি গুৰুত্বসহকাৰে গ্ৰহণ কৰিছে। ক'ভিড সংক্ৰমণৰ প্ৰতি সেয়েহে বেইজিঙে শূন্যসহনশীল নীতি গ্ৰহণ কৰিছে। চীনৰ ৭৬ শতাংশ বাসিন্দাৰ টিকাকৰণ ইতিমধ্যে সম্পূৰ্ণ হৈছে। তদুপৰি দেশখনৰ পাঁচখন প্ৰদেশে ঘোষণা কৰা অনুসৰি তিনিৰ পৰা ১১ বছৰীয়া শিশুসকলৰ টিকাকৰণো অচিৰে চীনত আৰম্ভ কৰা হ'ব। স্মৰ্তব্য যে চীনৰ উহানৰ পৰাই বিশ্বত ক'ভিড-১৯ৰ প্ৰথম সংক্ৰমণৰ সূত্ৰপাত ঘটিছিল। ক'ভিডৰ প্ৰথম সংক্ৰমণ চীনত হ'লেও দেশখনে অতি কম সময়ৰ ভিতৰত এই অতিমাৰীক নিয়ন্ত্ৰণ কৰিবলৈ সফল হৈছিল। নতুনকৈ ক'ভিড ৰোগী চিনাক্ত হোৱাৰ পাছতে সেয়েহে এইবাৰো চীন চৰকাৰে এই ভাইৰাছৰ সংক্ৰমণ প্ৰতিৰোধ কৰিবলৈ তলাবন্ধৰ পথ গ্ৰহণ কৰিলে।

# ভুলতে গাড়ীখন স্পৰ্শ কৰিলেও ভৰিব লাগিব লাখ টকা


## হীৰাখচিত ৩৬ কোটিটকীয়া মাৰ্চিডিজত ঘূৰে ছৌদি আৰবৰ যুৱৰাজে



**নিউজ ব্যুৰ'**
**ৰিয়াধ, ২৬ অক্টোবৰ ঃ** বিলাসী জীৱন যাপনৰ বাবে ছৌদি আৰৱৰ যুৱৰাজ আল-ৱালিদ বিশ্বজুৰি পৰিচিত। ৱালিদ এজন ব্যৱসায়ী আৰু বিনিয়োগকাৰীও। বেইৰুটৰ পাইনউড কলেজত অধ্যয়নৰ পাছত ৰিয়াধৰ এখন সৈনিক স্কুলত তেওঁ ভৰ্তি হৈছিল। ইয়াৰ পাছত কেলিফ'ৰ্ণিয়াৰ মেনল' কলেজৰ পৰা বিজনেছ এডমিনিষ্ট্ৰেচন বিষয়ত তেওঁ স্নাতক ডিগ্ৰী গ্ৰহণ কৰিছিল। পাছত নিউ য়ৰ্কৰ ছাইৰাকুছ বিশ্ববিদ্যালয়ৰ পৰা ৱালিদে সমাজ বিজ্ঞান বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী অৰ্জন কৰিছিল। উচ্চ শিক্ষিত এইজন আৰৱৰ যুৱৰাজে অতি বিলাসী জীৱন অতিবাহিত কৰি আহিছে। কেৱল ছৌদি আৰৱতে ৱালিদৰ তিনিটাকৈ বিশাল প্ৰাসাদোপম বাসগৃহ আছে। অৱশ্যে মধ্য ৰিয়াধৰ প্ৰাসাদতো সৰহসময় ৱালিদে অতিবাহিত কৰি আহিছে। এই প্ৰাসাদত কমেও ৩১৭ টা কোঠা আছে। বিশাল অট্টালিটাটো নিৰ্মাণৰ বাবে ১৩ কোটি ডলাৰ ব্যয় কৰা হৈছিল।

ৱালিদে বিদেশ ভ্ৰমণ কৰিলে ব্যক্তিগত বিমান ব্যৱহাৰ কৰে। আকাশপথত ভ্ৰমণৰ বাবে ৱালিদৰ যিদৰে নিজা বিমান আছে, একেদৰে জলপথত যাতায়াতৰ বাবেও আছে অতি বিলাসী ব্যক্তিগত জাহাজ। এইখন জাহাজ নিৰ্মাণৰ বাবে ৫০ কোটি ডলাৰ অৰ্থাৎ ভাৰতীয় মূল্যত তিনি হেজাৰ ৭৭৫ কোটি টকা ব্যয় কৰা হৈছিল। আনহাতে, ৱালিদৰ সংগ্ৰহত আছে কমেও ২০০ খন অতি বিলাসী বহুমূলীয়া গাড়ী। ৰ'লছ ৰয়েছ, লেম্বৰঘিনি, ফেৰাৰীৰ দৰে অতি দামী গাড়ী ব্যৱহাৰ কৰে এইজন ছৌদি যুৱৰাজে। ৱালিদৰ সংগ্ৰহত থকা গাড়ীৰ মাজত হীৰাখচিত মাৰ্চিডিজ গাড়ীও আছে। এইখন গাড়ীত কমেও তিনি লাখ হীৰা ব্যৱহাৰ কৰা হৈছে। ১৩ জন বিশেষজ্ঞই মাৰ্চিডিজ গাড়ীখনক দুসপ্তাহত হীৰাৰে সজাই-পৰাই তুলিছিল। মাৰ্চিডিজ এছ এল ৬০০ মডেলৰ এইখন গাড়ীৰ মূল্য ৪৮ লাখ ডলাৰ অৰ্থাৎ ভাৰতীয় মুদ্ৰাত প্ৰায় ৩৬ কোটি ২৪ লাখ টকা। ছৌদি আৰৱত এনে এক কথাও প্ৰচলিত যে ৱালিদৰ এই বিলাসী গাড়ীখন কোনো ব্যক্তিয়ে ভুলতে এবাৰ স্পৰ্শ কৰিলেও কে'বা লাখ টকাৰ ক্ষতিপূৰণ ভৰিব লাগিব। ২০০৭ত ডুবাইত এক প্ৰদৰ্শনীত মাৰ্চিডিজৰ ৫০ সংখ্যক জন্মদিন উপলক্ষে এছ এল ৬০০ মডেলৰ গাড়ীখন প্ৰদৰ্শন কৰা হৈছিল। ইয়াৰ পাছতে এই গাড়ীখন ক্ৰয় কৰিছিল ৱালিদে। সম্পূৰ্ণ হীৰাৰে খচিত হোৱা হেতুকে পোহৰ পৰিলেই জিলিকি উঠে মাৰ্চিডিজখন। এই বিলাসী গাড়ীত উঠিয়ে ৱালিদে সকলোকে চমক দি আহিছে। কেৱল বিলাসী জীৱন যাপন কৰাই নহয়, ৱালিদে সমাজসেৱামূলক কাম-কাজতো জড়িত হৈ আহিছে। আলৱালিদ ফিলানথ্ৰ'ফিছ নামৰ এটা স্বেচ্ছাসেৱী সংগঠনে ছৌদি যুৱৰাজে প্ৰতিষ্ঠা কৰিছে। এই সংগঠনৰ উদ্দেশ্যে হৈছে আৰবৰ মহিলা আৰু যুৱ সমাজক আত্মনিৰ্ভৰ কৰি তোলা। এই সংস্থাৰ বাবে ৱালিদে বৰ্তমানলৈকে ৩৫০ কোটি ডলাৰ ব্যয় কৰিছে।




**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com